

# সাময়িকী



## আগন্তুক নিৰ্বাচন আৰু বিপাক্ষিক মতামত

### অসম চুক্তি ঃ প্ৰত্যাশা আৰু প্ৰাপ্তি

ৰাজীৱ গান্ধীৰ মেডাচ পৰশ

বিতৰ্ক—বিতৰ্ক—বিতৰ্ক

OKDISCD

# আমাৰ অমূল্য গ্ৰন্থসম্ভাৰ

| | | মূল্য |
|---|---|---|
| ১। | হস্তিবিদ্যাৰ্ণৱ<br>সম্পা : ড° প্ৰতাপচন্দ্ৰ চৌধুৰী | ২৫০'০০ |
| ২। | কামৰূপ শাসনাৱলী<br>সম্পা : ড° ডিম্বেশ্বৰ শৰ্মা | ১০০'০০ |
| ৩। | ৰিপৰ্ট অন দি প্ৰভিন্স অৱ আসাম<br>এ. জে. মফট মিলচ্ | ২০০'০০ |
| ৪। | অৰুণোদই<br>সম্পা : ড° মহেশ্বৰ নেওগ | ১৫০'০০ |
| ৫। | আসাম বন্ধু<br>সম্পা : ড° নগেন শইকীয়া | ৪০'০০ |
| ৬। | কমলাকান্ত ভট্টাচাৰ্য ৰচনাৱলী<br>সম্পা : ড° প্ৰফুল্লদত্ত গোস্বামী | ৩৫ ০০ |
| ৭। | লম্বোদৰ বৰা ৰচনাৱলী<br>সম্পা : নন্দ তালুকদাৰ | ২৫'০০ |
| ৮। | লক্ষ্মীনাথ বেজবৰুৱা<br>সম্পা : চন্দ্ৰপ্ৰসাদ শইকীয়া | ২০'০০ |
| ৯। | ভাৰতৰ ইতিহাস<br>অনু : ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | ৩০'০০ |
| ১০। | কুৰি শতিকাৰ অসমীয়া কবিতা<br>সম্পা : নীলমণি ফুকন | ২০'০০ |
| ১১। | ভোলানাথ দাস ৰচনাৱলী<br>সম্পা : অতুলচন্দ্ৰ বৰুৱা | ২৪'০০ |
| ১২। | কৌটিল্যৰ অৰ্থশাস্ত্ৰ<br>সম্পা : ড° ৰজনীকান্ত দেৱশৰ্মা | ৩০'০০ |
| ১৩। | মৰুৱা ফুল<br>সম্পা : নৱকান্ত বৰুৱা | ৩০'০০ |
| ১৪। | অনাতাঁৰ নাট্যাৱলী (১)<br>সম্পা : অৰুণ শৰ্মা | ৩০'০০ |
| ১৫ | অনাতাঁৰ নাট্যাৱলী (২)<br>সম্পা : অৰুণ শৰ্মা | ৪০'০০ |
| ১৬। | ৰুদ্ৰ বৰুৱাৰ গীত<br>সম্পা : ৰাম গোস্বামী | ১৫'০০ |
| ১৭। | ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী<br>সম্পা : যোগেন্দ্ৰনাৰায়ণ ভূঞা | ২০'০০ |
| ১৮। | গোপীনাথ বৰদলৈ ৰচনাৱলী | |
| ১৯। | বিশ্ব ইতিহাসৰ জিলিঙনি<br>অনু : সদানন্দ চলিহা | ২০'০০ |
| ২০। | সত্ৰ সংগীতৰ স্বৰৰেখা<br>কেশৱানন্দ গোস্বামী | ১০'০০ |
| ২১। | নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প<br>সম্পা : ড° হেমন্ত কুমাৰ শৰ্মা | ২০ ০০ |
| ২২। | মৌ<br>সম্পা : ড° সত্যেন্দ্ৰ নাথ শৰ্মা | ১০'০০ |
| ২৩ | মহাভাৰত<br>অনু : মহাদেৱ শৰ্মা | ২০'০০ |
| ২৪। | ৰামায়ণ<br>অনু : লক্ষেশ্বৰ শৰ্মা | ২০'০০ |
| ২৫। | জংগম<br>দেবেন্দ্ৰ নাথ আচাৰ্য | ২৫'০০ |
| ২৬। | অসীমৰ যাত্ৰী<br>অনু : বিমলা ভাগৱতী | ২০'০০ |
| ২৭। | ডিমাচাসকলৰ গীত-মাত<br>নগেন বৰুৱা | ১২'০০ |
| ২৮। | চন্দ্ৰনাথ শৰ্মা<br>সম্পা : ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | ২৫ ০০ |
| ২৯। | মোৰ সত্য অন্বেষণৰ কাহিনী<br>অনু : অমিয় কুমাৰ দাস | ২৫ ০০ |
| ৩০। | চৰাই চিনো আহক<br>ডিম্বেশ্বৰ চলিহা | ১৬'০০ |
| ৩১। | পঞ্চতন্ত্ৰ<br>অনু : প্ৰভাত শৰ্মা | ২৫'০০ |
| ৩২। | পাখীয়ে পাখীয়ে ৰং<br>নিৰুপমা মিশ্ৰ | ৮ ০০ |
| ৩৩। | জীৱন স্মৃতি<br>অমিয় কুমাৰ দাস | ২৫'০০ |
| ৩৪। | মেক্সিম গৰ্কি (১)<br>অনু : সদা মৰল | ১৫'০০ |
| ৩৫। | মেক্সিম গৰ্কি (২)<br>অনু : সদা মৰল | ১৩'০০ |
| ৩৬। | স্মৃতিলেখা<br>অতুল চন্দ্ৰ হাজৰিকা | ১৫'০০ |

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী — ৭৮১০২১



**সম্পাদন সমিতি :**

সন্ধ্যা দেৱী
মৌচুমী কোঁৱৰ
পূৰ্ণিমা শৰ্মা
দীপিকা বৰুৱা
মৃত্যুপৱন বৰা

**সম্পাদক :**

বিধান চন্দ্ৰ দেৱ

**সহঃ সম্পাদক :**

প্ৰশান্ত বৰা

**সহযোগী সম্পাদক :**

গৌতম কুমাৰ বৰা

**বিশেষ সহযোগত :**

অশোক বৰুৱা

**বেটুপাত আৰু অংগসজ্জাত :**

ধনঞ্জয় শৰ্মা

**উপদেষ্টা :**

কমল শৰ্মা

**প্ৰকাশক :**
সম্পাদক

**যোগাযোগ ঠিকনা :**
সাময়িকী
মাৰফৎ/অধ্যাপক মানব চলিহা।
ন' আলি, যোৰহাট। ৭৮৫০০১

**ছপাশাল :**
বৰকটকী এণ্ড কোম্পানী প্ৰাঃ লিঃ
যোৰহাট-৭৮৫০০১


# সাময়িকী


প্ৰথম বছৰ। দ্বিতীয় সংখ্যা।



সম্পাদকীয় ॥ ২ ॥ মতামত ॥ ৩ ॥ শইকীয়াৰ শ্ৰমিক 'প্ৰীতি' নে 'পুতৌ' ॥ ৪ ॥

"পাৰমাণৱিক অস্ত্ৰ সীমিতকৰণ বিষয়ক সম্বন্ধে হৈ থকা আলাপ আলোচনা বোৰ সাম্প্ৰতিক বিশ্বৰাজনীতিৰ কোনো নতুন ঘটনা নহয়; বিৰল ঘটনা হ'ব সেই বিশ্বমতক কাৰ্যকৰী শক্তিলৈ ৰূপান্তৰিত কৰিব পৰা প্ৰকৃত ৰাজনৈতিক তৎপৰতাহে।" ভাৰতীয় বৈদেশিকনীতিত বিশেষ দৃষ্টিৰে আলোক পাত কৰিছে **ব্ৰজকিশোৰ শইকীয়াই। ৰাজীৱ গান্ধীৰ মেডাচ্ পৰশ** ॥ ৫ ॥

"সবাতোকৈ বিপদসূচক কথাটো হব যদিহে বহুজাতিক কম্পানী বোৰক অসমৰ দৰে ৰাজ্যত বিনিয়োগ কৰিবলৈ দিয়া হয়, কাৰণ দেশৰ সীমান্তত এটি স্পৰ্শকাতৰ অঞ্চললৈ এনে মূলধনৰ অনুপ্ৰৱেশে নতুন সমস্যাৰ উদ্ভৱ কৰাৰ আশংকা নুই কৰিব নোৱাৰি। "অসম চুক্তি"ৰ ওপৰত অৰ্থনৈতিক দৃষ্টিভঙ্গীৰে **ভূবন বৰুৱা**ৰ আলোকপাত— **অসম চুক্তি : প্ৰত্যাশা আৰু প্ৰাপ্তি** ॥ ৯ ॥

কবিতা: প্ৰভাতৰ সূৰ্য্য ॥ ১২ ॥ জন্ম ॥ ১২ ॥ আন্তৰিকতা ॥ ১৩ ॥ খুলি গ'ল সৰগৰ দুৱাৰ ॥ ১৩ ॥ পান্থপ্ৰবাদ ॥ ১৩ ॥

সংজ্ঞা নিৰ্ণয় কৰিব নোৱাৰা কাৰণেই ড° লীলা গগৈয়ে তেখেতৰ কিতাপ খনত আহোম সকলৰ ওপৰত "আহোম ধৰ্ম" জাপি দিছে নেকি?
……………গদাধৰ সিংহৰ উপদেশ বাণী বুলি কোৱা বাক্য কেইষাৰ থকা বুৰঞ্জীখন— প্ৰকাশিতেই হওক বা অপ্ৰকাশিতেই হওক, বুৰঞ্জী খনৰ ৰচনা কাল আৰু লিখকৰ সম্ভাব্য পৰিচয়ৰ তথ্যপাতি ৰাজহুৱাকৈ প্ৰকাশ কৰি দিবনে? **লক্ষীনাথ তামুলীৰ** বিতৰ্কমূলক প্ৰবন্ধ— **বেলি মাৰ গ'ল" : অসম বুৰঞ্জীৰ ৰচনাত সাম্প্ৰদায়িকতাৰ সূৰ্য্যোদয়।** ॥ ১৪ ॥

"অসম চুক্তি"ৰ পাছতেই বলিব ধৰিছে নিৰ্বাচনী বতাহ। সকলো ৰাজনৈতিক দলৰ মাজত দেখা গৈছে নিৰ্বাচনী তৎপৰতা। আগন্তুক নিৰ্বাচন সম্পৰ্কত সকলো বিপক্ষ ৰাজনৈতিক দলৰ নেতৃবৰ্গৰ নিজ নিজ দলৰ দলীয় মতামতৰ **আগন্তুক নিৰ্বাচন আৰু বিপক্ষিক মতামত** ॥ ২১ ॥

গল্প : টোপনি ভঙাৰ মেলা/জীতেন শৰ্মা ॥ ২৬ ॥ উপন্যাস : এজন মানুহৰ ভাগ্য/ধ্ৰুৱজ্যোতি ৰৰা ॥ ৩৮ ॥ ক্ৰীড়াংগন : খেল আৰু প্ৰচাৰ/জয়ন্ত বৰুৱা ॥ ৩৬ ॥


আমাৰ নিজস্ব প্ৰতিধিধি সকল : অনিল দত্ত (উঃ লক্ষীমপুৰ), দীলিপ ফুকন (তেজপুৰ), দীলিপ মেধী (গুৱাহাটী), ৰাতুল বৰুৱা (ডিব্ৰুগড়)

OKDISCD

# সম্পাদকীয়

## অসম চুক্তিঃ ক্ৰিয়া-প্ৰতিক্ৰিয়া

'৭৯ ৰ সংগ্ৰামী সংকল্প ; '৮৩ ৰ আত্মাহুতিৰে অসম আন্দোলনে যেতিয়া '৮৪ ৰ দেওনা পাৰ হৈ '৮৫ ত ভৰি দিয়ে, তেতিয়া অসমৰ সংগ্ৰামী জনতাৰ ধমনীত সংগ্ৰামী তেজৰ গতি খুবেই মন্থৰ। বিৰাজ কৰিছিল-স্থবিৰতা, নিস্তব্ধতা আৰু উদ্যম হীনতাই। দেখাদিছিল দুৰাচাৰ, দুনীৰ্তি, স্বাৰ্থপৰতা আৰু স্বেচ্ছাচাৰীতাই। 'অসম চুক্তি' সম্পাদিত হয় এনে এক জটিল পৰিবেশত, সময়ৰ এই প্ৰতিকূলতাক নিৰ্দ্দিষ্ট কৰিয়েই বোধকৰো সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল মহন্তই মন্তব্য কৰিছিল " We have had to make compromise but we have own a victory " ( ইণ্ডিয়া-টু-ডে, ১৫ চেপ্তেম্বৰ, '৮৫ , পৃষ্ঠা ৪২ )। গতিকে, 'অসম চুক্তি' ৰ বিভিন্ন চৰ্তৰ আধাৰত দেখা দিয়া বাক্-বিতণ্ডা সমূহ বহুক্ষেত্ৰত যদিও ভিত্তিহীন নহয় , সময়ৰ প্ৰতিকূলতাৰ পৰিপ্ৰেক্ষিতত প্ৰথমেই এই কথা স্বীকাৰ কৰিব লাগিব যে, শত শত শ্বহীদৰ আত্মত্যাগ আৰু অসমৰ জনসাধাৰণৰ সংগ্ৰামী সংকল্পই চুক্তি খনৰ মাধ্যমত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

'চুক্তি' সম্পৰ্কে স্বাভাৱিকতে যিটো প্ৰথম প্ৰশ্নৰ উদয় হয়, সেয়া হ'ল—যি বিলাক চৰ্তৰ ভিত্তিত 'অসম চুক্তি' সম্পাদিত হ'ল , সেইবোৰ চৰ্তত হাজাৰ হাজাৰ মানুহৰ প্ৰাণনাশৰ আগতেই এনে ধৰণৰ চুক্তি এটা হোৱাটো সম্ভৱ নহলহেঁতেন নে ? কিয়নো ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ আৰু ৰাজীৱ গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰ নীতিগত মৌলিক পাৰ্থক্য এতিয়ালৈকে একেবাৰেই লক্ষিতপৰি হোৱা নাই। এই প্ৰশ্নটোৰ এক বৈজ্ঞানিক পৰ্য্যালোচনাৰ প্ৰয়োজন কিয়নো, এই পৰ্য্যালোচনাৰ পৰিপ্ৰেক্ষিতত আমাৰ মনত সৃষ্টি হোৱা দ্বন্দ্ববোৰে কিছুমান সিদ্ধান্তৰ জন্ম দিব, যিবোৰ সিদ্ধান্ত আমাৰ আগন্তুক দিনবোৰৰ বাবে নিতান্তই প্ৰয়োজন। দ্বিতীয় প্ৰশ্নটো হ'ল—অসম আন্দোলনৰ ভয়াবহ ৰক্তক্ষয়ক কেন্দ্ৰ কৰি। এই কথা সৰ্বজনজ্ঞাত যে, চৰকাৰী বা বেচ-ৰকাৰী 'প্ৰতিক্ৰিয়াশীল মহলৰ' ষড়যন্ত্ৰত শ' শ' জন শ্বহীদ হ'ল, চিৰদিনৰ বাবে ঘূণীয়া হ'ল, ভ্ৰাতৃঘাতী সংঘৰ্ষত বহুজনে প্ৰাণ হেৰুৱালে, পংগু হ'ল। চুক্তিখনে এই কথা স্বীকাৰ কৰাৰ লগতে উক্ত দুৰ্ভগীয়া সকলৰ আত্মীয় বৰ্গলৈ চৰকাৰী অনুদান মঞ্জুৰ কৰাৰ সিদ্ধান্ত লৈছে। কিন্তু, যি কোনো গণতান্ত্ৰিক দেশতেই যি কোনো হত্যাকাণ্ডৰ বিচাৰৰ ব্যৱস্থা আছে। কিন্তু, এই ক্ষেত্ৰত চৰকাৰী অনুদানৰহে ব্যৱস্থা কৰা হ'ল। ই ভাৰতীয় গণতন্ত্ৰৰ স্বৰূপটোক উলংগ কৰি দেখুৱালে। সেইদৰে চিনাক্ত কৰা নহ'ল, কোন সেই 'প্ৰতিক্ৰিয়াশীল মহল'। অৰ্থাৎ অসমৰ বুকুত সেই 'প্ৰতিক্ৰিয়াশীল মহলে' এতিয়াও খোপনি পুতি আছে। ইও আগন্তুক সময়ৰ বাবে এক সতৰ্ক হুবলগীয়া বিষয়।

'চুক্তি'ৰ পাছত 'বিদেশী' শব্দটোৰ ঠাই ললে সংখ্যা লঘু ' শব্দটোৱে। অসম আন্দোলনটো যেন সংখ্যালঘু বিৰোধী আন্দোলনহে আছিল। এতিয়া সংখ্যালঘুৰ স্বাৰ্থৰ অনুকূলত হেনো ব্যাপক ভাবে আন্দোলনো গঢ়ি তোলা হব। তাৰ পৃষ্ঠ-পোষকতা কৰিব হেনো তথাকথিত প্ৰগতিবাদী ( ? ) চি. পি, এম দলকে আদি কৰি শাসকীয় ৰাজনীতিৰ স্বাৰ্থতে জন্মপোৱা 'জমিয়ত উলামায়ে হিন্দ' আৰু 'জামাত-ই-ইছলামী-হিন্দ ' আদি গোষ্ঠীকেন্দ্ৰিক বিচ্ছিন্নতাবাদী অনুষ্ঠান সমূহে। চি, পি, এম দলে এতিয়াহে শাসক দলক ( অসম চুক্তিৰ পৰিপ্ৰেক্ষিতত ) 'অগণতান্ত্ৰিক আৰু ৰাষ্ট্ৰ বিৰোধী ' হোৱা দেখা পালে। অৰ্থাৎ তেওঁলোকৰ চকুত ইমানদিন শাসক দল গণতান্ত্ৰিকেই আছিল !! এক কথাত মাৰ্ক্স বাদৰ নামত চি, পি, এম দলৰ ভণ্ডামী ইমানেই স্পষ্ট যে, একমাত্ৰ ভোটৰ বাকচৰ স্বাৰ্থত বিচ্ছিন্নতাবাদৰ লগতো আপোচ কৰিবলৈ ই দ্বিধা কৰা নাই। অসমৰ সংখ্যালঘুৰ বাবে পশ্চিম বংগৰ চি, পি, এম চৰকাৰৰ চকুত টোপনি নাই, কিন্তু নিজৰ ৰাজ্যৰ সীমান্ত কটকটীয়া ৰখাৰ ক্ষেত্ৰত খুবেই সজাগ !

( শেষৰ পৃষ্ঠাত চাওক।)

# মতামত

প্ৰিয় সম্পাদক,

'সাময়িকী' ৰ প্ৰথম সংখ্যা হাতত তুলি লৈ নিজকে ভাগ্যবান যেন লাগিছে। বিশেষকৈ ইয়াৰ অংগসজ্জা, সুন্দৰ প্ৰচ্ছদপট, চিন্তাগধূৰ বুদ্ধিদীপ্ত সম্পাদকীয়, অনুবাদ আৰু মৌলিক কবিতা কেইটা আৰু ডঃ চট্টোপাধ্যায় দেৱৰ চিন্তাগধুৰ প্ৰবন্ধটিয়ে যি কোনো পাঠকৰ মনত 'সাময়িকী' ৰ ভৱিষ্যত সম্পৰ্কে আশাবাদৰ সৃষ্টি কৰিব পাৰে। আশাকৰো' সদ্যজাত 'সাময়িকী' য়ে একমাত্ৰ প্ৰবীণ লেখক সকলৰ লিখনী প্ৰকাশ কৰিয়ে ক্ষ্যান্ত নাথাকি অসমৰ চোকে কোনে গঢ়ি উঠা নবীন লেখকৰ লিখনী ও প্ৰকাশ কৰি 'সাময়িকী' ক সকলো স্তৰৰ পাঠকৰ বাবে জনপ্ৰিয় কৰি তুলিব। সৃষ্টি ধৰ্মী বস্তুনিষ্ঠ লিখনীক অগ্ৰাধিকাৰ দিলে হয়তো সাময়িকী যে সচেতন পাঠকৰ মনত বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম হব। আশা ৰাখিলো—যাতে 'সাময়িকী' য়ে অসমীয়া আলোচনী জগতত এক নতুন যুগৰ সূচনা কৰিবলৈ সক্ষম হয়।

—বিপুল চন্দ্ৰ কলিতা
বৈৰাগীমঠ, ডিব্ৰুগড়

সম্পাদক ডাঙৰীয়া,

প্ৰথম বছৰ প্ৰথম সংখ্যাৰ 'সাময়িকী' পঢ়ি সুখী হলো। অসমীয়া ভাষাত প্ৰকৃতাৰ্থত চিন্তাশীল আলোচনীৰ ভীষন অভাব। আশা কৰোঁ 'সাময়িকী' সেই অভাৱ পূৰণ কৰাত যত্নৱান হব।

প্ৰকৃত সত্য ঘটনা উদ্‌ঘাট কৰি সত্য প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰক। অসমত সুস্থ সাহিত্য পৰিৱেশন কৰাত 'সাময়িকী'য়ে যথাযথ পদক্ষেপ লওক। প্ৰভূত আদৰ্শক সাৱোগত কৰক, সফল হব। ৰাজনৈতিক আস্ফালন বাদ দিয়াটো যাতে হয় তাৰো মনোনিবেশ কৰিব। সেই বুলি ৰাজনীতি বাদ দিব নোৱাৰে। মাত্ৰ, সংকীৰ্ণ দলীয় ৰাজনীতিৰ পৰিৱেশনৰ আশ্ৰয় নিদিব।

—উৎপল ভুঞা
খেলমাটি, যোৰহাট।

প্ৰিয় সম্পাদক,

'সাময়িকী' ৰ প্ৰথম সংখ্যা পঢ়ি আনন্দিত হলোঁ। 'সাময়িকী' ৰ সম্পাদকীয় শিতানত গোষ্ঠিকেন্দ্ৰিক ভাৱমূৰ্ত্তিৰ বাস্তৱ ৰূপায়ণত অগ্ৰাধিকাৰ দিয়াৰ যি প্ৰতিশ্ৰুতি দি সাময়িকী'ক সেইদৰে সজাই তোলাৰ যি প্ৰচেষ্টা দেখা হৈছে। সেয়া আমাৰো কামনা 'সাময়িকী' যেন গতানুগতিকতাৰ বলি নহৈ নবীন প্ৰবীন সচেতন লিখকৰ ভাৱাদৰ্শ, মুকলি চিন্তা ধাৰা আৰু ভাষা সংস্কৃতিৰ সম-সাময়িক সৌধ গঢ়ি নিৰপেক্ষ ভূমিকাৰে আগবাঢ়ে তাৰ কামনাৰেই পৰৱৰ্ত্তী সংখ্যা সমূহলৈ আগ্ৰহেৰে বাট চাই ৰলোঁ।

—নিৰ্মলেন্দু সেন
সৰুপথাৰ, যোৰহাট ( অসম )

প্ৰিয় সম্পাদক,

এখন আলোচনী জন্ম দিয়াটো সুখ আৰু আনন্দৰ বিষয়। 'সাময়িকী'ৰ প্ৰথম সংখ্যা পঢ়ি দুৰামাৰ লিখিলো।

১। বেটুপাতৰ মান দণ্ড বুলিবলৈ একেবাৰেই নাই। আলোচনীৰ বেটুপাতৰ চিত্ৰত প্ৰকৃত সাৰ মৰ্ম সোমাই থাকে।
২। মুল সম্পদ, বানানৰ নিভু'লতা, ছপাৰ নিভু'লতাৰ প্ৰতি, বিশেষ যত্ন লোৱা প্ৰয়োজন।
৩। ডঃ সুহাষ চট্টোপাধ্যায় দেৱৰ পৰ্য্যালোচনাটি ভাল লাগিছে। জাতি বৰ্ণ নিৰ্বিশেষে অসমীয়া বৃহৎ সমাজখন গঢ় দিবলৈ আগবাঢ়িঅহা প্ৰতিজন লোক আমাৰ চিৰ নমস্য।
৪। বহু কেইটি তথ্য গধূৰ প্ৰৱন্ধৰ সোৱাদ পালো। কিন্তু "আত্মহনন" শব্দটোৰ অৰ্থ বুজিব নোৱাৰিলো।
৫। অৱহেলিত অন্ধকাৰত পৰিথকা প্ৰতিভাৱান শিল্পী "মঘাই ওজাৰ" নিৱন্ধ টি মনোগ্ৰাহী হৈছে। শ্ৰীহেমাংগ বিশ্বাস দেৱৰ লেখনিৰে প্ৰতিভাৱন শিল্পী সকলক নতুন পোহৰত দাঙি ধৰি আমাক উপকৃত কৰিবলৈ ব্যক্তিগত অনুৰোধ কৰিলো।
৬। কবিতা কেইটাৰ ভিতৰত পাৰ্থ চাংমাইৰ " হে মহা আলোড়ন" কবিতাটি উৎকৃষ্ট হৈছে।
৭। ডাঃ বিকাশ বৰুৱা দেৱৰ "চলচ্চিত্ৰ" জগতৰ সমালোচনাটিও পঢ়ি ভাল লাগিল।

জাতিৰ জীয়া সাহিত্য আৰু সংস্কৃতি বাইজৰ আগত উলিয়াই দিবলৈ "সাময়িকীক" যেন কৃতকাৰ্য্য হয়।

উপেন চন্দ্ৰ বৰা
নগাওঁ

OKDISCD

# শইকীয়া শ্ৰমিক 'প্ৰীতি' নে 'পুতৌ'?

—ভগীৰথ কৰন

মূখ্যমন্ত্ৰী শইকীয়াই ঘোষনা কৰিলে চাহ বনুৱা স্কুলীয়া ছাত্ৰ ছাত্ৰী সকলৰ বাবে সাজ পোচাকক আদি কৰি বিনামূলীয়া কৈ দুপৰীয়া আহাৰৰ ব্যৱস্থা কৰা হৈছে। ঘোষনাটো ব্যাপক ভাবে প্ৰচাৰ কৰা হ'ল। শইকীয়াৰ শ্ৰমিক প্ৰীতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে। কিন্তু কাৰো দৃষ্টি গোচৰ নহল সেই প্ৰীতিৰ নাটকীয় দিশটো। যিটো লক্ষ্য কৰিলে চাহ শ্ৰমিক সকলৰ ব্যাপক সমস্যাৱলীৰ পৰিপ্ৰেক্ষিতত, 'শ্ৰমিক প্ৰীতি' হওক চাৰি 'শ্ৰমিক পুতৌ' হে হয় গৈ।

অসম চৰকাৰে চাহ বাগিছাৰ চিলিং মাটিবোৰ বাগিছাৰ মালিক সকলক ঘূৰাই দিয়াৰ সিদ্ধান্ত লয়। এই উপলক্ষে চৰকাৰে এখন চাৰ কমিটি ও গঠন কৰে। এই সিদ্ধান্তৰ মূলতে হ'ল চাহৰ উৎপাদন বৃদ্ধি কৰা। তাৰ বাবে প্ৰয়োজন অধিক ভূমিৰ। একে সময়তে চাহ শ্ৰমিক সকলৰ কৰুণ পৰিণতিটো লক্ষ্য কৰিব লগীয়া। যি শ্ৰমিক সকলৰ শ্ৰমেই হৈছে অধিক উৎপাদনৰ অন্যতম প্ৰধান চৰ্ত্ত। অধিক উৎপাদন সকলোৱে বিচাৰে। কিন্তু উৎপাদন সাৰ্থকতা যথাৰ্থ বন্টনৰ ওপৰতহে।

চৰকাৰী পৰিসংখ্যা বিভাগৰ মতে ১৯৫৫—৫৬ চনত অসমত চাহখেতি কৰা মুঠ মাটিৰ পৰিমান ১৫৬৭৫০ হেক্টৰ আৰু চাহপাত উৎপন্ন হয় ১৬৭৭ লাখ কিলোগ্ৰাম। ১৯৬৫-৬৬ চনত সেই চাহখেতিৰ মাটি কালি বাঢ়ি হ'ল গৈ ১৭২৩০৫ হেক্টৰ আৰু চাহপাত উৎপন্ন হ'ল ১৮৯২ লাখ কিলোগ্ৰাম। আকৌ, ১৯৭৫-৭৬ চনত মাটিৰ পৰিমান হয় গৈ ১৮৯৩৩৮ হেক্টৰ আৰু চাহ উৎপন্ন হয় ২৭৬৩ লাখ কিলোগ্ৰাম। সেই দৰে ১৯৭৯-৮৩ চনত চাহখেতিৰ মাটি কালি হয় ১৯৯৪৪১ হেক্টৰ আৰু উৎপাদিত চাহপাতৰ পৰিমান ৩০৬৪ লাখ কিলোগ্ৰাম। অন্যহাতেদি, একেই পৰিসংখ্যা বিভাগৰ মতে ১৯৫৫-৫৬ চনত চাহ বাগিছাবোৰত স্থায়ী বনুৱা আছিল ৪৪২০০০ জন। ১৯৬৫-৬৬ চনত হয়গৈ ৪৯০৮৯২ জন, আকৌ ১৮৭৫-৭৬ চনত হ্ৰাস পাই হয় গৈ ৪৩১৭৪৮ জন। সেইদৰে ১৯৭৯-৮০ চনত মুঠ বনুৱাৰ সংখ্যা হয় ৪৪২০০০ জন, অৰ্থাৎ ১৯৫৫-৫৬ চনৰ মুঠ বনুৱা সংখ্যাৰ সমান।

গতিকে, পৰিসংখ্যাৰ পৰা দেখা যায়, ভূমি পৰিমান বাঢ়িছে উৎপাদনো বাঢ়িছে, কিন্তু শ্ৰমিকৰ সংখ্যা বঢ়া নাই। অৰ্থাৎ দীৰ্ঘ দিন ধৰি শ্ৰমিক সকলৰ পৰা অধিক শ্ৰম আদায় কৰি কম খৰচত অধিক মুনাফা ঘটাৰ প্ৰক্ৰিয়া চলিয়েই আহিছে। সেই দৰে শ্ৰমিকৰ উপাৰ্জনো বঢ়া নাই। কিন্তু, শ্ৰমিক পৰিয়ালৰ জনসংখ্যা স্বাভাৱিক ভাবেই বৃদ্ধি পাই আহিছে। গতিকে, এনেক্ষেত্ৰত শ্ৰমিক সকলৰ দুৰাগ্ৰস্ততাই কি জটিল ৰূপ ধাৰণ কৰিব পাৰে সেয়া সহজেই অনুমেয়। কিন্তু চৰকাৰে চাহ বনুৱা সকলৰ সমস্যাৰ সমাধান সূত্ৰ বিচাৰি পালে, চাহ-বনুৱা স্কুলীয়া ছাত্ৰ-ছাত্ৰী সকলৰ জলপানি দিয়া আৰু দুপৰীয়া আহাৰ যোগান ধৰাৰ মাজত। এইবোৰ দিশ শ্ৰমিক সংঘ সমূহৰ দৃষ্টি গোচৰ নহয়, বৰং এইবোৰৰ পৃষ্ঠপোষকতা কৰা বুলিয়েই কব লাগিব।

আইন মতে বনুৱা সকলক বনাচ দিয়া হয় মালিক পক্ষৰ মুঠ লাভৰ ৮.৩৩ শতাংশ। লাভৰ পৰিমান যিমানেই নেবাঢ়ক কিয় বনাচৰ পৰিমান একেই থকা দেখা যায়। আকৌ, সেইখিনি পাবলৈও সময় সময়ে যুঁজ-বাগৰ কৰিবলগা হে হয়। এতিয়া প্ৰশ্ন হল শ্ৰমিক সকলৰ এই দুৰাৱস্থা স্বত্বেও, ১৯৭২ চনৰ চিলিং আইন কাৰ্য্যকৰী হোৱাৰ পাছত যিবোৰ চিলিং অধীকৃত মাটি চাহ শ্ৰমিক সকলক দিয়া হৈছিল, সেই মাটিখিনি পুনৰ মালিক পক্ষলৈ হস্তান্তৰিত কৰাৰ অৰ্থ কি? অধিক উপাদন নে উৎপাদনৰ নামত শোষন?


ভাৰত ৰেষ্টুৰেণ্ট

একমাত্ৰ তৃপ্তিদায়ক ভোজনালয়
( ৰাজ্যিক পৰিবহন নিগম আস্থানৰ কাযত )

গোলাঘাট। অসম


# ৰাজীৱ গান্ধীৰ মেডাচ্ পৰশ

—ব্ৰজকিশোৰ শইকীয়া।



কোনো এক ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ মাজত সেই ৰাষ্ট্ৰৰ আভ্যন্তৰীণ অৱস্থাটোৱে এটা ধাৰাবাহিক ৰূপ দেখিবলৈ পোৱা যায়। এই অৰ্থত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ প্ৰথম বিদেশ ভ্ৰমণ (মে আৰু জুন, ১৯৮৫) আজিৰ ভাৰতীয় ৰাষ্ট্ৰৰ চৰিত্ৰটোৰ সম্যক প্ৰতিফলন বুলিব পাৰি। অৱশ্যে এটা কথা ঠিক যে আভ্যন্তৰীণ অৰ্থাৎ জাতীয় ক্ষেত্ৰত ৰাজনীতিৰ যিদৰে নিজস্ব অন্তৰ্নিহিত বৈশিষ্ট্য আছে, সেইদৰে আন্তৰ্জাতিক ৰাজনীতিৰো আছে নিজা বৈশিষ্ট্য, সমস্যা আৰু ৰূপ; কোনো এক ৰাষ্ট্ৰৰ ভূমিকাও আপাততঃ এই লজিক[২] বাদ দি সক্ৰিয় নহয়।

ভাৰত গোষ্ঠীনিৰপেক্ষ জোটৰ ৰাষ্ট্ৰসমূহৰ মুৰব্বী। ভাৰতৰ প্ৰধানমন্ত্ৰী গোষ্ঠীনিৰপেক্ষ জোটৰ চেয়াৰমেন। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ বিদেশ ভ্ৰমণ—বিশেষকৈ দুই বৃহৎ শক্তিৰ কৰ্ণধাৰ সকলৰ লগত কৰা তেওঁৰ আলোচনা, গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ঘোষিত লক্ষ্য আৰু উদ্দেশ্যবোৰৰ লগত কিমান সংগতিপূৰ্ণ হ'ল সেই সম্পৰ্কত প্ৰতিষ্ঠানিক প্ৰচাৰমাধ্যম আৰু অধিকাংশ সংবাদপত্ৰৰ ক্ষেত্ৰত লক্ষ্য কৰা গ'ল এক বিস্ময়কৰ নিস্তব্ধতা। বৰং ৰাজীৱ গান্ধীৰ ৰাজনৈতিক ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় হৈ পৰা আন্তৰ্জাতিক ভাবমূৰ্ত্তিটো দেখুৱাৰ খোজা হ'ল তেওঁৰ সাৱধানী "শ্ব' মেন্‌শ্বিপ"ৰ বাহ্‌বা দি।

প্ৰধানমন্ত্ৰী গৰাকীয়ে তেওঁৰ সমগ্ৰ ভ্ৰমণকালছোৱা এক ছিদ্ৰহীন নিৰাপত্তামূলক ব্যৱস্থা বা পহৰাৰ মাজত পাৰ কৰিব লগা হ'ল। তাৰ লগে লগে কূটনৈতিক আপ্যায়নৰ হৈ-চৈত পৰিবেশ ৰমনীয় হৈ উঠিল। দেখা গ'ল তৰুণ প্ৰধানমন্ত্ৰীয়ে আধুনিক কূটনীতিৰ প্ৰায়খিনি কায়দা ৰপ্ত কৰিছে প্ৰদৰ্শন কৰিছে কূটনীতিৰ 'ৰাজীৱ ষ্টাইল'। পিছে দেখা পোৱা নগ'ল কোনো তাৎপৰ্যপূৰ্ণ জাতীয় বা আন্তৰ্জাতিক প্ৰশ্নত অৰ্থবহ কূটনৈতিক সাফল্য বা বলীষ্ঠ বক্তব্য, য'ত আছিল নতুনত্ব। শেষত, দেখা গ'ল ছোভিয়েট আৰু মাৰ্কিন—দুয়োটা বৃহৎ শক্তিৰ পৰা একেই গোষ্ঠীনিৰপেক্ষতা, একেই সহযোগিতা, একেই বিশ্বশান্তি আৰু সাম্ৰাজ্যবাদবিৰোধী আশ্বাস।

শান্তিৰ পক্ষে বাঢ়ি অহা বিশ্বজনমতৰ হেঁচা, 'ষ্টাৰ ৱাৰ্চ'ৰ দৰে বিকল্প সমৰ সজ্জাৰ প্ৰচুৰ সম্ভাৱনা, তৃতীয় বিশ্বৰ মাজত সবল হৈ অহা সহযোগিতা[৫], বহুকেন্দ্ৰিক[৬] বিশ্ব অৰ্থনৈতিক ব্যৱস্থাৰ ফলস্বৰূপে সৃষ্টি হোৱা পৰিস্থিতি—ইত্যাদি ঘটনাৰ প্ৰতিক্ৰিয়া হিচাপেই মস্কো-ৱাচিংটনৰ মাজত নিৰস্ত্ৰীকৰণ বা পাৰমানবিক অস্ত্ৰ সীমিতকৰণ বিষয়ক সঘনে হৈ থকা আলাপ আলোচনাবোৰ সাম্প্ৰতিক বিশ্ব ৰাজনীতিৰ


OKDISCD

**কোনো নতুন ঘটনা নহয়; বিৰল ঘটনা হ'ব সেই বিশ্বমতক কাৰ্যকৰী শক্তিলৈ ৰূপান্তৰিত কৰিব পৰা প্ৰকৃত ৰাজনৈতিক তৎপৰতাহে।**

সাম্ৰাজ্যবাদ বিৰোধী বৈপ্লবিক মিত্ৰতাৰ ডোলত তৃতীয় বিশ্বৰ দেশবোৰক বান্ধ খুৱাব পৰা আৰু দ্বিতীয় বিশ্বৰ দেশবোৰক সঠিকভাৱে প্ৰভাৱিত কৰিব পৰা ৰণনৈতিক আশু উদ্যোগৰ অবিহনে বিশ্বৰাজনীতি নিৰ্ভৰশীল হৈ থাকিব দুই বৃহৎ শক্তি আৰু অন্যান্য নবোদিত বিশ্ব অৰ্থনৈতিক শক্তিবোৰৰ ওপৰত; মানুহৰ যুদ্ধ বিভীষিকাগ্ৰস্ত বিকৃত মনস্তত্বক ভেঁটি কৰি যুদ্ধবিৰোধী কূটনৈতিক তৎপৰতাৰ অন্তহীন চাতুৰ্যৰে মানুহৰ ভৱিষ্যতক লৈ অন্তহীন ছলনা আৰু বাস্তৱ যুদ্ধ—এয়ে হ'ব য'ত শেষ কথা।

সাম্ৰাজ্যবাদী শক্তিবোৰৰ মাজৰ বৰ্দ্ধিত দ্বন্দ্ব দৰাচলতে তৃতীয় বিশ্বৰ দেশবোৰৰ বস্তুগত বিকাশ আৰু গণবিক্ষুব্ধতাৰেই ফলশ্ৰুতি, যদিও সাম্ৰাজ্যবাদৰ মৌলিক দুৰ্বলতাবোৰৰ অন্যান্য কাৰণো আছে। তৃতীয় বিশ্বৰ দেশবোৰো আজি আন্তৰ্জাতিক মঞ্চত মাথো পাৰ্শ্ব চৰিত্ৰ নহয়। তথাপিও তৃতীয় বিশ্বৰ দেশবোৰ চূড়ান্ত অৰ্থত সাম্ৰাজ্যবাদৰ কবলৰ পৰা মুক্ত নহয়—জাতীয় অৰ্থনীতিত প্ৰতিষ্ঠিত সাম্ৰাজ্যবাদৰ বিৰাট নিয়ন্ত্ৰণ আৰু বদ্ধমূল ৰক্ষণশীল ৰাজনৈতিক ধ্যানধাৰণাবোৰৰ উপৰিও পৰিবৰ্তিত অৱস্থাৰ লগে লগে খাপ খুৱাই বৈচিত্ৰ্যময় নিত্য নতুন ৰূপ আৰু পদ্ধতিত সাম্ৰাজ্যবাদৰ প্ৰভাৱে আজিও তৃতীয় বিশ্বক তাৰ হাতোঁৰাৰ পৰা এৰি দিয়া নাই। গতিকেই

**দুই বৃহৎ শক্তিকে ধৰি সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ বিশ্ব-ৰাজনীতিত যিদৰে নিজস্ব একক ভূমিকা সাব্যস্ত কৰাৰ শক্তি আছে, তৃতীয় বিশ্বৰ ৰাষ্ট্ৰবোৰৰ কিন্তু কেৱল উমৈহতীয়া ভূমিকা সাব্যস্ত কৰাৰ ক্ষমতাহে আছে। তৃতীয় বিশ্বৰ মাজত এই উপলব্ধি ইতিমধ্যেই এক শক্তিশালী প্ৰক্ৰিয়া হিচাবে গঢ় লৈ উঠিবলৈ আৰম্ভ কৰিছে।**

দ্বিতীয় মহাসমৰৰ পিচত নতুন আন্তৰ্জাতিক পৰিস্থিতিত সাম্ৰাজ্যবাদৰ ৰাজনৈতিক আৰু নব্য ঔপনিবেশিক বিশ্ব পৰি-কল্পনাৰ প্ৰয়োজনৰ আধাৰত বিভিন্ন আন্তৰ্জাতিক শিবিৰ আৰু ঘাঁটিবোৰ সাম্ৰাজ্যবাদৰ ছত্ৰছায়াতে গঢ়ি উঠে।

তাৰ লগে লগে সাম্ৰাজ্যবাদী প্ৰভুত্বৰ লগত থকা তৃতীয় বিশ্বৰ সংঘাতৰ বাস্তৱ আদিভূমিতে গোষ্ঠীনিৰপেক্ষ আন্দোলনৰ দৰে প্ৰৱণতাই গঁজালি মেলে—তাত নেতৃত্ব দিয়ে ভাৰতৰ দৰে ৰাষ্ট্ৰবোৰে, যিবোৰ ৰাষ্ট্ৰৰ থাকে এটি আপাত-স্বাধীন চৰিত্ৰ আৰু এটি আপাত গণতান্ত্ৰিক ঐতিহ্য আৰু আনুষ্ঠানি-কতা। এনে কৌশলী নিৰপেক্ষ প্ৰৱণতাই শেষ বিচাৰত সাম্ৰাজ্যবাদৰ স্বাৰ্থকে সেৱা কৰিবলৈ বাধ্য হয়—কাৰণ ই স্বাভাৱিক সাম্ৰাজ্যবাদ বিৰোধী ধাৰা নহয়। (৭)

সাম্ৰাজ্যবাদী নিয়ন্ত্ৰণ আৰু আধিপত্যবাদ বিৰোধী কাৰ্যসূচী আৰু কিছু পদক্ষেপসহ প্ৰকৃত সাম্ৰাজ্যবাদ বিৰোধী গোষ্ঠী-বদ্ধতা আংশিকভাৱে হলেও সাম্প্ৰতিক কালত তাৎপৰ্যপূৰ্ণ ঘটনা হিচাপে প্ৰত্যক্ষ কৰা যায়। (৮)

ৰেগণ—গৰ্বশ্বকৰ যুদ্ধবিৰোধী ভণ্ডামি আৰু অৰ্থনৈতিক সহযোগিতাৰ বিষাক্ত আলিংগনত গোষ্ঠী নিৰপেক্ষ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ আত্মসমৰ্পণ—আন্তৰ্জাতিক ৰাজনীতিৰ ইও এক ভণ্ডামি।

**পাকিস্তানলৈ মাৰ্কিন সমৰাস্ত্ৰ সৰবৰাহৰ বিষয়টো প্ৰধানমন্ত্ৰীয়ে বিশেষ এজেণ্ডাৰূপে লয়। যদিও মাৰ্কিন প্ৰশাসনে এই বিষয়ত মাৰ্কিন নীতি ক্ষুন্ন হবলৈ নিদিলে, ৰাজীৱ গান্ধীয়েও বৰ তৎপৰতাৰে ভাৰতৰ উদ্বিগ্নতা ব্যক্ত কৰি দেখুৱাবলৈ নাপাহৰিলে।**

ভাৰতবৰ্ষ আৰু পাকিস্তান দুয়োখন ৰাষ্ট্ৰৰ শাসকবৰ্গই যোৱা ৩৮ বছৰ ধৰি বৈদেশিক নীতি বিষয়ক এই কূটনৈতিক অনুষ্ঠানক অৰ্থাৎ ৰাৱ চাইক'চিচ্‌টোক আভ্যন্তৰীণ সংকটৰ বেদিকা বাৰম্বাৰ ব্যৱহাৰ কৰি আহিছে যিটো এহাতেদি সাম্প্ৰদায়িকতাৰো উৎস। দুই ৰাষ্ট্ৰৰ মাজত সৰ্বাংগীন সম্ভাৱ-সম্প্ৰীতিৰ কথা তেওঁলোকে কল্পনাও কৰিব নোৱাৰে। অনান্য প্ৰতিবেশী ৰাষ্ট্ৰৰ লগত সম্পৰ্কৰ বিকাশ ঘটোৱাটোও শাসক-বৰ্গৰ ভিত্তৰুৱা অৱস্থান আৰু চৰিত্ৰৰ পৰিপন্থী। পাকিস্তানত গণতন্ত্ৰ নোহোৱা কৰাৰ উদাহৰণটো দেখুৱাই নিজে কিমান গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ তাক প্ৰমাণ কৰাৰ প্ৰচেষ্টাৰ কথা নকলোৱেইবা! মুঠতে এইবোৰ ঢকাৰ বাবেই পাকিস্তানী প্ৰসংগ অৱতাৰণাৰ এনে আকৰ্ষণীয় কূটনীতিপৰায়ণতাৰ প্ৰয়োজনটো আছে।

'সন্ত্ৰাসবাদ'—'শিখ সন্ত্ৰাসবাদ' বুলি যিটোক চৰকাৰী ভাষ্যত অভিহিত কৰা হৈছে—আৰু ভাৰতৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি বিষয়টোকো খালিস্তান আৰু প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাৰ অজুহাতত আন্তৰ্জাতিক পৰ্যায়লৈ অৰ্থাৎ সমাধানৰ সুদূৰ পৰাহত সীমালৈ





লৈ যোৱাগৈ হ'ল। অথচ তাৰ জন্মদাত্ৰী আমাৰে জাতীয় ৰাজনীতি।

**জাতীয় ঐক্যৰ বাবে কোনটো প্ৰয়োজন: পাঞ্জাৱী ৰাইজৰ মনঃপুত হোৱাকৈ বস্তুগতভাৱে 'পাঞ্জাব সমস্যা'ৰ সমাধান কৰানে, আন্তৰ্জাতিকভাৱে উগ্ৰপন্থীৰ কাৰ্যকলাপৰ নামত শিখ ৰাইজৰ আহত মৰ্যদাক পৰ্যুদস্ত কৰা?** গণমত সাপেক্ষে সমস্যাৰ উৎস-বোৰৰ ক্ষেত্ৰত কাৰ্যকৰী জাতীয় নীতি প্ৰণয়ন কৰা নে আমোলাতান্ত্ৰিক মেজাজত দাবী বা ইছুভিত্তিক বৈঠক কৰি 'এটা মীমাংসাত' আহিবলৈ চেষ্টা চলাই যোৱা? ৰাজীৱৰ ব্যৱসায় বুদ্ধিৰ পিচৰ পদ্ধতিবোৰৰহে প্ৰয়োজন আছে। পাঞ্জাব প্ৰশ্নত তাকে দেখা গ'ল; দেখা গৈছে অসম প্ৰশ্নতো। ৯

মুঠতে সন্ত্ৰাসবাদেই হওক বা খোৱাপানীৰ ভাগবটোৱাৰা কৰাই হওক—ৰাষ্ট্ৰীয় বিকলতাৰ পৰিমাণ বহুগুণে গধুৰ হৈ পৰিছে; সামূহিক চুক্তি বা পেকেজডীলৰ জঞ্জালত গণতান্ত্ৰিক প্ৰক্ৰিয়াবোৰৰ লগতে জাতীয় একাত্মবোধটোও হৈ পৰিছে প্ৰশ্নবোধক।

সমগ্ৰ স্বাধীনোত্তৰ কালছোৱাত বৈদেশিক পুঁজিৰ উপ-যোগী কৰি ধাপে ধাপে প্ৰস্তুত কৰি তোলা পথাৰখন **এতিয়া বহুমুখী লুণ্ঠনৰ বাবে সবাতোকৈ বঢ়িয়া হৈ পৰিছে; বতৰ এতিয়া ফৰকাল। এই ফৰকাল বতৰৰ ৰেঙনী আচাৰ খাই পৰিছে ৰাজীৱৰ বহু-জাতিক ভ্ৰমণকালত সম্পাদিত দ্বিপাক্ষিক চুক্তি-বোৰত।** (১০)

২০০১ চনৰ ৰ'দালিৰ পোহৰত ভাৰতৰ ৭০ কোটি ঋণদায়ৰগ্ৰস্ত জনতাৰ দুখলৈ অনা হৈছে আমাৰ আত্মশক্তিহীন, নিৰ্ভৰশীল, আওগৰীয়া শিল্পায়নৰ প্ৰক্ৰিয়াটোক আধুনিক প্ৰযুক্তি আৰু বিত্তীয় সাহাৰ্য্যৰে ওপচাই দিবলৈ লোলুপ দৃষ্টিৰে প্ৰতীক্ষা কৰি থকা বিদেশী ধৰিয়ালবোৰৰ প্ৰতি-শ্ৰুতি বাণীৰে। (১১)

আধুনিক ভাৰতৰ প্ৰাণশক্তিস্বৰূপ, দ্ৰুত, সুস্থ, গণভিত্তিক শিল্পায়ণৰ সমৰখনত সেনাপতিত্ব বৰণ কৰিবলৈ অক্ষম হোৱা ভাৰতৰ শাসকবৰ্গই এতিয়া তাৰ ৩৮ বছৰীয়া স্ব-বিৰোধীতাৰ ঐতিহ্যটোক বৈধ কৰিবলৈ গৈ নূন্যতম সংস্কাৰ বা প্ৰগতিশীলতাৰ কথাও নোকোৱা হ'ল। নীতিবিবৰ্জিত ব্যৱহাৰিকতা, ৰাজনৈতিক সুবিধাবাদ আৰু মীমাংসাবাদৰ পথ হৈ পৰিল ইয়াৰ মৌলিক পথ।

এয়াই আমাৰ জাতীয় অৱস্থা— এনেকুৱাই তাৰে ধাৰাবাহিকতা স্বৰূপ বৈদেশিকনীতিৰ তথাকথিত 'স্বাধীন সত্বা'।

## [টোকা]

(১) মেডাচ— প্ৰাচীন ৰূপকথাৰ নায়ক; যাৰ স্পৰ্শত যিকোনো বস্তু সোণত পৰিণত হৈছিল বুলি প্ৰবাদ আছে।

(২) লজিক— তৰ্কশাস্ত্ৰ— এই অৰ্থত শব্দটো ইয়াত ব্যৱহাৰ কৰা হোৱা নাই। প্ৰকৃতিৰ অন্তৰ্নিহিত নিয়মেই সমুদ্ৰত জোৱাৰ-ভাঁটাৰ সৃষ্টি কৰে। তথাপি সমুদ্ৰপৃষ্ঠলৈ চাই থাকিলে জোৱাৰ-ভাটা আৰু ঢৌবোৰে 'নিজস্ব' নিয়মতে সক্ৰিয় হৈ সমুদ্ৰপৃষ্ঠ ৰচনা কৰিছে; আৰু প্ৰলয় তথা ভাৰ-সাম্যৰ সৃষ্টি কৰিছে— এনে ব্যাখ্যা পোৱা যায়। আন্ত-ৰ্জাতিক ৰাজনীতিও বোধহয় সমুদ্ৰপৃষ্ঠৰ দৰে কুটিল আৰু ছদ্মবেশী!

(৩) খ মেনশ্বিপ— মস্তণতা আৰু চটকদাৰিতাৰ ব্যৱসায়িক সমন্বয়। পেৰীত অনুষ্ঠিত ভাৰত উৎসৱ আদি ঘটনা উল্লেখ কৰাৰ পৰা বিৰত থকা হ'ল। কাৰণ সেইবোৰে নতুনকৈ একোকে প্ৰমাণ নকৰে।

(৪) তৃতীয়বিশ্ব— বিশ্ব পৰিস্থিতিৰ সৰ্বাপেক্ষা বৈজ্ঞানিক বিচাৰ ৰূপে মাও জে ডং নিৰ্দ্দেশীত তিনিবিশ্ব বিভাজন-তত্ত্ব প্ৰণিধানযোগ্য

ৰুচ-মাৰ্কিন এই দুটা অতি বৃহৎ শক্তিক লৈ প্ৰথম বিশ্ব, পশ্চিম ইউৰোপীয় দেশবোৰ আৰু জাপান আদি অতি চহকী ৰাষ্ট্ৰকেইখনক লৈ দ্বিতীয় বিশ্ব আৰু বাদবাকী সমস্ত দেশেই তৃতীয়বিশ্বৰ অন্তৰ্গত।

(৫) সহযোগিতা— আমাৰ দেশত সাধাৰণ ভাৱে সহ-যোগিতা বুলিলে বুজা যায় দুৰ্ব্বল অৰ্থনীতিৰ ওপৰত

OKDISCD

কৰ্তৃত্ববিস্তাৰ কৰিবলৈ শক্তিশালী কোনো অৰ্থনৈতিক শক্তি বা ৰাষ্ট্ৰৰ অনুসৃত এক অৰ্থনৈতিক প্ৰক্ৰিয়া পিছে তৃতীয় বিশ্বত সম্প্ৰতি সম্পূৰ্ণ সুকীয়া অৰ্থত সহযোগিতাৰ ধাৰণাই বিকাশ লাভ কৰিছে। যেনে—দক্ষিণ — দক্ষিণ সহযোগিতাৰ ধাৰণা। এনে অৰ্থনৈতিক সহযোগিতাই সাম্ৰাজ্যবাদী কৰ্তৃত্বৰ প্ৰত্যাহ্বান জনাব পৰাকৈ অৱস্থান নিৰ্ণয় কৰাৰ ক্ষেত্ৰত তৃতীয় বিশ্বৰ দেশবোৰৰ সমন্বয়সাধনাৰ বেলিকা ৰাজনৈতিক শক্তি হিচাপেই কাম কৰিব পাৰে।

(৬) **বহুকেন্দ্ৰিক বিশ্ব**—অৰ্থনৈতিক কাৰ্য্যকলাপ আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পূৰ্বৰ দ্বিমেৰু (bipolor) বিশিষ্ট অৱস্থাৰ বিপৰীতে সম্প্ৰতি বহুবোৰ কেন্দ্ৰ সমানে গুৰুত্বপূৰ্ণ হৈ পৰিছে। যেনে জাপান, মধ্যপ্ৰাচ্য, পশ্চিমইউৰোপ, লেটিন আৰু মধ্য আমেৰিকা আদি। এনে অৱস্থাই আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছে।

(৭) বিনিয়োগযোগ্য পুঁজি, বাণিজ্য, প্ৰযুক্তি ইত্যাদি

**প্ৰায় প্ৰতিটো বিভাগতে চহকী** সাম্ৰাজ্যবাদী ৰাষ্ট্ৰবোৰৰ চৰ্ত তৃতীয়বিশ্বৰ বাবে একেবাৰে প্ৰতিকূল। অন্যহাতেদি তৃতীয় অৰ্থনৈতিক গাথনিটোৱেই এনে ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল। এনে অৱস্থাত তৃতীয় বিশ্বৰ দেশবোৰৰ মাজত "সমূহীয়া আত্মনিৰ্ভৰশীলতা', অৰ্থনৈতিক সহযোগিতা, পুৰণা। অৰ্থ-নৈতিক ব্যৱস্থাৰ বিপৰীতে 'নতুন অৰ্থনৈতিক ব্যৱস্থা' গঢ়ি তোলা (কানকুন বৈঠক) নতুনদিল্লী আলোচনা-৮২ আদি স্মৰ্ত্তব্য), সম্পদৰ উৎসবোৰ মুক্ত কৰাৰ বাবে জাতীয় পদক্ষেপ লোৱা ইত্যাদি ধ্যান ধাৰণা আৰু বাণিজ্য, প্ৰযুক্তি, মুদ্ৰা, বিত্ত আদি বিষয়ত আঞ্চলিক, আন্তঃআঞ্চলিক বা উপ-আঞ্চলিক স্তৰত তৃতীয়বিশ্বত অৰ্থনৈতিক সহযোগিতাৰ সংগঠন সমূহৰ সংখ্যা আৰু মূল্য বাঢ়ি যোৱাৰ লগে লগে ইয়াৰ হস্তক্ষেপ বৃদ্ধি পাইছে। অৱশ্যে ই প্ৰতিয়াও সামগ্ৰীক বা নিয়ন্ত্ৰক অৱস্থানলৈ যাব পৰা নাই। তৃতীয়-বিশ্বৰ এই বলীষ্ঠ কণ্ঠস্বৰেই একমাত্ৰ আশাৰ দুৰ্গতি। ইয়ে প্ৰকৃত সাম্ৰজ্যবাদ বিৰোধী ধাৰা।

বিপৰীতে ভাৰতবৰ্ষ ক্ৰমশঃ বেছি বেছি কৈ সাম্ৰাজ্য-বাদৰ নাগপাশত বন্দী হৈ পৰিছে।

(৮) বাণিজ্যৰ ক্ষেত্ৰত তৃতীয়বিশ্বৰ পাৰস্পৰিক সহযোগিতা আৰু সম্পৰ্ক উল্লেখযোগ্য ধৰণেৰে বাঢ়িছে। মুদ্ৰা আৰু বিত্ত যোগানৰ ক্ষেত্ৰতো উন্নয়ণ ন্যাস পৰ্যন্ত্য গঢ়ি উঠিছে যাৰ চৰ্তবোৰ আই. এম. এফ. আদিতকৈ বহুগুণে অনুকূল। শ্ৰম আৰু প্ৰযুক্তিগত সহযোগিতাও বাঢ়িছে। অপেক (OPEC)ৰ দৰে সংগঠনবোৰে তৃতীয় বিশ্বৰ স্বাৰ্থত যথেষ্ট অৰিহনা যোগাইছে। এইবোৰৰ পৰিসৰ যদিও আন্তঃ-ৰ্জাতিক বা তেনেপৰ্যায়ৰ হৈ উঠা নাই, এইবোৰে সাম্ৰাজ্য-বাদৰ বিৰুদ্ধে ৰাজনৈতিক অৰ্থনৈতিক সক্ৰিয়তা বৰ্ঢ়োৱাত অৱদান ৰাখিছে।

(৯) কিছুমান দীৰ্ঘদিনীয়া আনুসঙ্গিক দাবি উপযুক্ত অৰ্থাৎ মোটামূটি সুবিধাজনক সময়ত মীমাংসা কৰাটো এখন চৰকাৰ টিকি থকাৰ আৰু বিশ্ব সহযোগিতা অৰ্জন কৰাৰ বাবে অপৰিহাৰ্য্য হৈ উঠে।

(১০) অসমকক্ষ বাণিজ্যিক চৰ্ত ঋণচৰ্তৰ ভিত্তিত ভাৰত চৰকাৰে সম্পাদিত কৰা জাতীয় স্বাৰ্থ বিৰোধী চুক্তিবোৰৰ সবিশেষ দেশবাসীয়ে নাজানে। সেইবোৰ top state secret বা সৰ্বোচ্চ ৰাষ্ট্ৰীয় গোপনীয়তা।

(১১) "তৃতীয় বিশ্বৰ দেশবোৰে অৰ্থনৈতিক স্বাধীনতা আহৰণ কৰিব পৰাকৈ নিজা নিজা জাতীয় অৰ্থনীতিবো বিকাশ সাধন কৰিব লাগিব। ............ অৰ্থনৈতিক স্বাধীনতা-ইহে সাৰ্বভৌমত্বক নিৰাপদ আৰু সুদৃঢ় কৰে"—

ছিং আংহুৱান— চীনৰ আন্তৰ্জাতিক বিশেষজ্ঞ

* *

'সাময়িকী'ৰ এজেন্সি সম্পৰ্কীয়

- ২৫% কমিচন এজেন্সি সমূহৰ।
- ১০ কপিৰ তলত এজেন্সি অনুমোদিত নহয়।
- ১০ কপি বা ততোধিক কপিৰ বাবে কুৰি টকা আমানত ৰাখিব লাগিব।
- ডাক যোগে পঠোৱা V.P.P. গ্ৰহণ নকৰিলে এজেন্সি বাতিল কৰা হ'ব আৰু আমানত ধন বাজেয়াপ্ত কৰা হ'ব

'সাময়িকী'ৰ নিয়মীয়া গ্ৰাহক হওঁক

বছৰেকীয়া গ্ৰাহক বৰঙণি—২২°০০ টকা
(ডাক খৰচ আমিয়ে বহন কৰিম)

অৰ্থনৈতিক প্ৰসঙ্গ

অসম চুক্তি ঃ

# প্ৰত্যাশা আৰু প্ৰাপ্তি

—ভুবনবৰুৱা

অসম চুক্তি সম্পাদনে ৰাজ্যখনৰ সৰ্বত্ৰতে স্বাভাবিকতে সৃষ্টি কৰিছে উল্লাসৰ পয়োভৰ। আন্দোলন সমাপ্তিৰ আনুষ্ঠানিক ঘোষনাই সকলোৰে মনলৈ দীৰ্ঘদিনৰ অস্বস্তিকৰ অৱস্থাৰ অন্তত আনিছে সকাহৰ ভাব। লগে লগে আন্দোলনৰ সতে জড়িত বহুজনৰ মনলৈ নানা প্ৰশ্নও আহিছেঃ কাকতে পত্ৰই সম্পাদিত, সৰৱে ঘোষিত এই চুক্তিয়ে অসমৰ আৰ্থ-সামাজিক জীৱন আচ্ছন্ন কৰি ৰখা সমস্যা সমূহৰ ফলপ্ৰসূ সমাধান ঘটাবনে? দীৰ্ঘদিন শ্ৰম ত্যাগেৰে চলা আন্দোলনৰ বিনিময়ত সদ্য সমাপ্ত চুক্তিয়ে আমাৰ প্ৰত্যাশা কিদৰে পূৰাব? এই চুক্তিয়ে আমাৰ নাৰ্য্য প্ৰাপ্তিৰ পথ কিমানদূৰ প্ৰশস্ত কৰিব? এনেবোৰ প্ৰশ্ন যুক্তিযুক্তভাবেই সকলো সচেতন লোকৰ মনলৈ স্বাভাবিকভাবেই আহিছে। **চুক্তি সম্পাদনৰ হৰ্যোল্লাসত এনেবোৰ প্ৰশ্নৰ সদুত্তৰ, চুক্তিখনৰ সঠিক বিশ্লেষণ আদিৰ দৰে কথাবোৰ সাময়িকভাবে অস্পষ্টতাৰ ঢাকনিয়ে ঢাকি থলেও, ইয়াৰ সঠিক উত্তৰ আৰু তাৎপৰ্য এদিন নহয় এদিন আমি বিচাৰি পাবই লাগিব, অন্যথাই এই চুক্তি হৈ পৰিব অসমবাসীৰ বাবে এটি দুৰ্বোধ্য সাঁথৰ।**

অসম আন্দোলনৰ অন্যতম লক্ষ্য আছিল ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা অবিৰত গতিত অবৈধভাবে হোৱা বিদেশীৰ অনুপ্ৰবেশৰ প্ৰতি দেশবাসীৰ দৃষ্টি আকৰ্ষন কৰি এনে সমস্যাৰ সঠিক ৰাজনৈতিক সমাধান বিচাৰি উলিওৱা। সুদীৰ্ঘ দিন ধৰি হোৱা প্ৰব্ৰজনে ৰাজ্যখনৰ জনসংখ্যা গাঁথনিৰ ওপৰত পেলোৱা প্ৰতিকূল প্ৰভাব সুস্পষ্ট হৈছিল। সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰাত ক্ষুদ্ৰ জাতিসত্বাৰ চৈতন্য উদয় হৈছিল; অস্তিত্ব বিপন্নৰ আশংকাত সকলো থলুৱা জনগোষ্ঠী সন্ত্ৰস্ত হৈ উঠিছিল। এনে ধৰনৰ বিপন্নতাৰ আশংকাতে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ, আঠৰ পৰা আশীবছৰীয়ালৈকে বিভিন্ন সম্প্ৰদায়ৰ লোকক আন্দোলনে উদ্বুদ্ধ কৰি আবেগিকভাবে জড়িত কৰিছিল; সেয়ে আছিল ইয়াত এনে স্বতঃস্ফুৰ্ত অংশগ্ৰহনৰ মূল কাৰণ। চুক্তি সম্পাদন, আন্দোলন সমাপ্তি ঘোষণা, নেতৃত্বৰ বিপুল সম্বৰ্দ্ধনা আদিৰ ফাঁকে ফাঁকেও বহুজনৰ মনত দ্বিধা, সন্দেহ, সংশয়ৰ ভাব সৃষ্টি নকৰাকৈ থকা নাই। তাৰ আভাস পাইছিলোঁ, চুক্তি সম্পাদনৰ হৰ্যোল্লাস চলি থকা সময়ত লগ পোৱা এগৰাকী আন্দোলন সমৰ্থক বয়োবৃদ্ধ শিক্ষকৰ সৰল প্ৰশ্নত **"সচাকৈয়ে বিদেশী নাগৰিকবোৰ খেদিব পৰা যাবনে? অসমৰ মাটিৰ পৰা বিদেশীৰ ভাৰ কমিবনে? এই সহজ প্ৰশ্নটোৰ উত্তৰ দিব নোৱাৰি থমকি ৰৈছিলো আৰু হয়তো ৰ'ব লাগিব বহুদিনলৈ। কাৰণ এই উত্তৰ লীন হৈ আছে ভবিষ্যতৰ গৰ্ভত।** বহুবন্দিত, বিপুলভাবে সম্বৰ্দ্ধিত চুক্তিৰ পাছতো সমুখত ভবিষ্যত ধূসৰ, অস্পষ্ট, সন্দেহ সংশয়ে ঘেৰা। অৱশ্যে তাৰ যুক্তিযুক্ত কাৰণো নথকা নহয়। বিদেশী নাগৰিকৰ সমস্যাটো যাইকৈ ৰাজনৈতিক; ইয়াৰ সমাধানো নিৰ্ভৰ কৰিছে ৰাজনৈতিক ইচ্ছাৰ ওপৰত। কিন্তু এনে এটি সমস্যাই আৰ্থসামাজিক জীৱনো বিপদাপন্ন কৰিছে। সেয়েহে হোধকৰো অসম চুক্তিত সাংবিধানিক ৰক্ষণাবেক্ষণ, অৰ্থনৈতিক উন্নয়ন আদিৰ দৰে কথাবোৰ সোমাই পৰিছে। চুক্তিখনৰ ৰাজনৈতিক তাৎপৰ্য ব্যাখ্যা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়; ইয়াত চমুকৈ বিশ্লেষন কৰিব খোজা হৈছে অৰ্থ-নৈতিক দিশটোৰ কথাহে। অসমচুক্তিৰ অৰ্থনৈতিক প্যাকেজ (Economic Package) ইতিমধ্যে বহুলভাবে প্ৰচাৰিত হৈ সৰ্বজনজ্ঞাত হৈছে। এই প্যাকেজটোৱে অসমৰ মৌলিক সমস্যা সমাধানত কিদৰে সহায় কৰিব তাৰ বিশ্লেষনহে আলোচনাৰ থাই উদ্দেশ্য।

অসমচুক্তিত কেন্দ্ৰীয় চৰকাৰে অসমৰ দ্ৰুত আৰু সৰ্বাঙ্গীন উন্নয়নৰ প্ৰতিশ্ৰুতি ঘোষনা কৰিছে আৰু ইয়াত সন্নিবিষ্ট কৰা প্যাকেজটোত আছে ৰাজ্যখনৰ উদ্যোগিক আৰু শৈক্ষিক বিকাশৰ বাবে নিয়োক্ত ধৰণৰ আচঁনি: (ক) ব্যক্তিগতখণ্ডত তেলশোধ-নাগাৰ পতাৰ বাবে আনুষ্ঠানিক আৰু বিত্তীয় সাহায্যৰ আশ্বাস (খ) অশোক কাগজকল আৰু মৰাপাটকল পুনৰ মুকলি কৰিবলৈ ৰাজ্য চৰকাৰে চলোৱা প্ৰয়াসত কেন্দ্ৰৰ সকলো প্ৰকাৰৰ সাহায্য আৰু (গ) অসমত এটি প্ৰযুক্তি বিদ্যাৰ উচ্চানুষ্ঠান (I. I. T) স্থাপন।

অসমৰ অৰ্থনৈতিক উন্নতি কল্পে চুক্তিখনত যিবোৰ দফা সন্নিবিষ্ট কৰা হৈছে সেইবোৰে প্ৰকৃতাৰ্থত ৰাজ্যখনৰ অৰ্থনীতিক কি দৰে উপকৃত কৰিব সেই সম্পৰ্কে কিছু মতভেদ ইতিমধ্যে প্ৰকাশ পাইছে। যিটো অৰ্থনৈতিক প্যাকেজ এই গুৰুত্বপূৰ্ণ চুক্তি খনত সোমোৱা হৈছে তাত সন্তুষ্টি লভাৰো কাৰণ নাই।

OKDSCD

**ব্যক্তিগত খণ্ডত তেলশোধনাগাৰ এটি, দুটামান মৰণমুখী উদ্যোগক পুনৰুজ্জীবিতকৰণ নাইবা আই, আই, টিৰ, দৰে প্ৰযুক্তি বিদ্যাৰ অনুষ্ঠান এটা পাতিলেই যুগ যুগ ধৰি অৰ্থনৈতিক সংকটত ভোগা উপনিবেশিক শোষন কবলিত এই ৰাজ্যখনৰ সমস্যাৰ জঁট মৰিবনে? অসমৰ দৰে কৃষিনিৰ্ভৰ ৰাজ্যৰ প্ৰকৃত সমস্যাৰ ধৰণ-কৰণ ভিন্নপ্ৰকাৰৰ।** অসম চুক্তিৰ অৰ্থনৈতিক প্যাকেজে তাক স্পৰ্শ কৰিব পৰা নাই বুলিলে বোধকৰো অত্যুক্তি ন'হব। অসম আন্দোলনৰ অন্যতম ইতিবাচক দিশটো আছিল ৰাজ্যখনৰ উপনিবেশিক শোষন সম্পৰ্কীয় নানা তথ্য আৰু তত্বৰ উদঘাটন। ক্ষুদ্ৰ জাতি-সত্তাৰ সংকটৰ লগে লগে অৰ্থনৈতিক শোষনৰ জ্বল্‌জ্বল্ পট্‌পট্ উদাহৰণবোৰ সৰ্বজনৰ দৃষ্টিগোচৰ হৈছিল। আন্দোলন সমাপ্তিৰ সময়ত এনেবোৰ সমস্যা সমাধানৰ বাট মুকলি হ'ব বুলিয়েই সকলোৰে মনত গভীৰ প্ৰত্যাশাৰ ভাব জন্মিছিল, পিছে তেনে প্ৰাপ্তিৰ কিবা সঠিক ইংগিত অসম চুক্তিয়ে প্ৰকৃতাৰ্থত দিব পাৰিলেনে? সন্দেহ নাই, অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি ঘোষণা কৰিছে, পিছে সঠিকভাবে ৰূপায়িত নহলে প্ৰাপ্তিৰ ঘৰ শুণ্যতে আবদ্ধ হৈ ৰব।

অৰ্থনৈতিক প্যাকেজটো অলপ জুকিয়াই চাব খুজিছো। অসমত প্ৰাপ্ত খাৰুৱাতেল ব্যৱহাৰ কৰি এটি নতুন শোধনাগাৰ পতাৰ দাবী নতুন নহয়, যদিও এনেবোৰ ক্ষেত্ৰত কেন্দ্ৰৰ দৃষ্টি-ভংগী অনুদাৰ, অবিচাৰৰ। কেন্দ্ৰীয় খণ্ডৰ উদ্যোগ আঁচনি বঞ্চিত অসমে নিজ ৰাজ্যত প্ৰাপ্ত খাৰুৱাতেলৰ অৱলম্বনত ন্যায্যভাবে পাবলগীয়া শোধনাগাৰৰ ক্ষেত্ৰতো আন্দোলন কৰিহে দাবী প্ৰতিপন্ন কৰিব লগা হৈ আহিছে। অসমক ন্যায্যপ্ৰাপ্তিৰ পৰা বঞ্চিত কৰিবলৈ বিশেষজ্ঞৰ মতো উপেক্ষিত হয়, তাৰ প্ৰমান আছে খোদ লোকসভা কমিটিৰ প্ৰতিবেদনত। তাহানি অসমৰ খাৰুৱাতেলেৰে বিহাৰৰ বাৰাউনিত শোধনাগাৰ পতাৰ কথাৰ এই কমিটিয়ে স্পষ্ট ভাবেই মন্তব্য দিছিল **"সেইটো আছিল এটা ভুল সিদ্ধান্ত। বিশেষজ্ঞ কমিটিৰ প্ৰতিবেদন উপেক্ষি নীতি নিৰ্ধাৰক সকলে লোৱা এনে এক সিদ্ধান্তই অনাৱশ্যক খৰছ বৃদ্ধি কৰিছে।"**

অসমত বছৰি উৎপাদিত ৫ নিযুত টনৰো অধিক খাৰুৱা তেলৰ ২.৩০ নিযুত টনহে ৰাজ্যৰ তিনিটা শোধনাগাৰত শোধিত হয়, বাকী ৩.১ নিযুত টন যায় বিহাৰৰ বাৰাউনি শোধনাগাৰলৈ। গতিকে তাৰ পৰা উৎপাদিত অৰ্থনৈতিক সুফল ভোগ কৰে আন ৰাজ্যই। সৰ্বভাৰতীয় বহল দৃষ্টিভঙ্গীৰ যুক্তিত আমি এনে বঞ্চনা নিৰ্বিবাদে সহি আছোঁ। বৰ্তমান অসমত তেল উদঘাটন আৰু প্ৰাপ্তিৰ উজ্জ্বল সম্ভাবনাই ৰাজ্যখনৰ তেলপথাৰৰ সমীপৱৰ্ত্তী অঞ্চলত অধিক ক্ষমতাসম্পন্ন শোধনাগাৰ এটা ৰাজহুৱা খণ্ডত স্থাপনৰ দাবী যুক্তিযুক্তভাবেই উঠিছে। গতিকে অসমচুক্তি অবিহনেও কেন্দ্ৰীয় চৰকাৰে অসমত এটি নতুন শোধনাগাৰ পতাৰ দাবী মানি লব লাগিলহেঁতেন। সেয়েহে চুক্তিত উন্নয়নৰ নামত এটি নতুন শোধনাগাৰক অন্তৰ্ভুক্তিত অকাৰণ হৰ্ষৰ যুক্তি নেদেখো, কাৰণ এইটো আমাৰ লেখদেখকৈ ন্যায্য প্ৰাপ্তি।

অসমচুক্তিত নতুন শোধনাগাৰ পতা প্ৰস্তাবৰ যিটো দিশে দৃষ্টি আকৰ্ষণ কৰে, সেইটো হ'ল এই উদ্দেশ্যৰে ব্যক্তিগত খণ্ডক দিব খোজা আনুষ্ঠানিক আৰু বিত্তীয় সাহাৰ্য্য। পোল-পটিয়া অৰ্থত অসমত ব্যক্তিগত খণ্ডইহে নতুন শোধনাগাৰটো পাতিব, আৰু এনে এটি সিদ্ধান্ত ১৯৫৬ চনত গৃহীত ঔদ্যোগীক নীতিৰ বিপৰীত ধৰ্মী ব্যৱস্থা। ইতিমধ্যে ৰাষ্ট্ৰীয়ভাৱে পৰিচালিত অ এন জি চি, অইল ইণ্ডিয়া আদিৰ দৰে অনুষ্ঠানে তেল অন্বেষণ, উদঘাটনৰ ক্ষেত্ৰত যথোচিত কৃতিত্ব দেখুৱাইছে; তেনে স্থলতো তেলখণ্ডলৈ ব্যক্তিগত খণ্ডক আমন্ত্ৰণ কৰাটো এটি ৰহস্যজনক কথা যেনহে লাগে। সাৰ্থকভাৱে পৰিচালিত নীতি এটা হঠাতে সলনি কৰিব খোজা সিদ্ধান্তই সাধাৰণ তৰপৰ লোকৰ মনত বিভ্ৰান্তিৰ সৃষ্টি নকৰাকৈ নাথাকিব। তেলখণ্ডলৈ ব্যক্তিগত খণ্ডক আনিব খোজা সিদ্ধান্তই মনলৈ অনা দুটামান কথা এই প্ৰসংগতে উল্লেখযোগ্য।

অসমৰদৰে ৰাজ্যত স্থানীয় উদ্যোগীৰ পুঁজি বিনিয়োগ নাইবা ৰাজ্য চৰকাৰৰ প্ৰয়াসত শোধনাগাৰ এটি পতাতো অসম্ভৱ কথা, গতিকে এই উদ্দেশ্যৰে ৰাজ্যৰ বাহিৰৰ পৰাহে পুঁজিপতি আহিব লাগিব। **সবাতোকৈ বিপদসূচক কথাটো হব যদিহে বহুজাতিক কোম্পানীবোৰক [Multi-national Companies) অসমৰ দৰে ৰাজ্যত বিনিয়োগ কৰিবলৈ দিয়া হয়, কাৰণ দেশৰ সীমান্তত এটি স্পৰ্শকাতৰ অঞ্চললৈ এনে মূলধনৰ অনুপ্ৰৱেশে নতুন সমস্যাৰ উদ্ভৱ কৰাৰ আশংকা নুই কৰিব নোৱাৰি।** তেতিয়া অসমৰ সম্পদৰ উপনিবেশিক শোষণ



অধিক সংগঠিতভাবে **সুতীব্ৰ গতিত** হ'ব আৰু তাৰ অৱশ্যম্ভাবী ফলত স্থানীয় অৰ্থনীতি বিপদাপন্নহে হৈ পৰিব বুলি সন্দেহ ওপজে।

অভিজ্ঞতাই দেখুৱায় যে দেশীয় পুঁজিপতি সকলো মূলতঃ মুনাফাকেন্দ্ৰিক মনোভাবেৰেহে চালিত গতিকে স্থানীয় অৰ্থনীতি আৰু থলুৱা স্বাৰ্থ উপযুক্ত ভাবে সংৰক্ষিত কৰিব নোৱাৰিলে বৃহৎ উদ্যোগেৰে উন্নয়ন দ্ৰুত কৰাৰ উদ্দেশ্যই অৰ্থহীন হ'ব। এই বিষয়ত আমাৰ অতীত অভিজ্ঞতা মুঠেই সুখময় নহয়। উদ্যোগ আদিৰ সাধাৰণ চাকৰি-বাকৰিৰ ক্ষেত্ৰতো স্থানীয় ভাবে প্ৰাপ্ত অৰ্হতা সম্পন্ন লোক সকলো সততে বঞ্চিত হোৱাৰ অসংখ্য উদাহৰণ চৰকাৰী নথিপত্ৰতে আছে। অসম বিধান সভাৰ নিয়োগ পৰ্যালোচনা সমিতিৰ প্ৰতিবেদনমতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ব্যক্তি-গত খণ্ডৰ উদ্যোগবোৰত নিম্নস্তৰৰ চাকৰি-বাকৰিতে ৫৯ শতাংশ লোক অসমৰ বাহিৰৰ পৰা মকৰল কৰাৰ তথ্য উল্লেখ আছে। নতুনকৈ পাতিব খোজা শোধনাগাৰত থলুৱাস্বাৰ্থ সুৰক্ষিত কৰাৰ দিহা কৰিব নোৱাৰিলে প্ৰতিশ্ৰুত আঁচনিয়ে কোনো সুফল আনিব নোৱাৰিব।

**অসমত বহিৰাগত পুঁজিপতি সকলেকৰা বিনিয়োগৰ অশুভ দিশটো হ'ল ইয়াত উৎপাদিত আয়ৰ পুৰ্নবি-নিয়োগৰ (Re Investment) প্ৰয়াস নাই। ৰাজ্য-খনৰ আয়, উৎপাদন, কেঁচামাল নানা সুৰুঙাৰে অবিৰতভাবে বাহিৰলৈ গৈ আছে।** ঠিকাদাৰৰ আয়, বিনিয়োগকাৰীৰ মুনাফা, যোগানকাৰীৰ উপাৰ্জন ইত্যাদি ভাৱেই উদাহৰণ। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰ অসমৰ প্ৰতি সদয় হৈ উঠিছে আৰু ৰাজ্যখনত বিনিয়োগৰ পৰিমাণ বঢ়াবলৈ অধিক ধনৰ প্ৰতিশ্ৰুতি আৰু মঞ্জুৰী দিছে। ৰাজ্যৰ সপ্তম পৰিকল্পনাৰ বাবে বিনিয়োগ মঞ্জুৰী ষষ্ঠ পৰিকল্পনাৰ ১১৫০ কোটি টকাৰ পৰা ৮৮% বঢ়াই ২১০০ কোটি টকা ধাৰ্য্য কৰিছে। একেদৰে অষ্টম বিত্ত আয়োগেও অহা পাঁচবছৰৰ বাবে কৰৰ ভাগ আৰু সাহায্যমুলক অনুদান হিচাপে ১৬০৭ কোটি টকা মঞ্জুৰ কৰিছে। সন্দেহ নাই এইবোৰ অসমক অতীতত কৰা বঞ্চনা তথা অবিচাৰ সংশোধনৰ পদক্ষেপ। পিছে বিনিয়োগ আঁচনি সঠিক ভাবে চিহ্নিত নহ'ল, পুনৰ্বিনিয়োগৰ ব্যৱস্থা নাথাকিলে, নানা সুৰুঙাৰে বৰ্ধিতভাবে এই ধন বাহিৰলৈ ওলাই যাব। এনেবোৰ দিশত সঠিক মনোনিবেশ কৰিলেহে ৰাজ্যিক অৰ্থ নীতি আৰু থলুৱা লোক উপকৃত হ'ব। গতিকে ব্যক্তিগত খণ্ডত বহিৰাগত পুঁজিপতিৰ মুনাফালোভী বিনিয়োগেৰে অসমত এটা নতুন শোধনাগাৰ পাতিলেই ৰাজ্যখনৰ ক্ৰমাৎ গুৰুতৰ ৰূপ লোৱা দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাৰ উপশম হ'বনে? এনে এটি প্ৰক্ৰিয়াই অসমৰ সম্পদ শোষণৰ নতুন বাট মুকলি কৰি দিয়াৰ সম্ভাৱনাও সুস্পষ্ট। যি আছুৱে এদিন অসমৰ চাহ উদ্যোগৰ ৰাষ্ট্ৰীয়কৰণৰো দাবী তুলিছিল, তেনে এটি সংগঠনে কি যুক্তিত এনে এটি প্ৰস্তাৱ মানি ল'লে সেইটোহে আশ্চৰ্যৰ বিষয়। অসমত নতুন নতুন উদ্যোগ হোৱাটো সকলোৰে কাম্য; পিছে কেৱল উদ্যোগৰ খাতিৰত উদ্যোগপতি তাৰে বহিৰাগত পুঁজিপতিক শোষণৰ দুৱাৰখন খুলি দিয়াতো কিমান যুক্তিসংগত সেই বিষয়ে প্ৰশ্নোদয় হয়। এইবোৰ দিশত সঠিক ভাবে পৰিচালিত নীতি নাইবা চিন্তাৰ অভাৱে ভৱিষ্যতক অধিক বিপদাপন্নহে কৰিব।

**অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু কেন্দ্ৰীয় চৰকাৰৰ উদাৰতাৰ বলত ৰাজ্যত বিনিয়োগৰ পৰিমাণ যিদৰে বাঢ়িব তাৰ সম্পূৰ্ণ সুযোগ ল'বলৈ হ'লে মনোনিবেশ কৰিব লগীয়া আন এটি বিষয় হ'ল মানবীয় শক্তি সম্পৰ্কীয় পৰিকল্পনা [Manpower planning] আচনিত গুৰুত্বদান** এই ক্ষেত্ৰত আঁচনিৰ অভাব কৰুণভাবে স্পষ্ট। আনকি ৰাজ্য চৰকাৰৰ নীতি নিৰ্দেশনাও দিক্‌বিদিক্ শূন্য। ফলত অসমৰ উদ্যোগ খণ্ডৰ চাকৰি-বাকৰিৰ সুবিধা লৈছেহি দেশৰ বিভিন্ন অংশৰ পৰা অহা লোকেহে। অসমত আই, আই, টিৰ দৰে প্ৰযুক্তি বিদ্যাৰ উচ্চ অনুষ্ঠান পাতি প্ৰযুক্তি কৌশল সম্পৰ্কীয় জ্ঞান বিস্তাৰ কৰাৰ আৱশ্যক নিশ্চয় আছে; কিন্তু এনে কথাই সমস্যাৰ কিয়দাংশহে স্পৰ্শ কৰিব। অসমৰ অসংখ্য বৃত্তিধাৰী লোক——যি সকলে নানাবিধ ঘৰুৱা উদ্যোগত যি পৰম্পৰাগত উৎপাদন কৌশলেৰে কামকাজ চলাই আছে তেওঁ লোকৰ উৎপাদিকা শক্তি, যোগ্যতা, প্ৰতিযোগিতামূলক মনোভাৱ আদি বঢ়োৱাৰ উপায়ো উলিয়াব লাগিব। তাকে কৰিব পাৰিলেহে থলুৱা কুটিৰ আৰু ক্ষুদ্ৰ উদ্যোগী সকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ গুণগত মান বৃদ্ধি পাব আৰু সেইবোৰে প্ৰতিযোগিতা-মূলক বজাৰত তিষ্ঠিব পাৰিব। এনেবোৰ উদ্যোগীয়ে সন্মুখীন হোৱা বজাৰ, কেচামাল ইত্যাদিৰ দৰে সমস্যাৰো উপযুক্ত সমাধান হ'ব লাগে। সেয়ে নহ'লে অসমৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ উন্নতি সাধনৰ লক্ষ্য কাকতৰ পাততে ৰব। **গতিকে অসমত প্ৰযুক্তিবিদ্যাৰ উচ্চানুষ্ঠান পতাৰ**

(২৬ পৃষ্ঠাত চাওক)

OKDISCD

# কবিতা

## প্ৰভাতৰ সূৰ্য্য

মূলঃ হো-চি-মিন্
অনুঃ ড° চন্দ্ৰ কটকী

প্ৰভাতৰ সূৰ্য্যই ৱাট উলিয়াই—
জেলৰ মাজলৈকে সোমাই আহি
ধোঁৱা আৰু কুৱলী মছি দিয়ে।
জীৱনৰ স্পন্দনেৰে হঠাৎ আকাশ
মুখৰিত হৈ পৰে, আৰু
বন্দীবিলাকৰ মুখ হাঁহিৰে ভৰি পৰে।

## জন্ম

মূলঃ পাবলো নেৰুদা
অনুঃ যতীন বৰগোহাঞি

এই ঠাইত মোৰ কোনো কথা কোৱাৰ
প্ৰয়োজন নাই। সকলোকে—
বতৰ আৰু প্ৰকৃতিয়ে গ্ৰাস কৰে।
জোন সাতুৰি ঘূৰি আহে,
ৰূপালী পোহৰ ঢালে,
ঢৌ বোৰে আন্ধাৰক বাৰে বাৰে—
হানে কৰাঘাত। প্ৰতিদিনে— ,
সমুদ্ৰৰ শীৰ্ষত পাখি মেলি বেলিৰ জন্ম হয়
আৰু সকলো পুৱাৰ দৰে নীলা হয়।

[ Fully Empowered সংকলনৰ পৰা Nace কবিতাৰ অনুবাদ। ]





## আন্তৰিকতা

—ৰঞ্জন বৰুৱা

জেপত পইছা কম আছিল।
দুটকীয়া এখন অভিনন্দন পত্ৰ
কিনি দি আহিলো ছোৱালী জনীক।
দুদিন পাছত দেখিলো
নিয়ঁৰত সেমেকা চোতালত মোৰ অন্তৰখন পৰি গৈছে।

## খুলি গ'ল সৰগৰ দুৱাৰ

—নীৰেণ ঠাকুৰীয়া

শৰতৰ সুৱাসিত জোনাকত
কণমানি দুটি ল'ৰা-ছোৱালী
নাচি আছে আপোন-পাহৰি
পাহাৰী জুৰিৰ দৰে খিলখিল হাঁহি,
মৌপিয়া চৰাইৰ দৰে সৰল গান
চৰাইৰ ডেউকাৰ দৰে আলসুৱা নাচ
সেই হাঁহিত নিজান গাঁৱখনে হাঁহিছে আজি
পাট-গাভৰুৰ হাঁহি
সেই গানে জোকাৰি গৈছে
চহৰৰ কঠুৱা হিয়া
চুইছে নিজম ৰাতিৰ আকাশ
সেই নাচে বাৰে বাৰে আঁজোৰি আছে
সৰগৰ বিস্মিত দুৱাৰ
সৰগৰ দুৱাৰ
যি দুৱাৰ মুকলিৰ বাবে
কৰিছো পোহৰৰ অভিযান
কবিতাক কৰিছো সাৰথি
ওঁঠত তুলি দিছো পাঞ্চজন্য
আজিচোন খুলি গ'ল সেই আলোকময় দুৱাৰ
গোলাপ কলি যেন সিহঁতৰ মুখত
জিলিকি উঠিছে একো একোখন স্বৰ্গ !!

# কবিতা

## গান্তপ্ৰবাদ

—পাৰ্থ চাংমাই

অখণ্ডতাক চিৰাচিৰ কৰি
বুৰঞ্জীৰ সীমান্তত ঠিয় দিছে বাস্তুহাৰা সময়
কোলাত সদ্য প্ৰসৱ সন্তুৱা এটা জাতি

আকৈশোৰীয় চঞ্চলতাৰ যৱনিকাত
পৌৰুষগভীৰ যুক্তিৰ সূচনা থমকিছে
নিশ্চয়তাৰ ঠিকনা বিচাৰি

কপিলিপৰীয়া মানুহৰ হাড়ত '৮৩ৰ ইতিহাস
বিপৰ্য্যস্ত তেজত ক্লান্ত গহপুৰ
শ্বহীদৰ এপিটাফ্ বুকুত বান্ধি নীৰৱ লুইতৰ লোটক্

অনিশ্চয়তাৰ ধুমুহাত হালে-জালে জাতিৰ ভৱিষ্যত
তথাপিও
ভ্ৰান্তি আৰু মোহৰ কুঁৱলীত এতিয়া এডিঙি ৰ'দ
কুঁৱলীৰ ছাঁত ৰ'দৰ বংসনা আন্ধাৰ লৈ জুপি আছে
প্ৰাচীন ঘাটক

প্ৰসৱ বেদনা মৃত্যুৰ দৰেই নিৰ্মম
আৰু অতীতৰ তিক্ততা কেনেকৈ মচিবা
আকণ্ঠ আশাত ডুবি আকৌ টেণ্টেলাচ্ কোন জাতি ?

একবিংশ শতিকা—দূৰ—বহুদূৰ
এই শতিকাৰ ধূলি বালি লৈ ঠিয়দঙা দিয়ক
সদ্যজাত চেতনাৰ ন-প্ৰজন্মই
কান্ধত তুলি লওঁক নিজৰ আক্ৰান্তভাগ্য ॥

OKDISCD

বিতৰ্ক ঃ

## “বেলি মাৰ গ’ল”ঃ

# অসম বুৰঞ্জীৰ ৰচনাত সাম্প্ৰদায়িকতাৰ সূৰ্যোদয়

—লক্ষ্মীনাথ তামুলী

[অসমৰ ইতিহাসত আহোম ৰাজতন্ত্ৰৰ অভ্যুদয় যি দৰে এক অভিনৱ ঘটনা, সেইদৰে আহোম ৰাজতন্ত্ৰৰ পতনৰ ঘটনাও এক জটিল ৰাজনৈতিক প্ৰসঙ্গ। বিষয় বস্তুৰ এই জটিলতাৰ কাৰণেই বোধকৰো উক্ত প্ৰসংগটোৰ ওপৰত বিভিন্ন চিন্তাশীল ব্যক্তিয়ে আলোকপাত কৰিছে বিভিন্ন দৃষ্টিকোণৰ পৰা। কিন্তু, এনে ধৰণৰ যি কোনো জটিল প্ৰসংগৰ ক্ষেত্ৰত এক সুস্থ সিদ্ধান্তত অহাটো সম্ভৱ হয় মুক্ত বিতৰ্কৰ মাজেদি। এই সত্যক ভিত্তি কৰিয়েই কৰিয়েই ডঃ লীলা গগৈ প্ৰণীত “বেলি মাৰ গ’ল” কিতাপখনৰ আধাৰত যুগুত কৰা উক্ত বিতৰ্কমূলক প্ৰবন্ধটো প্ৰকাশ কৰাৰ লগতে সকলো চিন্তাশীল ব্যক্তিকে আদি কৰি সচেতন পাঠক পাঠিকাৰ পৰা প্ৰবন্ধটোৰ ওপৰত মুকলি বিতৰ্ক আহবান কৰা হ’ল। স. সা.]

ইতিহাস ৰচনাৰ বাবে তথ্যৰ (facts) অপৰিহাৰ্যতা অনস্বীকাৰ্য যদিও তথ্যসৰ্বস্ব ইতিহাসৰ প্ৰতি থকা সনাতন সমাদৰ প্ৰায় এক শতিকাৰো পূৰ্বেই লোপ পাইছে। পূৰ্বৰ তথ্যসৰ্বস্বতাৰ ঠাইত আধুনিক ইতিহাস বক্তব্য-প্ৰধান (content) তথ্যৰ সাৰ্বভৌমত্বক খৰ্ব কৰি দিয়াত ইতিহাসত ‘ইতিহাসৰ দৰ্শন’ৰ উদ্ভাৱন, সংযোজন আৰু সমাদৰেই প্ৰধান ক্ৰীড়নক। তথ্য,—অৰ্থাৎ ঐতিহাসিক তথ্য আজি কেৱল বক্তব্যৰ সহায়কাৰীত পৰিণত হৈছে। ফৰাচী লেখক-চিন্তাবিদ ভলটেয়াৰে (voltaire, 1694-1778) সৰ্বপ্ৰথমে ‘ইতিহাসৰ দৰ্শন’ (Philosophy of History) উদ্ভাৱন কৰিলেও জাৰ্মান দাৰ্শনিক হেগেলৰ (G.W.F. Hegel 1770-1831) চিন্তা আৰু ৰচনাতহে ই এক স্বতন্ত্ৰ বিষয়-বস্তু হৈ পৰিল। পিচলৈ মাৰ্ক্স আৰু তেখেতৰ অনুগামী সকলে বিষয়টোৰ পূৰ্ণাঙ্গ আৰু আধুনিক ৰূপ দান কৰে।

বাস কৰা সমাজ সম্পৰ্কে থকা ঐতিহাসিকৰ মৌলিক দৃষ্টিভঙ্গীয়েই সেই ঐতিহাসিকৰ ৰচিত ইতিহাসৰ বক্তব্যৰ চৰিত্ৰও নিৰ্ণয় কৰে। এই দৃষ্টিভঙ্গীও আকৌ ঐতিহাসিক গৰাকীৰ সামাজিক-ঐতিহাসিক পৰিৱেশেহে গঢ় দিয়ে। সেয়ে ইতিহাস অধ্যয়ন কৰাৰ আগেয়ে ঐতিহাসিক গৰাকীৰ পৰিচয়, আৰু সৰ্বোপৰি তেখেতৰ সামাজিক আৰু ঐতিহাসিক পৰিৱেশ সম্পৰ্কে জ্ঞান থকা বাঞ্চনীয়। সেয়ে নহলে ঐতিহাসিক গৰাকীৰ বক্তব্য চিনাক্ত কৰিব পাৰিলেও তাৰ অন্তৰ্নিহিত তাৎপৰ্য বোধগম্য নোহোৱাকৈয়ো থাকিব পাৰে। সমসাময়িক পৰিৱেশ আৰু পৰিস্থিতিত অধিক ভাবে নিমৰ্জিত ঐতিহাসিকৰ ৰচনাত তেখেতে লিখিবলৈ লোৱা ঐতিহাসিক সময়ৰ দৃষ্টিভঙ্গীতকৈয়ো ঐতিহাসিক গৰাকীৰ সমসাময়িক দৃষ্টিভঙ্গীহে অধিক ৰূপত প্ৰতিফলিত হোৱা দেখা যায়।

**ব্যক্তি হিচাবে ঐতিহাসিকজনো ইতিহাস আৰু সমাজৰে সৃষ্টি, আৰু তেখেতৰ ধ্যান-ধাৰণা আৰু চিন্তা-ভাৱনাক তেখেত বাসকৰা সময়ৰ সামাজিক পৰিৱেশেহে (Environment of time and place) গঢ় দিয়ে। সমসাময়িক সময়ৰ সামাজিক-অৰ্থনৈতিক সমস্যাৰ মাঁত বিচাৰি, কেতিয়াবা জৰ্জৰিত, কিম্বা পৰাজিত হৈয়ো ঐতিহাসিকৰ দৃষ্টি অতীতমুখী হয় প্ৰেৰণা আৰু উৎসাহৰ উৎস বিচাৰি।** এনে ক্ষেত্ৰত ঐতিহাসিকৰ বিষয় বস্তু অতীত হলেও বক্তব্যৰ ক্ষেত্ৰত তেখেতৰ ৰচনাত বৰ্তমানৰ প্ৰাসঙ্গিকতাই প্ৰাধান্য লাভ কৰে। কিন্তু এনে কৰোঁতে সকলো অন্ধ-সংস্কাৰ (Prejudice) পৰিত্যাগ কৰি ঐতিহাসিকে বস্তুনিষ্ঠ ভাৱে তেখেতৰ দৰ্শন (vision) গভীৰ আৰু দীৰ্ঘস্থায়ী অন্তৰ্দৃষ্টিৰে গঠনমুখী ভৱিষ্যত ৰচনাৰ লক্ষ্যত নিয়োগ কৰা বাঞ্চনীয়। সেয়ে চাৰ লিউইচ নেমিয়েৰে (Sir Lewis Namier) কোৱাৰ দৰে ঐতিহাসিকে “imagine the past and remember the future,” অৰ্থাৎ কেৱল সম্ভাৱনাময় ভৱিষ্যতেহে অতীত ব্যাখ্যাৰ প্ৰেৰণা যোগাব পাৰে। সতৰ্ক হবলগীয়া বিষয় এয়ে যে জ্ঞানীজনৰ চিন্তাত এনে অতীত অন্বেষণ সৃষ্টিমূলক আত্ম-বিশ্লেষণৰ শোধনাগাৰ আৰু দুৰন্তজনৰ চিন্তাত জাতিদম্ভক প্ৰশস্তি অথবা অঙ্গাঙ্গীকৈ গোষ্ঠী-বিদ্বেষৰ বিষোদগাৰৰ গৱেষণাত পৰিণত হয়। কোৱা বাহুল্য যে এনে জাতীয় আবিষ্কাৰ-উদ্ভাৱনেৰে সাময়িক চাঞ্চল্য সৃষ্টি ৰহুতৰ বাবে একমাত্ৰ উপজীব্য হৈ উঠে।

এনে পটভূমিৰ আধাৰতে “ডক্টৰেট উপাধিৰ বাবে গৱেষণা কৰোঁতে প্ৰকাশিত-অপ্ৰকাশিত বুৰঞ্জীবোৰ উৰাই ঘূৰাই পঢ়িবলগীয়া” হোৱাৰ ফচলৰূপে “বুৰঞ্জীৰ তথ্য-পাতি অক্ষুণ্ণ ৰাখি কথনৰীতিত অলপ কলা সুলভ বোল সানি অসম বুৰঞ্জীৰ কাহিনীৰে” ৰচনা কৰা হৈছে অলপতে ‘অসমীয়া বুৰঞ্জী সাহিত্যৰ সমালোচনামূলক অধ্যয়ন’ৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ‘ডক্টৰেট’ উপাধি প্ৰদান কৰা ডঃ লীলা গগৈৰ “কৌতুহলপূৰ্ণ বিষয়-বস্তুৰে লিখা অসম বুৰঞ্জীৰ চাঞ্চল্যকৰ কাহিনী ‘বেলি মাৰ গ’ল’ (প্ৰকাশ ১৯৮৩, সুৰাগমনি প্ৰকাশ, ডিব্ৰুগড়)। লেখকে একাধিকবাৰ “নতুন” ধৰণৰ সৃষ্টি বুলি দাবী কৰা কিতাপখনৰ প্ৰধান লক্ষ্য হ’ল অনৈতিহাসিক ব্যাখ্যাৰে অনা-আহোম সম্প্ৰদায়সমূহৰ প্ৰতি অগ্নিবৰ্ষী বিষোদগাৰেৰে চাঞ্চল্য সৃষ্টি কৰা।

কিন্তু কেনে ধৰণৰ চাঞ্চল্য? বিষয়-বস্তু, ৰচনাশৈলী তথ্যানুসন্ধান নে অভিনৱ বিশ্লেষণৰ চাঞ্চল্য? শ্ৰীযুত লীলা গগৈৰ বুৰঞ্জীমূলক ৰচনা সমূহৰ ভিতৰত লেখত ধৰিব পৰা ‘টাই সংস্কৃতিৰ ৰূপ ৰেখা’ৰ দৰেই বিৰক্তিকৰ পুনৰাবৃত্তিৰে ভৰপূৰ ‘বেলি মাৰ গ’ল’ কিতাপ খনৰ সামন্তযুগীয় জাতিদম্ভ আৰু গোষ্ঠী-বিদ্বেষৰ বিষোদগাৰ খিনিয়ে নিঃসন্দেহে চাঞ্চল্যৰ পৰিবৰ্তে ইতিমধ্যে বিভিন্ন পৰিস্থিতিত বিপৰ্যস্ত হৈ উঠা অসমীয়া সমাজৰ সংহতিৰ শুভাকাংখী সকলৰ মন ক্ষুব্ধ আৰু বিৰক্ত কৰিহে তুলিব। ডঃ সূৰ্য কুমাৰ ভূঞাই অসমীয়া বুৰঞ্জী সাহিত্যৰ সমৃদ্ধ সম্ভাৰলৈ আঙুলিয়াই দি মন্তব্য কৰিছিল যে—

“আমাক অতীতৰ সৈতে আকোঁৱালী ধৰিবলৈ, অসমীয়া মানুহৰ সংহতি জীয়াই ৰাখিবলৈ আমাৰ জাতীয়তাবাদৰ খহনীয়াৰ ভাবুকিৰ পৰা ৰক্ষা কৰিবলৈ বুৰঞ্জীখিনি আমাৰ বাবে শক্তিশালী বান্ধোন”। (Studies in the History of Assam, P. 229. অনুবাদ আমাৰ)

এনে প্ৰত্যাশাৰ বিপৰীতে সেই বুৰঞ্জীখিনি ব্যৱহৃত হৈছে গোষ্ঠী-বিদ্বেষৰ বিষোদগাৰৰ হাতিয়াৰত। বজাৰত চাঞ্চল্য বিক্ৰী কৰি সাময়িক সম্ভ্ৰম, সাঙ্গোপাঙ্গৰ হাতচাপৰি আৰু অৰ্থোপাৰ্জনৰ সহজ পথত বাধাদিয়া ধৰণৰ অনধিকাৰ হস্তক্ষেপৰ হাবিয়াস আমাৰ নাই যদিও সংকীৰ্ণ জাতিদম্ভ আৰু গোষ্ঠী বিদ্বেষ বজাৰত চালু কৰাই যি চাঞ্চল্যৰ প্ৰধান লক্ষ্য, এনে দুৰভিসন্ধিক চঞ্চলমতি মনৰ অতৰ্কিত খেয়াল বুলিও চকুকাণ মুদি থাকিব নোৱাৰি। কিয়নো এনে চাঞ্চল্যৰ সৃষ্টি কৰ্তাৰ ‘বৌদ্ধিক’ তৃষ্ণা-বিতৃষ্ণা চৰিতাৰ্থৰ দাম সমাজৰ সংহতিৰ পুঁজিৰ পৰাই দিবলগীয়া হবলৈও পাৰে।

বেলি মাৰ গ’ল,—অৰ্থাৎ অসমত আহোম সামন্ত তন্ত্ৰৰ বেলি মাৰ গ’ল। “দুপৰৰ বেলি কাতি হয়. লহিয়াই। আবেলি বেলিৰ ৰঙা ৰ’দ স্তিমিত হৈ আছে, অনুজ্জ্বল হৈ আছে। সুদূৰ প্ৰান্তৰত সূৰ্য অস্ত যায়। এয়া গতানুগতিক নৈসৰ্গিক ৰীতি” (পৃঃ ১) জন্মভূমি ইংলেণ্ডত যেওঁৰ জীৱদ্দশাতে অগ্ৰহনীয় বুলি প্ৰতিপন্ন হোৱা আৰ্নল্ড জোচেফ টয়নবীৰ ইতিহাসৰ বৃত্তাকাৰ সূত্ৰত (Cyclical Theory) বিশ্বাসী ডঃ গগৈৰ ঐতিহাসিক গতিধাৰাৰ ধাৰণা এইটোৱেই। **কিন্তু আহোম ৰাজত্বৰ অধঃপতন আৰু অৱসানক উদিত সৰ্য অস্ত যোৱা ধৰণৰ স্বাভাৱিক “নৈসৰ্গিক ৰীতি” বুলিও ডঃ গগৈয়ে সিদ্ধান্ত কৰা নাই; কৰিছে অনা-আহোম সম্প্ৰদায়ৰ কেইজনমান ব্যক্তিৰ পৰিকল্পিত ষড়যন্ত্ৰক, যিয়ে আহোম ৰাজত্বৰ দুপৰৰ বেলিক টানি-আঁজুৰি যেন অস্তাচলত বিলীন কৰি দিছিল!** গদাধৰ সিংহৰ ৰাজত্ব কালৰ পৰাহে ডঃ গগৈয়ে আলোচনা আৰম্ভ কৰিছে কাৰণে পুৱাক বাদ দি দুপৰৰ বেলিৰ কথা উল্লেখ কৰিছে। জন্মৰ লগতে মৃত্যুও অৱধাৰিত, সেইদৰেই সভ্যতাৰ উত্থানেই সভ্যতাৰ পতনৰ ভাগ্যও অনিবাৰ্য কৰি তুলিছিল বুলি টয়নবীয়ে উপলব্ধি কৰিছিল। সেয়ে সভ্যতাৰ উত্থান-পতনক তেখেতে নৈসৰ্গিক ৰীতি বুলিয়েই মানিছিল য’ত মানুহ কেৱল নীৰৱ, নিঃসহায় দ্ৰষ্টা। ডঃ গগৈয়ে নাভাবিলেও সূৰ্য কিন্তু চিৰদিনৰ বাবে অস্ত নাযায়। আজিৰ সূৰ্যাস্তই কাইলৈৰ সূৰ্যোদয়। ইয়োটো প্ৰকৃতিৰ অৱধাৰিত এক নৈসৰ্গিক ঘটনা। তেন্তে ডঃ গগৈয়ে আশা কৰিছে নেকি যে একেই নৈসৰ্গিক ৰীতিমতেই অসমত আহোম সামন্ত তন্ত্ৰৰ পুনৰ অভ্যুদয় ঘটিব? আশ্চৰ্য যেন লাগিলেও সত্য যে মানৱ আক্ৰমণৰ “পৰিণতি

OKDISCD

স্বৰূপে স্বাধীনতাৰ ৰঙাবেলি কালৰ কৰাল গ্ৰাসত বিলীন" হোৱাৰ পিচতো (পৃঃ ১৯১) ১৮২৮-২৯ চনত গমধৰ-গদাধৰৰ বিদ্ৰোহৰ ব্যৰ্থতাত (পৃঃ ২১৯) আৰু ১৮৩৮ চনত পুৰন্দৰ ক্ষমতাচ্যুৎ হোৱাত (পৃঃ ২৪১) ডঃ গগৈয়ে এবাৰ মাৰ যোৱা বেলিকে আৰু দুবাৰ মাৰ নিয়াইছে !!

ডঃ গগৈয়ে কিতাপখনত উত্তৰ বিচৰা নষ্টালজিক প্ৰশ্ন-বোৰ চাওক : " যি চেৰেঙা পোহৰ আৰু জোনাকে দীঘলীয়া ছশ বছৰ জুৰি লুইতৰ দুয়োপাৰ উজলাই ৰাখিছিল সি লাহে লাহে স্তিমিত হৈ চিৰদিনৰ বাবে অস্তমিত হল। বুৰঞ্জীৰ ৰোৱতী সূঁতিত এটা বলুকা পৰিল, এটা নতুন সূঁতিয়ে পাতনি মেলিলে। ইয়াৰ বাবে দায়ী কোন ? ব্যক্তি, সমাজ নে সময় ? কিহৰ দোষত ? কাৰ বাবে ? কি কাৰণত ? নৈ নিজৰা 'জান-জুৰি গোট খাই সৃষ্টি হোৱা যৰলুইত যেন অসম ৰাজ্যখন সাতসাগৰ তেৰনদীৰ সিপাৰৰ বগা বঙালৰ হাতলৈ পাৰহৈ গ'ল ? " (পৃঃ ১) গগৈদেৱৰ " কলা স্থলভ বোল " বাদ দি উকা ভাষাত প্ৰশ্নটো এনে হয় : আহোম সামন্ত শাসনৰ ইতি পেলাই সাতঘৰীয়া আহোমৰ হাতৰ পৰা অসমখন বৃটিছৰ হাতলৈ যোৱাৰ বাবে দায়ী কোন ?

যি বোৰ মৌলিক উপাদানে ঐতিহাসিক ঘটনা প্ৰবাহৰ পটভূমি ৰচনা কৰে আৰু উক্ত ঘটনা প্ৰবাহৰ সূত্ৰ ধৰে, সেইবোৰৰ তথ্যভিত্তিক বস্তুনিষ্ঠ বিশ্লেষণৰ বিপৰীতে ডঃ গগৈৰ 'গবেষণা' নিয়োজিত হৈছে গোষ্ঠীবিদ্বেষ বিষোদগাৰ কৰাৰ সমলৰ সন্ধান আৰু তাৰ অপব্যাখ্যাত। আহোম সামন্ত তন্ত্ৰৰ অৱনতি আৰু অৱসানৰ কাৰণ বিচাৰি উবাই ঘূৰাই বুৰঞ্জী পঢ়ি ডঃ গগৈদেৱে চমৎকাৰ ভাবেই আৱিষ্কাৰ কৰিছে যে সাতাম পুৰুষীয়া 'সাতঘৰীয়া আহোম'ত বাদে আহোম সামন্ত তন্ত্ৰৰ ছত্ৰছায়াত বৰ্ত্তি থকা 'সৰু মানুহ' বুলি বিবেচিত হোৱা অনা-আহোম সম্প্ৰদায় সমূহৰ পৰিকল্পিত ষড়যন্ত্ৰই সেই অৱলুপ্তিৰ বাবে একমাত্ৰ জগৰীয়া। গগৈদেৱৰ আবিষ্কৃত বিষোদগাৰ প্ৰধানকৈ বৰ্ণহিন্দু সম্প্ৰদায়ক তুচ্চ-তাচ্ছিল্য কৰাতে নিয়োজিত হৈছে যদিও বাকীবোৰ অনা আহোম সম্প্ৰদায়েও এই আক্ৰমণৰ পৰা হাত সাৰিব পৰা নাই। গগৈদেৱৰ ঐতিহাসিক সিদ্ধান্ত চাওক : **"স্বৰ্গদেৱৰ ( গদাধৰ সিংহ) অন্তিমবাণী অমান্য কৰি এঘৰ এঘৰকৈ তিনিঘৰ পথালি ফোঁটাক বৰঘৰত বৰপীৰা পাৰি পাদ্যাৰ্ঘ্যলৈ ৰাজগুৰু পাতিছিল। তিনিওঘৰৰ লোভ, মৰ্যদা আৰু ক্ষমতাই আহোম সিংহাসন এফালৰ পৰা পুৰি আনিছিল " (পৃঃ৬২)। এই তিনিঘৰনো কোন?** " অসমৰ ধৰ্ম-সামাজিক জীৱনত পৰ-ভীয়া, মুকলিমূৰীয়া আৰু পহুমৰীয়া এই তিনিঘৰ পথালি-ফোঁটা গোসাইৰ বৰঙনিয়ে সৃষ্টিতকৈ ধ্বংসৰ সূচনা কৰিলে অধিক " ( পৃঃ ৪০ )। এই বৰ্ণহিন্দু পৰিয়াল কেইটাৰ নাতি পুতিয়েও গগৈদেৱৰ ক্ৰোধৰ হাতসাৰিব পৰা নাই। "পৰ্ৱভীয়া গোসাইৰ পুত্ৰ নাতি অনুক্ৰমে ৰজাঘৰত কুটনীতি আৰু ষড়যন্ত্ৰৰ বিহগুটি সিচি ঐক্য আৰু সংহতি বিনষ্ট কৰিলে " ( পৃঃ৪৯ ) মীৰজুম্লাৰ হাতত চুতাম্লা জয়ধ্বজ সিংহৰ পৰাজয়ৰ কাৰণ সেনাপতি মনথিৰ ভৰাঁলী বৰুৱাহে ( পৃঃ ৬৮ ), গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্য্যাতনৰ মূলতে আছিল অনা-আহোম ৰঙাচৰণ ভাণ্ডাৰী বৰুৱাৰ উচটনিহে। লিখা পঢ়া জনা 'বামুণ-কায়স্থ' মানুহ খিনিয়ে গমধৰ গদাধৰৰ বিদ্ৰোহৰ সময়ত স্বাৰ্থপৰ হৈ সহযোগিতা নকৰাৰ কাৰণেহে বিদ্ৰোহ ব্যৰ্থ হৈছিল। সেয়ে নোহোৱা হলে " অসম বুৰঞ্জীৰ গতি আন কোনোবা ফালে গ'ল হেতেন " ( পৃঃ ২১৮–১৯ )।

ডঃ গগৈ আৰু এখোপ ওপৰলৈ গৈ অসমীয়া সমাজ, সংস্কৃতি আৰু সমাজৰ সংহতিৰ বুকুতে কুঠাৰাঘাত কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। বিভেদকামী দুৰভিসন্ধিৰ নিলৰ্জ্জ প্ৰকাশ পাইছে " আহোম ধৰ্ম " আৰু আহোম আচাৰ নীতিৰ নব্য উদ্ভাৱনৰ অনৈতিহাসিক প্ৰশস্তি আৰু বৈষ্ণৱ আদৰ্শৰ প্ৰতি প্ৰকাশ কৰা বান্ধোনহীন বিদ্বেষত :

" বৈষ্ণৱ আদৰ্শৰ অহিংসাই শক্তিহীন কৰিলে ৰজাঘৰক, বীৰ্য্যহীন কৰিলে প্ৰজাক আৰু হিন্দুধৰ্মৰ নামত ছিন্ন-ভিন্ন হল আহোম জাতিটো। পৰিণতি হল ঐনৈক্য 'সন্দেহ' বিদ্বেষ" ( পৃঃ৮১ ) আহোম সামন্ততন্ত্ৰ আৰু আহোম ধৰ্মৰ পুনৰুত্থান প্ৰয়াসী গগৈদেৱে আহোম-হিন্দুৰ প্ৰভেদৰ বিৰক্তিকৰ পুনৰুক্তিৰে তেখেতৰ " নতুন সৃষ্টি " ওপচাই পেলাইছে : "এই সময়ত জোতিষীয়া গণকে গণিতা কৰি পোৱা ভৱিষ্যত বাণী ফলিউৱা নাছিল অথচ দেওধাই-বাইলুঙে খৰিকা মাৰি কুকুৰা ঠেং চাই পোৱা ফল ফলিয়াইছিল" ( পৃঃ ১৫১ )। আকৌ চাওক : "জয়ধ্বজ সিংহ হিন্দু হ'ল। হিন্দু ৰীতি-নীতি আচৰিবলৈ ধৰিলে। হিন্দু বিষয়াৰ প্ৰতি আস্থা বাঢ়িবলৈ ধৰিলে। ক্ষুব্ধ হল আহোম ডা-ডাঙৰীয়া সকল" ( পৃঃ ৬৮ ) আৰু তিনিশ বছৰৰো অধিক পিচত ক্ষুব্ধ হৈছে ডঃ লীলা গগৈ। বোধকৰো অধিক উদ্ধৃতি নিস্প্ৰয়োজন।



কিতাপখনৰ তথ্য প্ৰয়োগৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে কেৱেলাতকৈ গুটি দীঘল হোৱাৰ সম্ভাৱনা। তাৰোপৰি প্ৰতিটো বিষয়বস্তুৰ বিষয়ে কৰা ভ্ৰান্ত-সিদ্ধান্তৰ ব্যাখ্যা কৰিবলৈ গ'লেও বৃহৎ আকাৰৰ ৰচনা এখনেই হ'বগৈ। সেয়ে এনে আলোচনা এৰাই চলি কেৱল বক্তব্যৰ অনিষ্টকাৰী অনৈতিহাসিক দিশটো পাঠকৰ জ্ঞাতাৰ্থে উপস্থাপন কৰি দিয়াতেই আমাৰ প্ৰচেষ্টা সীমাবদ্ধ হ'ব।

আহোম সামন্ততন্ত্ৰৰ মেৰুদণ্ড ভাঙি দিছিল সৰ্বপ্ৰথমে মায়ামৰীয়া বিদ্ৰোহে। বৈষ্ণৱ আদৰ্শৰ বান্ধোনতে সাঙোৰ খাই থকা 'নিবীৰ্য্য' মায়ামৰীয়াৰ হাতত শক্তিশালী আহোম সামন্ততন্ত্ৰ আৰু 'বীৰ্য্যবান' ৰজাৰ ফলীয়া সৈন্যৰ উপৰ্যুপৰি পৰাজয় ঘটাৰ কাৰণ কি বাৰু ? ডঃ গগৈদেৱে ভৱাৰ দৰে ইতিহাসৰ চালিকাশক্তিৰ বীৰ্য্য কেৱল গাহৰী-কুকুৰা আৰু মদ-লাওপানী খোৱা সকলৰ দুবাহুতে নাথাকে। সেই সময়ৰ অসমীয়া মানুহখিনিক ( অসমীয়া শব্দৰে আমি আহোম ৰাজ্যৰ চাৰিসীমাই আগুৰা ভূখণ্ডত বাস কৰা সকলো জনগোষ্ঠীকে বুজাইছো, য'ত আহোম সকলৰো আগতে অহা মুছলমান সকলো আছিল ) মদ-মাংস খুৱাই গাহৰী হেন নোদোকা কৰি ৰাখিব পৰা হ'লে মোৱামৰীয়া বিদ্ৰোহ আৰু আক্ৰমণকাৰী মান সৈন্যক তুলা-ধূনাদি ধূনিব পৰা হলহেতেন নেকি ? নে গমধৰ— গদাধৰৰ বিদ্ৰোহতে বৃটিছ শাসনৰ ইতি পেলাব পৰা হল হেতেন ? বস্তুনিষ্ঠ চিন্তা-ভাৱনা যাৰ বাবে অনাত্মীয়, তেনে জনে কেনেকৈ বুজিব যে নোদোকা দেহৰ দুবাহুত কিম্বা দৈৱজ্ঞৰ আঙুলীমূৰত অথবা দেওধাই বাইলুঙৰ কুকুৰা ঠেঙত যুদ্ধৰ জয়-পৰাজয় অথবা ঐতিহাসিক বিবৰ্তনৰ কাৰণ নিহিত নাথাকে। **উন্নত সমৰাস্ত্ৰ পৰিকল্পিত যুদ্ধ-কৌশল আৰু ব্যাপক সু-চিন্তিত সংগঠন শক্তিৰ অবিহনে উনৈশ শতিকাত যুদ্ধ-জয়ৰ সম্ভাৱনা শেষ হৈ আহিছিল। উক্ত ব্যৱস্থাৰ অধিকাৰী হৈ ইউৰোপীয় সাম্ৰাজ্যবাদী শক্তিয়ে যেতিয়া বিশ্বৰ দেশ-মহাদেশ, সাগৰ-মহাসাগৰ আৰু নদ-নদীতো সামৰিক বিজয়েৰে দপ-দপাই ফুৰিছিল, আহোম সামন্ততন্ত্ৰই তেতিয়াও দা-যাঠী ধনু-কাড় আৰু অকাৰ্যকৰী বৰটোপৰ ওপৰতে দেশ ৰক্ষাৰ বাবে নিৰ্ভৰ কৰি থাকিব লাগিছিল।** এইকথা কেৱল অসমৰ ক্ষেত্ৰতে নহয় — ওঠৰ আৰু উনৈশ শতিকাৰ ভাৰতৰ সকলো প্ৰান্তীয় ৰাজশক্তিৰ ক্ষেত্ৰতে প্ৰযোজ্য। আৰম্ভনিৰে পৰা পশ্চিম ফালৰ পৰা অহা আক্ৰমণ প্ৰতিৰোধত অভ্যস্ত আহোম শক্তিৰ বাবে পূব ফালৰ পৰা হোৱা মানৰ আক্ৰমণত পশ্চিম ফালত প্ৰয়োগ কৰা পানী যুদ্ধৰ আৰু স্থল যুদ্ধৰ কৌশল অপ্ৰচলিত বুলি প্ৰমাণিত হৈছিল। আনকি মায়ামৰীয়া অন্তবিদ্ৰোহৰ নেতৃত্বৰ কেন্দ্ৰ-স্থলো আহোম ৰাজধানীৰ পূবতহে আছিল !

"বুৰঞ্জীৰ তথ্যপাতি অক্ষুন্ন ৰাখি" ৰচনা কৰা বুলি দাবী কৰা কিতাপখনত আহোমৰ পুনৰুত্থানৰ ৰোমান্তিক কামনাত ইতিহাসে সমৰ্থন নকৰা হিন্দু বিদ্বেষৰ তথ্যৰ বন্যা সৃষ্টি কৰা হৈছে : " মানুহে কয় ( অক্ষুন্ন তথ্যপাতিৰ নমুনা। ) আহোমে নিজৰ ধৰ্ম সলনি কৰাৰ বাবেই নিজৰ ভিতৰতে ঐক্য সংহতি হেৰাল আৰু তিলতিলকৈ আগবাঢ়ি এসময়ত এনে বিষাক্ত সন্দেহাকীৰ্ণ-পৰিবেশত পৰিলগৈ যে ধৰ্মান্তৰ প্ৰক্ৰিয়াই আহোম ৰাজশক্তিৰ তথা অসমৰ স্বাধীনতাৰ যৱনিকা পতন ঘটালে" ( খৃঃ ৬৩ )। পৰিস্কাৰ কথাত ডঃ লীলা গগৈৰ চিন্তাৰ ৰসায়নত উত্তৰ হোৱা গৱেষণালব্ধ সিদ্ধান্ত অনুসৰি **হিন্দু ধৰ্মই ( ব্ৰাহ্মণ্য আৰু বৈষ্ণৱ দুয়োটা ধাৰা ) আহোম আৰু আহোম সকলে শাসন কৰা দেশ অসমৰ পৰাধীনতাৰ মূল কাৰণ! আহোম সকলে ৰাজনৈতিক নেতৃত্ব দিয়া অসমীয়া সমাজখনৰ কোনো সংহতিয়েই নাছিল নেকি ?**

ওঠৰ-উনৈশ শতিকাৰ অসমৰ বুৰঞ্জী লিখিবলৈ লোৱা ডঃ লীলা গগৈয়ে বিচাৰি পোৱা অসমীয়া সমাজৰ সমন্বয় আৰু সংহতিৰ ছবি খনলৈ মন কৰক :

"গৰু সাধাৰণতে খাদ্য হিচাবে ব্যৱহাৰ নকৰিলেও কেইটামান প্ৰাচীন পৰম্পৰা সন্মত পূজা-পাতল কৰিবলৈ গৰু-মহ বলি দিছিল। গাহৰি-কুকুৰা মুকলি খাদ্য হিচাবে খাইছিল আৰু পূজা-পাতলতো ব্যৱহাৰ কৰিছিল। গতিকে ত্ৰয়োদশ শতিকাত অসমলৈ আহি গাহৰি-কুকুৰা খোৱা পৰ্বত-ভৈয়ামৰ মঙ্গোলীয় সমাজত সততে মিলি যাবলৈ সুবিধা পাইছিল। সেয়ে মৰাণ, বৰাহী, কছাৰী, চুতীয়া, নগা, মিৰি সকলো সম্প্ৰদায়ৰে মানুহ আহোম ফৈদলৈ তুলি লৈছিল আৰু সামাজিক সংহতিৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল" ( পৃঃ ৬৩ )। প্ৰক্ৰিয়াটো মন কৰক : গাহৰি-কুকুৰা খোৱা

বংশোদ্ভৱ গোষ্ঠী সমূহ আহোম
গিব আৰু আহোম সকলেও তেওঁ-
। "তুলি লৰ" লাগিব। অৰ্থাৎ
। অসমীয়া-কৰণৰ সামাজিক সংহ-
পালন কৰিছিল আৰু তেওঁলোকে
কীবোৰ জন গোষ্ঠীয়ে অসমীয়া
পাইছিল। আৰু এইদৰে আহোম
ৰৈ যোৱা গাহৰি-কুকুৰা নোখোৱা
হ আৰু আহোম সকলৰো দুই
উপত্যকাৰ লগত পৰিচিত হোৱা
মান সকল অসমীয়া সামাজিক সম্ব-
চাৰিসীমাৰ বাহিৰত ৰৈ গ'ল।
নহ'ল। কাৰণ গগৈদেৱৰ গৱেষণা
ৰু হ'ল — অসমৰ ৰজা প্ৰজা উভ-
" (পৃ ৪৯)। ডঃ গগৈয়ে ওঠৰ-উনৈশ
ীয়া অনা-অসমীয়াৰ চিনাক্ত-কৰণ

জাতি (Nation) নহয়। পৃথিৱীৰ
অসমতো হোৱা নাছিল। বিভিন্ন
আৰু জন গোষ্ঠীৰ (Clan) শতাব্দী
তিক আৰু লোকাচাৰ সম্পৰ্কীয়
লশ্ৰুতি আছিল আধুনিক জাতি
ন ঐতিহাসিক উপাদানে এই প্ৰক্ৰি-
ত্ত তথাপিও প্ৰাৰম্ভিক পৰ্য্যায়ত
গাষ্ঠী কিম্বা ব্যক্তি-বিশেষৰ উদ্দেশ্য-
ফলশ্ৰুতি নাছিল। সমাজ বিৱৰ্তনৰ
তি গঠন আকস্মিক (Chance)
ছিল। ইউৰোপতো জাতীয় ৰাষ্ট্ৰৰ
উদ্ভৱ হোৱা জাতীয় ৰাজতন্ত্ৰ
যোড়শ শতিকাৰ নৱন্যাস যুগৰহে

**ৰৰ কেন্দ্ৰীভুত প্ৰশাসনিক**
**গঠনৰ ভূমিকা পালন কৰা**
**ৰ জাতীয় ৰাষ্ট্ৰৰ উত্থানেই**
**তেন্তে অসমীয়া জাতি**
**কিদৰে আৰম্ভ হৈছিল?**
ওক।

ইউৰোপত জাতীয় ৰাজতন্ত্ৰৰ উত্থানৰ প্ৰধান ভিত্তি আছিল প্ৰাচীন গ্ৰীক আৰু লেটিন ভাষাৰ ঠাইত বিভিন্ন প্ৰান্তীয় ভাষাৰ উদ্ভৱ আৰু সেই প্ৰান্তীয় ভাষাৰ সাহিত্যৰ জন্ম আৰু বিকাশ। সেয়ে ভাষা সাহিত্যই যোড়শ শতিকাৰ ইউৰোপৰ জাতীয়ত্বৰ প্ৰধান পৰিচয় বুলি স্বীকৃত হৈছিল। নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত বসবাস কৰা জনগোষ্ঠী সমূহৰ দীৰ্ঘদিনৰ উৎপাদন সম্পৰ্ক আৰু সামাজিক-সম্পৰ্কৰ বাতাবৰণত এসময়ত প্ৰান্তীয় ভাষা সমূহৰ সৃষ্টি হৈছিল। লিখিত সাহিত্যই ভাষাক স্থায়ীকৈ প্ৰতিষ্ঠা কৰিছিল। ছপা যন্ত্ৰই সেয়ে ইউৰোপত জাতীয় সাহিত্য আৰু জাতীয় ৰাষ্ট্ৰৰ উত্থান ত্বৰান্বিত কৰি তুলিছিল। অসমত এই ভূমিকা পালন কৰিছিল বৈষ্ণৱ ধৰ্মৰ জাগৰণে। অসমদেশ বুৰঞ্জী সাহিত্যত চহকী, অসমীয়া ভাষাই লিখিত ৰূপত আত্মপ্ৰকাশ কৰে ধৰ্মীয় ৰচনাৰ যোগেদিহে। স্থানীয় বৃহৎ জনগোষ্ঠীৰ ব্যৱহাৰিক ভাষাৰ মাধ্যমত ধৰ্মীয় সাহিত্য সৃষ্টি আৰু নাট-গীতৰ অভিনৱ প্ৰবৰ্তনে ভাষাটোৰ বৃদ্ধি আৰু সমৃদ্ধিত বৰঙণি যোগাইছিল। 'পূৰ্ব কবি অপ্ৰমাদী'ৰ ৰচনাই বৈষ্ণৱ জাগৰণৰ বহুপূৰ্বেই অসমত অসমীয়া ভাষাৰ প্ৰচলনৰ ব্যাপকতা আৰু জনপ্ৰিয়তাৰ প্ৰমাণ। এটা কথা নিঃসন্দেহ যে অসমীয়া ভাষাটো আহোম সকলৰ দান নহয়। উনবিংশ শতিকা পৰ্য্যন্ত টাই ভাষাত লিখিত বুৰঞ্জী সমূহে আৰু ধৰ্মীয় আৰু সামাজিক পাৰ্বনত ব্যৱহৃত টাই-স্তুতি-গীত আদিয়ে 'সাতঘৰীয়া আহোমৰ অৱচেতনত হলেও টাই-ভাষাৰ প্ৰতি এক নষ্টালজিক প্ৰীতি আৰু অসমীয়া ভাষাৰ প্ৰতি নেতিবাচক মনোবৃত্তিৰ সাক্ষ্যহে বহন কৰি আছে। আহোম ৰাজশক্তিয়ে প্ৰথম অৱস্থাতে অসমত বৰ্ত্তি থকা ক্ষুদ্ৰ জন-জাতীয় সংগঠনবোৰ ভাঙি দি বৃহৎ অসম গঢ়াৰ চেষ্টা কৰাৰ সাক্ষ্য ইতিহাসে নিদিয়ে। আৰ্য আক্ৰমণকাৰীয়ে উত্তৰ-পশ্চিম ভাৰতত থলুৱা সাংস্কৃতিক সংগঠনবোৰৰ ক্ষেত্ৰত যি আক্ৰমণাত্মক নীতি লৈছিল, আহোমে তেনে কৰাৰ নজীৰো বুৰঞ্জী বিলাকে নিদিয়ে। নিজে ৰাজনৈতিক বিজেতা হৈয়ো আহোমে ক্ৰমান্বয়ে বিজিতৰ সংস্কৃতিৰ ওচৰত আত্ম সমৰ্পণ কৰে। ইয়াৰো ঐতিহাসিক কাৰণ আছিল। **কিয়নো বিজেতা হ'লেও সংখ্যাত কেৱল এমুঠিমান টাই মানুহে** (বিকাশৰ সৰ্বোচ্চ স্তৰতো আহোম ৰাজ্যত আহোম জনগোষ্ঠীৰ লোকসংখ্যা শতকৰা ১০/১৫ ভাগতকৈ অধিক নাছিল) **থলুৱা ভাষা-সংস্কৃতিক নিৰ্মুল কৰি**





**তেওঁলোকৰ সাংস্কৃতিক উপনিবেশ স্থাপন কৰি-বলৈ যত্ন কৰা নাছিল। নিঃসন্দেহে এনে সহি-ষ্ণুতাই আহোম শাসক গোষ্ঠীৰ কাৰ্য্যকৰী আৰু সুদূৰ প্ৰসাৰী দূৰদৰ্শীতাৰে সাক্ষ্য বহন কৰে।** এনে সহিষ্ণুতা অবিহনে সদ্য বিজেতা এমুঠিমান টাই মানুহে থলুৱা জনগোষ্ঠীসমূহৰ পৰা সহিংস প্ৰতিৰোধৰ সম্মুখীন হ'ব লাগিলহেতেন। কিন্তু আহোম সকলৰ দ্বাৰা সঞ্চিত লিখিত স্মৃতিয়ে তেনে বিৰোধৰ সাক্ষ্য নিদিয়ে। উল্লেখযোগ্য এয়ে যে নিজৰ স্থিতি স্থায়ী কৰাৰ স্বাৰ্থতে আহোম শাসক-শক্তিয়ে গ্ৰহণ কৰা সহিষ্ণুতাৰ নীতিয়ে অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাইছিল। যোড়শ শতিকালৈকে অসমত জনজাতীয় সংগঠন সমূহ বৰ্ত্তি আছিল। অসমৰ বৈষ্ণৱ জাগৰণৰ উদ্যোক্তা সকলেও জন-জাতীয় সংস্কৃতিৰ লগত প্ৰত্যক্ষ আক্ৰমণৰ পথ নলৈ সহি-ষ্ণুতাৰ পথহে বাচি লৈছিল। ইফালে চুহুংমুঙৰ দিনৰ পৰা হোৱা ৰাজ্য বিস্তাৰৰ ফলত ৰাজধানীৰ পৰা নিলগৰ প্ৰজাৰ আনুগত্য আদায়ৰ স্বাৰ্থত ক্ৰমবৰ্দ্ধমান বৈষ্ণৱ ধৰ্মক আহোম ৰজাঘৰে সহযোগী হিচাবে বিচৰাৰ পথ সৃষ্টি হৈছিল। সোতৰ শতিকাৰ প্ৰথম ভাগৰ পৰা আহোমে দেশ সং-গঠনৰ আৱশ্যকতা অনুভৱ কৰে আৰু ক্ষুদ্ৰ জনজাতীয় সংগঠনবোৰ ভাঙি দি প্ৰণালীবদ্ধ ভাৱে সমাজ সংগঠনত হাত দিয়ে। **ক্ষুদ্ৰ জনজাতি সমুহক এক কেন্দ্ৰীয় প্ৰশাসনৰ অধীনলৈ আনি আহোম সামন্ততন্ত্ৰই ৰাজনৈতিক ভাৱে সংহতিৰ ক্ষেত্ৰখনৰ বাবে বাট মোকোলাই দিছিল। অসমীয়া জাতি গঠনত আহোম সামন্ততন্ত্ৰৰ এইটোৱেই প্ৰধান ইতি-বাচক আৰু প্ৰগতিশীল দিশ।** সাংস্কৃতিক সংহতিৰ নেতৃত্ব আহিছিল বৈষ্ণৱ জাগৰণৰ পৰা, যি নেতৃত্বত আহোম ৰাজশক্তিয়েও নতি স্বীকাৰ কৰিছিল। উত্তৰাধিকাৰ সূত্ৰে পোৱা আজিৰ অসমীয়া জাতিটোৰ অবিসম্বাদী পৰিচয় কেৱল ইয়াৰ ভাষা আৰু সাহিত্যহে, ধৰ্ম বা অন্যান্য লৌকিক আচাৰ অনুষ্ঠানবোৰ গৌণহে। এই বিষয়ত ইতি-মধ্যে যথেষ্ট চিন্তা-চৰ্চা কৰা ডঃ হীৰেণ গোহাঁইৰ মতেঃ "তৰ্কাতীত আৰু সৰ্ববাদীসন্মত কথা হ'ল এয়ে যে ভাগৱতী ধৰ্মৰ যোগেদি অসমত এক নতুন আৰু ব্যাপক সামাজিক তথা সাংস্কৃতিক সংগঠন গঢ়ি উঠাত শংকৰদেৱৰ অৱদান মৌলিক আৰু তুলনাহীন" (বাস্তৱৰ স্বপ্ন, পৃঃ ১৩৬) কোৱা বাহুল্য যে বঢ়া-টুটা (flexible) ভৌগোলিক চাৰিসীমা এটাৰ ভিতৰত আহোম ৰাজবংশই অসমত মাত্ৰ ৰাজনৈতিক সংগঠন এটাৰ নেতৃত্ব দিছিল, — যিদৰে দিছিল কছাৰী, চুতীয়া, কোঁচ আৰু শেষৰ ফালে মায়ামৰীয়া সকলে, যিবোৰ সংগঠন ঐতি-হাসিক ঘটনা প্ৰবাহৰ ধাম খুমীয়াত হেৰাই নিচিহ্ন হৈ গ'ল, কিন্তু আজিৰ অসমীয়াই অতীত পৰিচয়ৰ স্মাৰক চিহ্ন বিচাৰি আৰু সাংস্কৃতিক ঐতিহ্যৰ আঁত বিচাৰি শংকৰদেৱৰ নেতৃত্বৰে আৰম্ভ হোৱা বৈষ্ণৱ জাগৰণৰ কথা সুঁৱৰিবলৈ বাধ্য।

উক্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ডঃ মহেশ্বৰ নেওগ, ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, ডঃ মহেন্দ্ৰ বৰা আৰু ডঃ নগেন শইকীয়াৰ দৰে বৈষ্ণৱ পৰম্পৰাৰ চৰ্ত্তহীন সমৰ্থক আৰু অসমীয়া সমাজৰ সংহতিৰ অৰ্থে শ্ৰম-চিন্তা নিয়োগ কৰা ব্যক্তি সকলে ডঃ লীলা গগৈক এইখন কিতাপ লিখোঁতে "পুথিখনৰ বিষয়ে মন্তব্য প্ৰকাশ কৰি উৎসাহ আৰু অনুপ্ৰেৰণা যোগাইছিল বুলি ডঃ গগৈয়ে ঘোষণা কৰা কথা সচাঁকৈয়ে বিস্ময়কৰ। কিতাপ-খনৰ অন্য কেইবাটাও অনৈতিহাসিক চাঞ্চল্যৰ ভিতৰত ইও এক চাঞ্চল্য।

আহোমসকলৰ ধৰ্মটোৰ নামনো কি আছিল যিটো ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ কাৰণেই উনৈশ শতিকাত আহোমসকলৰ অধঃপতন হৈছিল বুলি ডঃ লীলা গগৈয়ে ক্ষোভ প্ৰকাশ কৰিছে! কোনেও নিৰ্দিষ্টকৈ সেইটো লিখা নাই। আহুকাল আছে। উৰাই ঘূৰাই বুৰঞ্জী পঢ়ি গৱেষণা কৰাৰ আগতে শ্ৰীযুত লীলা গগৈয়েই কৈছিল যে— "টাই সকলৰ মূল ধৰ্ম কি আছিল কোৱা টান" (টাই সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ১২)। তেখেতৰ মতে অসমলৈ অহাৰ আগতে টাই বিলাক তাওপন্থী আছিল, য'ত পিছলৈ কনফুচিয়াচৰ ধৰ্মৰ সমন্বয় ঘটিছিল (ঐ, পৃ ১২)। "প্ৰাক্ শংকৰী যুগত অসমত যি তান্ত্ৰিক ধৰ্ম চলিছিল, সেই ধৰ্মই স্বীকৃতি দিয়া দেৱদেৱী আহোমে মানি অহা ধৰ্মৰ লগতে মিলিছিল" (ঐ পৃঃ ১৪৬) আৰু সেয়ে "অসমৰ আহোম সকল হিন্দুধৰ্মী" বুলি গগৈ দেৱে সিদ্ধান্ত কৰিছিল (ঐ, পৃঃ ১২)। তেখেতৰ মতে আহোম সকল বৌদ্ধ নাছিল যিহেতু বৌদ্ধ সংস্কৃতিৰ এপদো চিন আহোমে এৰি যোৱা নাই (ঐ, পৃঃ ৬৮)। হিতেশ্বৰ বৰবৰুৱাৰ মতে "আহোমবিলাক মহাযান আৰু হিন্-যান দুয়ো সম্প্ৰদায়ৰে সানমিহলি মতাৱলম্বী আছিল" (আহোমৰ দিন পৃঃ (৩৮১)

OKDISCD

পদ্মনাথ গোহাঞি বৰুৱাৰ মতে ব্ৰহ্মদেশৰ অন্তৰ্গত ইৰাৱতী উপত্যকাৰ শ্যাম প্ৰদেশৰ পৰা অহা টাই সকল "তেতিয়া ফুৰালুং বা মহাবিষ্ণু পূজক বৈষ্ণৱধৰ্মী লোক আছিল" (অসমৰ বুৰঞ্জী পৃঃ ৩)। ডঃ পদ্মেশ্বৰ গগৈয়ে বিশ্লেষণ কৰি দেখুৱা মতে টাইসকল থেৰাবাদী বৌদ্ধ পন্থী আছিল। ফ্ৰালুঙে ভগৱান বুদ্ধক বুজাইছিল। আহোম পুৰোহিতে আহোম ভাষাৰে বৌদ্ধ ভক্তি গীতেৰে ফ্ৰালুঙৰ পূজা কৰিছিল। আহোম বৌদ্ধ ধৰ্মীৰ মূলতত্ত্ব 'ফুৰা-তাৰা-আলং' অৰ্থাৎ ফুৰা বা ফ্ৰা মানে বুদ্ধ, তাৰা মানে ধৰ্ম আৰু আলং মানে সংঘ (Tai Ahom Religion and Customs. P. 16)

**এই আহোম বংশোদ্ভৱ ঐতিহাসিক কেইগৰাকীৰ মত - বিৰোধৰ পৰা অনা-আহোম পাঠকে আহোম সকলৰ পূৰ্বৰ ধৰ্ম কি আছিল মন্তব্য দিয়া মুস্কিল। সংজ্ঞা নিৰ্ণয় কৰিব নোৱাৰা কাৰণেই ডঃ লীলা গগৈয়ে তেখেতৰ কিতাপখনত আহোম সকলৰ ওপৰত "আহোম ধৰ্ম" জাপি দিছে নেকি? নে জাতিগত ভাৱে আহোম সকলক বৃহৎ অসমীয়া সমাজৰ পৰা পৃথককৈ দেখুৱাৰ অপচেষ্টাৰ দৰেই ধৰ্মীয় ভাৱেও আহোমক হিন্দু সমাজৰ পৰা বিছিন্ন কৰি দেখুৱাৰ বিভেদকামী প্ৰচেষ্টা কৰা হৈছে?** ধৰ্মৰ পৰাহে ধৰ্মাৱলম্বী লোক সকলৰ সাধাৰণতে চিনাকি দিয়া হয়, লোক গোষ্ঠীৰ নামানুসাৰে ধৰ্মৰ নামকৰণ কৰা নহয়। আৰু চুকাফাৰ আগমনৰ লগে লগেই তেওঁ লগৰ মানুহখিনিক আহোম বুলি নামকৰণ কৰা হৈছিল বুলিনো গগৈদেৱে ক'ত তথ্য বিচাৰি পালে? অথবা টাই ধৰ্ম বা আহোম ধৰ্ম বুলি এটা ধৰ্ম থকাৰ সাক্ষ্য ইতিহাসতেইচোন বিচাৰি পাৰলৈ নাই।

আমাৰ মতে হিন্দু সংস্কৃতিৰ লগত বিজেতা টাই সকলৰ সংমিশ্ৰন চৰ্তহীন ভাৱে ইমান একাত্ম আৰু সম্পূৰ্ণ আছিল যে আজি তাক পৃথকে চিনাক্তকৰণৰ চেষ্টা কৰিলে মানৱদেহৰ পৰা বান্দৰৰ চাৰিঠেং আৰু নেগুৰ পৃথকে আঙুলিয়াই দেখুৱাৰ দৰে ব্যৰ্থ চেষ্টাহে হ'ব।

কিতাপখনৰ আৰম্ভনিৰে পৰা শেষলৈকে ডঃ গগৈয়ে তিনিটা উপদেশ বাক্যৰ আধাৰত গদাধৰ সিংহৰ প্ৰেতাত্মাক আহোম ৰাজত্বৰ শেষৰ যুগৰ ঘটনাৱলীৰ অশৰীৰ সূত্ৰধাৰ হিচাবে উপস্থিত কৰাই সেই অতৃপ্ত (?) প্ৰেতাত্মাৰ দৃষ্টিৰে আহোম সামন্ততন্ত্ৰৰ অৱনতি আৰু বিনাশৰ কাহিনী অৱলোকন কৰি অহেতুক আক্ৰোশৰ গোজঁৰণি আৰম্ভ কৰিছে। "**সৰুকৰ বিষয় নিদিবি, ৰাজসভাত জোঙা ঢোল বজাই নটিনী ননচুৱাবি, পথালি ফোটাক বিশ্বাস নকৰিবি" ডঃ গগৈৰ মতে এয়াই আছিল হেনো মৃত্যুশয্যাৰ পৰা ৰুদ্ৰসিংহলৈ গদাধৰ সিংহৰ অন্তিম উপদেশ বাণী। গদাধৰ সিংহৰ অন্তিম সময়ৰ সঁকিয়নি উলংঘা কৰাৰ অভিশাপতেই হেনো তেওঁৰ পুত্ৰ-নাতীয়ে আহোমৰ অধঃপতন অনিবাৰ্য কৰি তুলিছিল।** "প্ৰত্যেকেই এই আদেশ উলংঘা কৰি মৃতকৰ জগৰ লগাইছিল। প্ৰত্যেক ক্ষেত্ৰতে কিন্তু এই আদেশ অমান্য কৰাৰ পৰিণতি আছিল সুদূৰ প্ৰসাৰী" (পৃঃ ২১৮)।

অনা-আহোম, বিশেষকৈ হিন্দু আৰু হিন্দুৰ ভিতৰতো বৰ্ণহিন্দু সম্প্ৰদায়ক আহোম সামন্ত তন্ত্ৰৰ বিনাশৰ কাৰণে দোষী সাব্যস্ত কৰাৰ দৃষ্টিভংগী ডঃ লীলা গগৈৰ চিন্তাৰ ৰসায়নত উদ্ভৱ হোৱাৰ ঐতিহাসিক পৰম্পৰাটো বিচাৰ কৰি চোঁৱা যাওক। অপ্ৰিয় হ'লেও কবলৈ বাধ্য যে ৰাজহুৱা ভাৱে সদৰি নকৰিলেও আমাৰ বহু শ্ৰদ্ধেয় ব্যক্তি ডঃ লীলা গগৈৰ এই অনৈতিহাসিক চিন্তাৰ সক্ৰিয় অংশীদাৰ। বৃহৎ অসমীয়া সমাজখনৰ বৃহৎ অংশ জনসাধাৰণৰ দাৰিদ্ৰ্য আৰু দুঃখ বঞ্চনাৰ সমস্যাক আওকান কৰি আধুনিক কালৰ আমাৰ অগ্ৰজ আহোম চিন্তাবিদে কেৱল আহোমৰ পূৰ্বৰ গৌৰৱ সুঁৱৰি কেনে বিননি তুলিছিল চাওক: "আগৰ প্ৰবল প্ৰতাপান্বিত আহোম জাতি বৰ্গৰ জয়জয় ময়ময় অৱস্থা ক্ৰমাৎ শোক-লগাকৈ জয়পৰি যোৱা দেখি মোৰ প্ৰাণে অন্তৰে অন্তৰে কাহানিবাৰে পৰা উচুপি উচুপি কান্দি আহিছিল। আগৰ দিনৰ অসমীয়া জাতিৰ গৌৰৱৰ মূল শক্তি আহোম জাতিয়ে খহকাত জয়পৰা ডুবৰি বনৰ দৰে পুনৰুপি ঠন ধৰি উঠি কেনেকৈ আৰু কি উপায়েৰে মূৰ দাঙি উঠিব পাৰিব, সেই বিষয়ক ভাৱনা মোৰ অন্তৰত বকুবকুকৈ উত্তলিবলৈ ধৰিলে। সেই ভাৱনাৰ প্ৰেৰণাত ক্ষন্তেক মানো ৰ'ব নোৱাৰি মই অনতিপলমে উপায় চিন্তি উলিয়ালো" (পদ্মনাথ গোহাঞি বৰুৱা' মোৰ সোঁৱৰণী, পৃঃ ৪৭)। উপাই বিচাৰি গোহাঞি বৰুৱাই কেইজনমান আহোম জাতিৰ লগ হৈ ১৮৯৩ চনৰ ১৩ মে তাৰিখে শিৱসাগৰত আহোম এচচিয়েচনৰ জন্ম দিয়ে। অসমীয়া জাতিৰ



ঠাইত আহোম জাতিৰ উন্নতি এইসকলৰ ৰাজনৈতিক লক্ষ্য হৈ পৰিল। কেৱল সেয়ে নহয় আহোম জাতিৰ অধোগতিৰ মূল কাৰণ আৰু উন্নতিৰ প্ৰধান অন্তৰায় স্বৰূপে অনা-আহোম সম্প্ৰদায় সমূহকে চিনাক্ত কৰা হ'ল। পদ্মনাথ গোহাঞি বৰুৱাৰ বিশ্লেষণ চাওক:

"তাৰ অলপ পূৰ্বতে ডুপৰ—ধূৰুজৰ দৰে জ্বলি থকা জাতিটো একেবাৰে জঁয় পৰিল; পূৰ্ব্ব-গৌৰৱ আহোমৰ মানত সপোনৰ কথা যেন লগা হ'ল। বহুত ওখৰ পৰা হঠাৎ খহি মাটিত পৰিলে মৰামুছা অৱস্থা ঘটাটো আচৰিত নহয়, কিন্তু তেনে অৱস্থাত আনৰ পৰা বিশেষকৈ আগৰ অনুগৃহীত লোকৰ পৰা পুতৌ নোপোৱাটোহে অতি আচৰিত। আহোম ৰাজৰ দ্বাৰাই প্ৰতিপালিত, আহোম স্বৰ্গদেৱ প্ৰদত্ত মান-মৰ্য্যাদাৰে বিভুষিত আহোম ৰজা দিনীয়া বিষয়াৰ সতি সন্তানে আপদত সহানুভূতি দেখুৱাই আহোমৰ মান-গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ চাওক চাৰি আহোমৰ পূৰ্বৰ গৌৰৱ ঢাকি থৰি পাৰ্য্যমানে পৰৰ আগত সিবিলাকক অৱজ্ঞা কৰিবলৈ ধৰিলে। "......... ...দিনক দিনে আহোম হতশ্ৰী হৈ ইতৰ প্ৰজা শ্ৰেণীৰো তলত পৰিল, লিচেই তল খাপৰ অসমীয়াইয়ো আহোমক ঘিনাবলৈ ধৰিলে; এনে কি আহোমে 'আহোম' বুলি চিনাকি দিবলৈ লাজ পোৱা হল, নিজৰ অতীত গৌৰৱ পাহৰি ধৰ্ম আৰু সমাজ সম্পৰ্কত নিজত্ব হেৰুৱাই পৰৰ নামেৰে চিনাকি দিবলৈ শিকিলে। সেই আপাহতে ওখ খাপৰ হিন্দুৰ অবিচাৰত অস্পৃশ্য হৈ তলপৰি থকা অৱনত সম্প্ৰদায়ৰো কোনো কোনো ওপৰলৈ উঠিল, কোনো আহোমৰ সমনীয়া হ'ল। ৰাজনীতি সম্পৰ্কতো বিদ্যা-বুদ্ধিত আগবঢ়া অপৰাপৰ সম্প্ৰদায়ৰ চতুৰ লোক সকলে আশিক্ষিত তোজা ভেবা আহোমক চাট্ পেলাই ৰজাঘৰ বা চৰকাৰৰ পৰা প্ৰতিপত্তিৰ আগভাগ ভোগ কৰি আগুৱাবলৈ ধৰিলে, আৰু আহোম সম্প্ৰদায় অৱনতিৰ মুখে ক্ৰমাৎ পিচুৱাব লগাত পৰিল" (পদ্মনাথ গোহাঞি বৰুৱা ৰচনাৱলী পৃঃ ৯৩৪)।

এসময়ৰ ৰাজ্যশাসনৰ ৰাঘজৰী ধৰাৰ নষ্টালজিক চিন্তাত গোহাঞি বৰুৱা ইমানেই নিমগ্ন হৈছিল যে "আহোমৰ সুকীয়া উন্নতিক গোটেই অসমীয়া জাতিৰ উন্নতি বুলি ধৰিব লাগিব" (পৃঃ ৯৪৩) বুলি কৈছিল আৰু বৃহৎ অসমীয়া জাতিৰ জাতীয়তাবাদী চিন্তাৰ বিৰোধিতা কৰি আহোম সাম্প্ৰদায়িকতাৰ সমৰ্থনত কৈছিল যে "আহোমৰ শিক্ষিত ডেকা এদলে আপোন পাহৰা হৈ বৃহত্তৰ অসমীয়া জাতি এটা গঢ়িবৰ উদ্দেশ্যে আহোমৰ সাম্প্ৰদায়িকতা বৰ্জন কৰা প্ৰচাৰ কাৰ্য্যত উন্মত্ত ভাবে আগুৱাবলৈ ধৰিলে। ফলত সেই সাম্প্ৰদায়িকতা যিমানেই সেৰেঙা হৈ আহিল, আহোমৰ অস্তিত্ব সিমানেই ম্লান পৰিবলৈ ধৰিলে" (পৃঃ ৯৪১)।

**আহোম এচচিয়েচনৰ লক্ষ্য আছিল কেৱল শিক্ষিত গোষ্ঠীটোৰ বাবে সা-সুবিধা আদায় কৰা। সাধাৰণ ৰাইজৰ দাৰিদ্ৰ্য মোচনৰ কোনো প্ৰচেষ্টা এচচিয়েচনৰ কাৰ্য্যসূচীত পৰিলক্ষিত নহয়। সেয়ে নিৰ্ভিক শিক্ষিত আহোম সকলেই ইয়াৰ বিৰোধিতা কৰিছিল।** কিন্তু সাধাৰণ প্ৰজাৰ দোহাই দি সুবিধা আদায়ৰ প্ৰচেষ্টা অব্যাহত থাকিল। ডঃ লীলা গগৈৰ কিতাপখনে পদ্মনাথ গোহাঞি বৰুৱাৰ সাম্প্ৰদায়িক বক্তব্যতকৈ অধিক একো কোৱা নাই। এই সাম্প্ৰদায়িক চিন্তাৰ পৰম্পৰাটো পাঠকক অৱগত কৰোৱাৰ উদ্দেশ্যেই দীঘলীয়া উদ্ধৃতিটো উদ্ধৃত কৰা হ'ল। প্ৰসঙ্গতে উনুকিয়াব পাৰি যে আহোমৰ পুনৰুত্থানৰ অনৈতিহাসিক সাম্প্ৰদায়িক চিন্তাত গোহাঞি বৰুৱা যিমানেই নিমজ্জিত হৈছিল, অসমীয়া সমাজত তেখেত সিমানেই অৱহেলিত হৈ আহিছিল। "জীৱনৰ শেহছোৱাত তেখেতৰ ৰাজনীতি সাম্প্ৰদায়িকতাত পৰিণত হৈছিল আৰু আহোম সম্প্ৰদায়ক সংখ্যালঘু সম্প্ৰদায় স্বৰূপে গণ্য কৰিবলৈ চেষ্টা কৰাৰ ফলত সাম্প্ৰদয়িক দলাদলিৰ সৃষ্টি হৈছিল। এনেবোৰ কাৰণতে এসময়ৰ তেজপুৰৰ ৰাজনৈতিক নেতা গোহাঞি বৰুৱাই শেষ জীৱনত পূৰ্বৰে পৰাই খাই অহা মান ভাগ হেৰুৱাব লগাত পৰিছিল। আনকি শেহ ছোৱাত মিউনিচিপ্যালিটিৰ কমিশ্যনাৰ পদপ্ৰাৰ্থী হৈও ঘাটিব লগাত পৰিছিল" (পদ্মনাথ গোহাঞি বৰুৱা: লেখক, দণ্ডিনাথ কলিতা, ১৯৪৬, পৃঃ ৪১-৪২)

আজীৱন বৃটিছ সাম্ৰাজ্যবাদৰ দাস্য-ভক্তিত ডুবি থকা গোহাঞি বৰুৱা আৰু তেখেতৰ অনুগামী সকলে আহোম সকলৰ দুৰ্দ্দশাৰ বাবে সাম্ৰাজ্যবাদী নীতিৰ ভয়াবহতা অনুভৱ কৰিবলৈ অপাৰগ হৈ অনা-আহোম সম্প্ৰদায়কে শত্ৰু হিচাবে চিনাক্ত কৰিছিল। ৰাজ্যধন পৰহস্তগত হোৱাৰ পিচতো এসময়ৰ আহোম ৰজাৰ প্ৰজাৰ সতি-সন্ততি সকলে আহোমৰ ডা-ডাঙৰীয়া সকলৰ সতি-সন্ততি সকলৰ "মান-গৌৰৱ অক্ষুন্ন ৰাখিবলৈ" যত্ন নকৰি কেৱল "সিবিলাকক অৱজ্ঞা

OKDISCD

কৰিবলৈ” হে লোৱাৰ ওপৰিও “অৱনত সম্প্ৰদায়ৰো কোনো কোনো ওপৰলৈ উঠিল কোনো কোনো আহোমৰ সমনীয়া” হোৱাৰ দুঃখত, আৰু “ৰাজনীতি সম্পৰ্কতো বিদ্যা-বুদ্ধিত আগবঢ়া অপৰাপৰ সম্প্ৰদায়ৰ চতুৰ লোক সকলে অশিক্ষিত হোজা ভেৰা আহোমক চাটি পেলাই ৰজাঘৰ বা চৰকাৰৰ পৰা প্ৰতিপত্তিৰ আগভাগ ভোগ কৰি আগুৰাবলৈ ধৰাৰ” আক্ষেপত গোহাঞি বৰুৱা আৰু প্ৰভুখেতৰ সতীৰ্থ আৰু অনুচৰবৃন্দই সাম্প্ৰদায়িক ৰাজনীতিত শৰণ লৈছিল। কোৱা বাহুল্য যে জাতিপ্ৰেমৰ দোহাইদি জাতিৰ বৃহত্তৰ সমূহীয়া স্বাৰ্থক ভৰিৰে ঠেলি ব্যক্তিগত সা-সুবিধা আদায়েই এইসকলৰ সাম্প্ৰদায়িক ৰাজনীতিৰ লক্ষ্য আছিল। সুখৰ বিষয় এয়ে আছিল যে তেতিয়াও গৰিষ্ঠ সংখ্যক আহোম জনসাধাৰণে এটা সংকীৰ্ণ সাম্প্ৰদায়িকতাৰ মুকলি বিৰোধিতা কৰিছিল। (দ্ৰষ্টব্য : ( Political History of Assam, Vol III, P. 293-311 )

এনে সংকীৰ্ণ সাম্প্ৰদায়িক দৃষ্টি কোণ পৰিহাৰ কৰি ঐতিহাসিক সত্যক অনুধাৱন কৰিবলৈ যত্ন কৰা ডঃ হীৰেণ গোহাঁইৰ উপলব্ধি চাওক :

“পুৰন্দৰক কৌশলেৰে অপসাৰিত আৰু অপমানিত কৰি অসমত আহোম ৰাজশক্তিৰ পুনৰুত্থানৰ সম্ভাৱনা ইংৰাজে ৰুদ্ধ কৰিলে তাৰ পিচত ইংৰাজে এনে কিছুমান নীতি ললে য'ৰ ফলত আহোম ডা-ডাঙৰীয়া শ্ৰেণী প্ৰায় সমূলঞ্চে বিনষ্ট হ'ল। ইংৰাজ আমোলত আহোম ডা-ডাঙৰীয়াই পূৰ্বৰ পদ-মৰ্য্যাদাৰ সুবিধা হেৰুৱালে। ই কেৱল ইংৰাজৰ অবিশ্বাস বা সন্দেহৰ বাবে নহয়। **কোম্পানীয়ে প্ৰচলন কৰা নতুন আইন-কানুন, খাজনা তোলাৰ পদ্ধতি অসমত আচহুৱা আছিল। লেখা-পঢ়া, হিচাব-নিকাচ জনা মানুহেহে শীঘ্ৰে তাৰ মোৰ পাইছিল।** আনহাতে দেশ দস্তুৰ মতে আহোম শাসনকৰ্তাই হিচাব-নিকাচ আদি কাম কাকতীৰ হতুৱাই কৰাইছিল। আৰু নিজে প্ৰশাসনৰ সাধাৰণ ( General ) দায়িত্ব পালন কৰিছিল। **সেয়ে নতুন শাসন তন্ত্ৰত আহোম ডা-ডাঙৰীয়াৰ বিশেষ গুণ কোনো কামত নহা হ'ল; আৰু তেওঁলোকৰ ঠাই ক্ৰমশঃ ললে লেখা-পঢ়া জনা কাকতী শ্ৰেণীৰ মানুহে। তাতোকৈ ডাঙৰ বিপদ হ'ল পাইক প্ৰথাৰ আৰু দাস প্ৰথাৰ বিলোপ সাধন।** সামন্তযুগীয় অৰ্থনীতিত ডা-ডাঙৰীয়াৰ পৰিয়াল বোৰৰ ভৰণ-পোষণ হৈছিল খাতপামৰ যোগেদি। খাতপামত প্ৰজাক খটুৱাবলৈ সামন্ত-শাসনত সেই ডা-ডাঙৰীয়া সকলৰ যি অধিকাৰ আছিল ইংৰাজে তাক ৰহিত কৰিলে। আনহাতে সামন্তবাদী মৰ্য্যাদাত অভ্যস্ত আহোম ডা-ডাঙৰীয়াৰ বেহা-বেপাৰ, ধন আৰ্জন আদিত কোনো সামৰ্থ্য নাছিল। **সেয়ে পাইক প্ৰথা আৰু বন্দী-বেটী ৰখাৰ নিয়ম উঠি যোৱাৰ লগে লগে তেওঁলোক ভীষণভাৱে ক্ষতিগ্ৰস্ত হয় আৰু এক পুৰুষৰ ভিতৰতে দৰিদ্ৰ খেতিয়কৰ শাৰীলৈ নামি আহে। ( সাহিত্য আৰু চেতনা, পৃঃ ১৬,১৭ )।**

জাতিদম্ভৰ গজদন্তমিনাৰত উঠি ৰাউচি জোৰা পৰিবৰ্তে তলৰ বোকা-পানীৰ সমাজখনৰ মাজৰ পৰা অসমীয়া মধ্যবিত্ত সমাজৰ উত্থানৰ আঁত বিচাৰোঁতে ডঃ গোহাঁয়ে উক্ত ঐতিহাসিক বাস্তৱ উপলব্ধি কৰিবলৈ সমৰ্থ হৈছে। আমি আগেয়েই কৈ আহিছো যে বাস কৰা সমাজ সম্পৰ্কে থকা ঐতিহাসিকৰ মৌলিক দৃষ্টিভঙ্গয়েই তেখেতৰ ৰচনা সমূহৰ বক্তব্যৰ চৰিত্ৰও নিৰ্ণয় কৰে।

প্ৰসঙ্গত উনুকিয়াই দিয়া বোধকৰো উচিত হ'ব যে বন্দী-বেটী মুক্তিৰ পৰা ডঃ গোহাঁয়ে উল্লেখ কৰাৰ দৰে কেৱল আহোম ডা-ডাঙৰীয়া সকলেই নহয় সামন্ত অৰ্থনীতিত বৰ্ত্তি থকা অনা-আহোম বিষয়া আৰু পৰিয়াল সমূহো সমানেই ক্ষতিগ্ৰস্ত হৈছিল। এই ব্যৱস্থাৰ বিৰুদ্ধে “কামৰূপৰ সকলো মহন্ত ও ব্ৰাহ্মন একত্ৰ হৈ অযুত শিৱপূজা কৰি অশ্বক্ৰান্তত জমা হৈ পূৰ্ব্বমত দাসদাসী ব্ৰহ্মোত্তৰ বাহাল ৰাখাৰ প্ৰাৰ্থনাই ১০০০ একহাজাৰ কেতা দৰখাস্ত জিন কিন্সন কমিচনৰ সাহেবৰ” ওচৰত দাখিল কৰিছিল। (সদৰামীনৰ আত্মজীৱনী, পৃ ৪০-৪১)। হৰকান্ত সদৰামীনেও খোলাচা চিত্তেই চাহাবৰ আগত অনুনয় বিনয় কৰি কৈছিল যে সেই ব্যৱস্থাৰ ফলত “আমালোকৰ জাতকোল মান-মৰ্য্যাদা সকল গৈছে” (ঐ.পৃ.৭২)। মনিৰাম দেৱানেও মিল চাহাবৰ ওচৰত দাখিল কৰা আৰ্জিত বিষাদ বিমৰ্ষ হৈ লিখিছিল যে বন্দীবেটীবোৰ মুকলি কৰি দি আৰু লগুৱা-লিকচৌবোৰ কাঢ়ি নিয়াৰ ফলত “যি বিলাকৰ পূৰ্ব্বপুৰুষ সকলে কস্মিন কালেও হাল কোৰ নেবাইছিল বা ভাৰ নবৈছিল, সেই বিলাকক এতিয়া এনে গহিত কাম কৰিবলৈ বাধ্য কৰোৱা হৈছে” ( বেনুধৰ শৰ্মা মনিৰাম দেৱান, ১৯৬৬ পৃঃ২৩৬)।

পৰিবৰ্তিত পৰিস্থিতিত নিজকে খাপ খুৱাই লোৱাৰ পৰিবৰ্তে সামন্ত যুগীয় বংশ গৌৰৱকে চোবাই-পাগুলি বৰ



মানুহ বোলাই ফুৰা সকলক পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সেই তাহানিৰ দ্বিতীয় বছৰ ‘জোনাকী’ত প্ৰকাশিত “বংশ গৌৰৱ” নামৰ প্ৰবন্ধত বেছ কঠোৰ ভাৱেই সঁকিয়াই দিছিল ( ৰচনাৱলীৰ ৪৬৬-৬৮ পৃষ্ঠাত চাওক )।

উক্ত পৰিবৰ্ত্তিত ঐতিহাসিক পৰিস্থিতিত লাহে লাহে আহোম যুগৰ পৰ-নিৰ্ভৰশীল সামন্ত জীৱন-যাত্ৰাৰ ঠাইত চাকৰি আৰু ব্যৱসায় আৰ্থিক আৰু সামাজিক প্ৰতিপত্তিৰ একমাত্ৰ বিকল্প পন্থা হিচাবে পৰিগণিত হৈছিল। পৰম্পৰাগত ভাৱে বংশানুক্ৰমে লেখা-পঢ়া ধৰণৰ শিক্ষা-দীক্ষাৰ পৰা আঁতৰি থকা সকল এই নতুন ব্যৱস্থাত অনাগতীয়াল বুলি বিবেচিত হ'ল। এসময়ত ৰাজবংশ আৰু ক্ষমতাশালী ৰাজবিষয়াৰ ছত্ৰ-ছায়াত থাকি যি সকলে লেখা-পঢ়া জাতীয় কামৰ আঁজ মাৰিছিল। নতুন ব্যৱস্থাত সেই সকলৰ বিদ্যাবুদ্ধি অমূল্য মূলধন হিচাবে স্বীকৃত হল। সমগ্ৰ ৰাজ্য আৰু ৰাইজেই যেতিয়া ব্যক্তিগত সম্পত্তি সদৃশ আছিল, ৰাজপৰিয়ালত সঞ্চয়ৰ প্ৰয়োজনীয়তাই অনুভৱ নহৈছিল। **চাকৰিৰ বাবে এওঁলোকৰ শিক্ষা-বিদ্যাও নাছিল আৰু স্মৃতিত জীৱন্ত হৈ থকা সামন্ত সম্ভ্ৰমে “পৰাধীন” চাকৰিৰ স্পৃহাও দমাই ৰাখিছিল। সেয়ে বৃটিছে উপযাচি দিয়া পেঞ্চন পুৰন্দৰে প্ৰত্যাখান কৰি স্বাধীনোচিত কামেই কৰিছিল। কিন্তু তেখেতৰ পুত্ৰ পাৰনাতিয়ে উনৈশ শতিকাৰ শেষৰ ফালে পেন্সনৰ টকা কেইটাৰ কাৰণে হাহাঁকাৰ কৰি উঠিছিল।**

দুটামান উদাহৰণ দিয়া সমীচিন হব। বিশ্বাস কৰিবলৈকে টান লাগে যে ৰাজ্যচ্যুৎ হোৱাৰ অৰ্দ্ধ শতাব্দীৰ ভিতৰতে তুংখুঙ্গীয়া ফৈদৰ কন্দৰ্পেশ্বৰ সিংহৰ মাক লক্ষ্মীপ্ৰিয়া আৰু পত্নী কমলাপ্ৰিয়াক গুৱাহাটীত বসবাস কৰিবৰ বাবে আনে ঘৰ-মাটি যোগাব কৰি দিব লাগিছিল ( সদৰামীনৰ আত্মজীৱনী, পৃঃ ১৪৫ ) আৰু তুংখুঙ্গীয়াৰে ঘনকান্ত সিংহৰ মৃত্যুত অন্ত্যেষ্টি ক্ৰিয়াৰ খৰচৰ বাবে তেওঁৰ পত্নী পদ্মেশ্বৰীয়ে হৰকান্ত সদৰামীনৰ পৰা চাৰিশ টকা ধাৰে লৈহে মৃতকৰ মুখৰ চুৰা ছাঁই-মাকতি গুচাব লগাত পৰিছিল (ঐ, পৃ ১১৫)। ১৮৩৮ চনত ৰাজ্য যোৱা ৰজা পুৰন্দৰ সিংহৰ নাতি কন্দৰ্পেশ্বৰ সিংহই ১৮৫৭ চনৰ বিদ্ৰোহৰ আগতে ৰাহাদুৰ গাওবুঢ়া আৰু ফৰ্মুদ আলিৰ হতুৱাই স্থানীয় ব্যৱসায়ীৰ ঘৰত সোণৰ গঢ়না বন্ধক ৰাখিহে পৰিয়াল চলাব লগা হৈছিল ( A Glimpse of Assam U.N. Baroah, 1946, p. 49 )।

ৰাজবংশৰেই যেতিয়া এনে দশা হৈছিলগৈ, বাকী তলতীয়া ডা-ডাঙৰীয়া সকলৰ অৱস্থা পাঠকৰ সহজেই অনুমেয়। চাকৰি আৰু ব্যৱসায়-বাণিজ্যৰে ধন আৰ্জন আৰু সঞ্চয়ৰ যোগেদি যেতিয়া সামন্ত শাসনৰ আমোলত “অনুগৃহীত” “ইতৰ আৰু অনুন্নত” মানুহবোৰ বিত্তবান আৰু প্ৰতিপত্তিশালী হৈ উঠিল, কেৱল আহোমেই নহয় সামন্ত সম্ভ্ৰমৰ গজদন্ত মিনাৰত উঠি থকা সকলো শ্ৰেনীৰ মানুহৰ বাবে এসময়ৰ “সৰু মানুহ” বুলি নিন্দিত এই নতুন ধনী শ্ৰেণীটো তেওঁবিলাকৰ দুৰ্দশাৰ একনম্বৰী শত্ৰু হেন বিবেচিত হ'ল। এই অহেতুক শত্ৰুতা পৰৱৰ্তী কালত সময়ে সময়ে বিস্ফোৰিত হৈ থাকিল। স্বাধীনোত্তৰ কালত অসমত অ বি চি ৰাজনীতিৰ জয়যাত্ৰাৰ উৎস আৰু প্ৰেৰণাও এই অনৈতিহাসিক শত্ৰুতা। পূৰ্বৰ অৰ্থনৈতিক গাঁথনি আজি আৰু নাই। নতুন পুঁজিবাদী ব্যৱস্থাত সকলো সম্প্ৰদায়ৰে শতকৰা নৱৈজনেই আজি আৰ্থিক নিৰাপত্তাহীনতাৰ ঘনঘোৰ আন্ধাৰত সন্মুখত ঠেকহীন, কিংকৰ্ত্তব্য-বিমূঢ়। ডঃ গগৈৰ বেলি মাৰ গ'ল ত কেৱল আহোম সম্প্ৰদায়ৰ এই নষ্টালজিক ক্ৰোধ তেখেতৰ চিন্তাৰ বিভ্ৰান্তিৰ বাবে অনা-আহোম বিৰোধৰ বিদ্বেষ হিচাবে ধ্বনিত হৈছে। বাকীবোৰ সম্প্ৰদায়ৰ শতকৰা নৱৈজনৰ দুখ-দুৰ্দশাক তেখেতে সংকীৰ্ণ জাতিদম্ভৰ মোহত অন্ধ হৈ সূৰ্যৰ পোহৰত তৰা নমনাৰ দৰে মাথোন মনিব পৰা নাই।

উক্ত অনৈতিহাসিক শত্ৰুতাৰ বিশ্বক্তিকৰ উদ্দীৰণ ডঃ লীলা গগৈৰ ‘বেলি মাৰ গ'ল, কিতাপ খনৰ পাতে পাতে। গদাধৰ সিংহৰ অন্তিমবাণী বুলি বুৰঞ্জীৰ দোহাই দিয়া “সৰুক বৰ বিষয়া নিদিবি” বোলা বাক্যটোৰ আঠবাৰ আৰু “পথালি ফোটাক বিশ্বাস নকৰিবি” বাক্যটোৰ তেৰ বাৰ পুনৰুক্তি ঘটিছে কিতাপ খনত। **‘সাতঘৰীয়া আহোমৰ” বাদে অনা-আহোমৰ কথা বাদেই অন্য সৰু আহোম পৰিয়ালৰ মানুহো আহোম সামন্ত তন্ত্ৰৰ উচ্চ বিষয়-বাবৰ বাবে আলায়িক আৰু বিশ্বাসৰ অযোগ্য। ব্ৰাহ্মণ-মহন্ত সকল বিশ্বাসৰ চাৰিচাপৰ বাজ কিন্তু এই সকলৰ পৰিকল্পিত ষড়-যন্ত্ৰই হেনো আহোম ৰাজত্বৰ পতনৰ মুল কাৰণ।** কিন্তু স্বৰ্গদেৱ চুডাংফা, কনচেং বৰপাত্ৰ গোহাঁই, মোমাই তামুলী বৰবৰুৱাৰ বিষয়ে ডঃ গগৈয়ে কি ক'ব? সৰু ডাঙৰৰ হিচাবটো উলিয়াই দিয়াৰ দায়িত্ব সহজে পালন কৰিব পৰা যাব যদিহে ডঃ গগৈদেৱে উৰাই ঘুৰাই বুৰঞ্জী পঢ়ি পোৱা সাতঘৰীয়া

OKDISCD

আহোমৰ মূল পৰিয়াল সাতোটাৰ নামৰ তালিকাখন ৰাজ-হুৱাকৈ প্ৰকাশ কৰি দিয়ে। আশাকৰো ডঃ গগৈয়ে তালিকাখন প্ৰকাশ কৰি সংসাহৰ পৰিচয় দিব পাৰিব। আৰু

**গদাধৰ সিংহৰ উপদেশ বাণী বুলি কোৱা বাক্য কেইষাৰ থকা বুৰঞ্জীখন, প্ৰকাশিতেই হওক বা অপ্ৰকাশিতেই হওক বুৰঞ্জীখনৰ ৰচনা কাল আৰু লিখকৰ সম্ভাব্য পৰিচয়ৰ তথ্যপাতি ৰাজহুৱাকৈ প্ৰকাশ কৰি দিবনে? অসম বুৰঞ্জীৰ নামত চলাই থকা ভুৱাপ্ৰবঞ্চনাই আমাক আৰু আমুৱাইছেগৈ।**

আমি আগতে উল্লেখ কৰা ঐতিহাসিক ক্ৰোধৰ স্ফুলিঙ্গ ইমানেই তীব্ৰ হৈছে যে ডঃ লীলা গগৈয়ে নতুন তথ্যকে সৃষ্টি কৰি পেলাইছে। বুৰঞ্জীৰ তথ্যপাতিৰ অক্ষুন্নতাৰ নমুনা চাওক: মৃত্যু অনিবাৰ্য্য বুলি পদ্মনাথ ভট্টাচাৰ্য্যই ভবিষ্যত বাণী নকৰাহলে ৰুগ্ন ৰুদ্ৰসিংহৰ মৃত্যুৱেই নহলহেতেন! "পদ্মনাথৰ এই ভবিষ্যত বাণী ৰজাই কেতিয়াও আশা কৰা নাছিল (পৃঃ ২১)। ৰুদ্ৰসিংহৰ মৃত্যুৰ পিছত "কৃষ্ণৰাম ভট্টাচাৰ্য্য আৰু ফুলেশ্বৰী কুঁৱৰী অসমৰ আকাশত আনচুটা ধুমকেতু, যি ৰাজ্যৰ ঘটনা প্ৰবাহ অবাটেদি বৰলৈ দি নিশ্চিত শুভ পৰিনতিৰ বিহগুটি কইছিল" (পৃঃ ২৬)। "ৰাজেশ্বৰ সিংহৰ অকালতে অপ্ৰত্যাশিত ভাবে মৃত্যু হ'ল "মৃত্যুৰ অন্তৰালত ষড়যন্ত্ৰও থাকিব পাৰে" (পৃঃ ৫৯) কিয়নো চিকিৎসা কৰিছিল বামুন বেজবৰুৱাৰ পুতেক ৰাম আৰু কৃষ্ণই" (পৃঃ ৫০)। দক্ষিণপাটৰ বনমালী বাপু আৰু ৰাম গোসাঁয়ে হেনো অসমক মোগল সাম্ৰাজ্যৰ বুকুত বলি দিবলৈকে ওলাইছিল (পৃঃ ৭১। কীৰ্তিচন্দ্ৰৰ হত্যাৰ অভিযোগত লিপ্ত আছিল "নাৰয়াণ বামুণ, বেজভাণ্ডাৰী লক্ষী বামুন, কামৰূপী শিৱৰাম বামুন, কামৰূপী উমা" আদি (পৃঃ ৮৬)। ৰুদ্ৰসিংহই মায়ামৰীয়া মহন্তক অপমান কৰিছিল কেৱল ব্ৰহ্ম সংহতিৰ সত্ৰাধিকাৰৰ ফুচুলনিতহে (পৃঃ ৯৯)। ব্ৰাহ্মণৰ ষড়-যন্ত্ৰৰ ফলতেই বোলে মায়ামৰীয়া বিদ্ৰোহ হৈছিল যাৰ ফলত হৈছিল "ভায়ে ভায়ে কটাকটি, মৰামৰি" (পৃঃ ১২১)। মায়ামৰীয়া বিদ্ৰোহ সম্পৰ্কে কোনোবা এজন সাহিত্যিক বন্ধুৰ 'পতন্থৰা মন্তব্য'ত থতমত খাই ডঃ গগৈয়ে মায়ামৰীয়া বিদ্ৰোহ সম্পৰ্কীয় যি কুৰিটামান 'কাৰণৰ' ৰ তালিকা দাখিল কৰিছে সেয়া প্ৰাক্‌বিশ্ববিদ্যালয়ৰ অপ্ৰাপ্ত বয়স্ক বুৰঞ্জীৰ ছাত্ৰৰ পৰীক্ষাৰ বাবে যুগুত কৰা টোকাতকৈ কোনো গুণে অধিক নহয়। বিষয়টো বিতৰ্কিত আৰু গভীৰ আলোচনা সাপেক্ষ কাৰণে আমি ইয়াত ভাৱ আলোচনা এৰাই চলিবলৈ বাধ্য।

**মানৰ আক্ৰমনৰ কাৰণে দায়ী কোন? আচলতে প্ৰশ্নটোৰ উত্থাপনৰ ৰীতিয়েই ভুল। বেনুধৰ শৰ্ম্মাই বিচাৰ কৰি বদনক খালাচ দি গৈছে। গগৈদেৱে গবেষণাৰে Review কৰি পূৰ্ণানন্দকো নিৰ্দোষী সাব্যস্ত কৰি দায়ী কৰিছে, 'সৰু মানুহ' সংৰামৰ উচ্চাকাংখ্যাক আৰু হেনো "সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল ৰাঙলী কুঁৱৰীয়ে" (পৃ ১৯৬) পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাসনাৱে** (পৃঃ ১৯০)। এয়ে ডঃ গগৈৰ "গবেষণা লব্ধ" ইতিহাস অধ্যয়ণৰ চমৎকাৰীত্ব!

ডঃ হেৰম্বকান্ত বৰপূজাৰীয়ে তেখেতৰ গৱেষণা গ্ৰন্থত সংক্ষেপতে লিখিছে যে "আপাতত: আহোম ৰাজতন্ত্ৰৰ ৰাজনৈতিক সংকটেই অসমৰ কাৰ্য্যাৱলীত মানবিলাকৰ কাৰণ যেন লাগিলেও অমৰাপুৰৰ ৰাজসভাৰ ব্ৰহ্মপুত্ৰ উপত্যকা পৰ্যন্ত ক্ষমতা বিস্তাৰৰ আকাংখ্যাতহে আচল কাৰণ নিহিত হৈ আছিল" (Assam. In The Days of Compay, P.8)। উনৈশ শতিকাৰ আৰম্ভণিৰে পৰা আহোম ৰাজ্যই আন্ত:ৰাষ্ট্ৰীয় ঐতিহাসিক ঘটনাৱলীৰ প্ৰভাৱৰ পৰা নিজকে আতৰাই ৰাখিবলৈ অসমৰ্থ হৈ আহিছিল এফালে মান আৰু আনফালে বৃটিছৰ ক্ৰমবৰ্দ্ধমান সম্প্ৰসাৰণ নীতিৰ সংঘৰ্ষত অন্তৰ্বৰ্ত্তী ৰাজ্য (Buffer State) হিচাবে অসমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰাৰ সম্ভাৱনাই আছিল। পূৰ্বৰ শক্তি অটুট থকা হলে মান অথবা বৃটিছে আহোম ৰাজ্যক মিত্ৰশক্তি হিচাৱেই বিচাৰিব লাগিলহেতেন। কিন্তু মায়ামৰীয়া অন্তৰ্বিদ্ৰোহত বিধস্ত হোৱা আহোম ৰাজ্যই তেনে সম্ভাৱনাৰ সুযোগ হেৰুৱাইছিল, আৰু সেয়ে বহু আগৰে পৰা কেৱল অজুহাতৰ অপেক্ষাত বৈ থকা মান ৰজাই বদনৰ সাহাৰ্য্য প্ৰাৰ্থনাক বিলম্ব নকৰি বহু বাঞ্চিত সুযোগ হিচাবে গ্ৰহন কৰিছিল। বদনৰ ঠাইত পূৰ্ণানন্দ অথবা ভ্ৰয়োজনাৰ ঠাইত এজনৰ সলনি এজনকে মান ৰাজসভালৈ পঠিয়াই দিয়া হলেও অথবা কোনো নোযোৱা হলেও নিজৰ প্ৰতিৰক্ষাৰ স্বাৰ্থতে মানসকলে অসম আক্ৰমন কৰিলেইহেতেন।

**একেদৰেই পুৰন্দৰৰ ক্ষমতাচ্যুতি কেৱল মনিৰামৰ**



**একক ষড়যন্ত্ৰৰ ফলশ্ৰুতি কিম্বা অনা আহোম বিষয়া বৰ্গৰ বিশ্বাস ঘাটকতাৰ পৰিণতি নহয়। পুৰন্দৰে নিয়মিত ভাবে খাজনা আদায় কৰি থকা হলেও বৃটিছে পুৰন্দৰক ক্ষমতাত ৰখাৰ কোনো প্ৰতিশ্ৰুতিয়েই নাছিল।** আচৰিত ভাবে, জন্মৰ আগতেই পুৰন্দৰৰ ৰাজ্যৰ মৃত্যুৰ লক্ষ্য নিৰ্দ্ধাৰিত হৈ আছিল। কেৱল অসমৰ প্ৰকাশিত অপ্ৰকাশিত বুৰঞ্জীবোৰ উৰাই ঘূৰাই পঢ়িলেই ইতিহাসৰ এইবোৰ প্ৰশ্নৰ উত্তৰ পোৱা নাযায়।

মূল জুমুঠিটোৰ চেহেৰাই যেতিয়া এনেদৰে বিকৃত কথন ৰীতিৰ কলা সুলভ বোল আৰু আনুষঙ্গিক সাজসজ্জাৰ আলোচনা পণ্ডশ্ৰমৰ নামান্তৰহে হব।


## সত্য ৰেষ্টুৰেণ্ট

এ, টি, ৰ'ড। যোৰহাট-১

চাহ, পৰঠা, আৰু বিভিন্ন মিঠাইৰ উৎকৃষ্ট প্ৰতিষ্ঠান
পৰীক্ষা প্ৰাৰ্থনীয়!

## জৰ্দা ঘৰ

চক বজাৰ, যোৰহাট-১

জৰ্দা, পান-মছলা, মিঠা আৰু বাংলা পানেৰে
আপোনাক আমি মুহুদি যোগাওঁ।
পৰীক্ষা প্ৰাৰ্থনীয়।


প্ৰত্যাশা আৰু প্ৰাপ্তি (১১ পৃষ্ঠাৰ পিছৰ পৰা)

**কথাটো যিদৰে আদৰণীয়, একেদৰে প্ৰয়োজনীয় ৰাজ্যখনৰ কুটিৰ আৰু ক্ষুদ্ৰ শিল্পৰ সমান্তৰাল উন্নয়ন, যাতে সমাজৰ সাধাৰণ স্তৰৰ লোকেও তাৰ সুবিধা ভোগ কৰিব পাৰে।**

অসমৰ ৰাজ্যিক খণ্ডৰ দুটা উদ্যোগ— অশোক কাগজকল আৰু মৰাপাট কল—ভূলনীতি আৰু কুপৰিচালনাৰ ফলত মৰণমুখী হৈছিল। ইয়াক পুনৰ্জীবিত কৰাৰ প্ৰস্তাবো বহুপ্ৰত্যাশিত অসমচুক্তিত অন্তভূৰ্ক্ত হৈছে। চুক্তি অবিহনেও এনে এটি ব্যৱস্থা অপৰিহাৰ্য হৈ পৰিছিল। এই প্ৰসংগতে উল্লেখ কৰা উচিত হ'ব যে ভুলনীতিৰে পৰিচালিত হোৱা বাবে অসমৰ কেবাটাও উদ্যোগ ৰোগাগ্ৰস্ত হৈ পৰিছে; বহুতো নিগম, কোম্পানী ৰগাহাতীলৈ পৰ্যবাসিত হৈছে। বহুততে লোকচানৰ মহাপয়োভৰ—ৰাজ্যিক বিদ্যুৎবোৰ্ড, পৰিবহন নিগম আদি তাৰেই উদাহৰণ। এনেবোৰ কথালৈ সঠিকভাবে চকু দিব নোৱাৰিলে কেৱল কেন্দ্ৰৰ সাহায্যতে বৰ্ত্তি থাকিব খুজিলে উদ্যোগ স্থাপনৰ সুফল আশা কৰাটো বৃথা। ৰাজ্যিক খণ্ডৰ কাগজ কল, মৰাপাট কল আদিক পুনৰৰ্জীবিত কৰিবলৈ দিয়া সাহায্যক অভাবনীয় প্ৰাপ্তি হিচাপে গণ্য কৰাৰ কাৰণো নেদেখো। কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ৰাজ্যত ৰুগ্ন উদ্যোগক বচাবলৈ সাহায্য দিয়াৰ অনেক দৃষ্টান্ত আছে।

অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত অসমচুক্তিৰ উল্লেখনীয় দিশটো হ'ল অসমৰ দ্ৰুত আৰু সৰ্বাঙ্গীন উন্নতি সাধনৰ কেন্দ্ৰীয় চৰকাৰে দিয়া প্ৰতিশ্ৰুতি। তাৰ সুফল যাতে থলুৱা লোকে লব পাৰে তালৈ সতৰ্ক দৃষ্টি ৰখাৰ আৱশ্যক হব। বিনিয়োগৰ বাবে মঞ্জুৰ কৰা পুঁজিৰ যাতে সঠিক আৰু সদ্ব্যৱহাৰ হয় আৰু থলুৱা স্বাৰ্থ ৰক্ষাকাৰী নীতি প্ৰৱৰ্ত্তিত হয় তাক নিশ্চিত কৰিব লাগিব। তাকে কৰিব নোৱাৰিলে প্ৰতিশ্ৰুতি, প্ৰত্যাশা আৰু প্ৰাপ্তিৰ মাজৰ ফাঁকটো কোনোদিনেই হ্ৰাস নহব।

OKDISCD

গল্প

# টোপনি ভঙাৰ মেলা

জিতেন শৰ্ম্মা

আমাৰ গাঁৱৰ কনমান দাইটিয়ে প্ৰায়েই কয় সৰুৰে পৰাই বোলে মই বৰ এলেহুৱা আছিলো। লগৰ লগৰীয়াবোৰে যেতিয়া লৰি-ধাপৰি খেলি ফুৰে মই বোলে জুপুকা মাৰি বহি আকাশ-পাতাল ভাবিহে আছিলো। হওঁতে কথাটো মোৰো মনত ধৰে। সৰু কালৰ স্মৃতিৰ কথা এৰিলেও আজি আঠাইছ বছৰ বয়সতো মোৰ বৰ এলাহ। উঠি-লৰি ফুৰিবৰ বৰকৈ মন নেযায়। কাম-বন কৰাতো দূৰৰে কথা কেৱল চকুমুদি শুই থাকিবৰ মন। অনন্তকাল যেন শুইয়েই থাকিম। কোনো ভাৱ নাই চিন্তা নাই। কেৱল শোৱা শোৱা আৰু শোৱা।

এই মৰ টোপনিটোৰ বাবেই মই কম যাতনাখনলো ভূগিছো নে? অথচ আজিলৈকে মোৰ শিক্ষা নহ'ল। সদায়েই ভাবো আজিয়েই শেষ, কাইলৈৰ পৰা মই এজন তজবজীয়া কৰ্মঠ পুৰুষ হমগৈ। কিন্তু ক'তা? মোৰ 'কালি'টোতো কাহানিও নাহিল।

আমি সৰুহৈ থাকোতেই আমাৰ দেউতা ঢুকাইছিল। এমা-ডিমা সাতোটাকৈ ল'ৰা-ছোৱালী আয়ে অনেক জেদেনা-উকটি ডাঙৰ কৰিছিল। সাতোটা ভাই-ভনীৰ মধ্যেই আটাইতকৈ ডাঙৰ। মোৰ তলত আৰু চাৰিটা ভাই দুজনী ভনী আছিল। এই সকলোটিয়েই মোক এৰি এৰি থৈ বেলেগাই গুচি গ'ল। বাকী ৰ'ল মাথোন আই। আয়ে মোক নেৰিলে। আইৰ মই বৰ মৰমৰ সন্তান।

মোৰ ভাই-ভনী কেইটাৰো সেই এটাই মাথোন আপত্তি আছিল। মই ঘৰখনৰ বাবে মুঠেই চিন্তা নকৰো। কেৱল শুই শুই কটাও। সিহঁতে উপাৰ্জন কৰি আনি দিয়ে—মই ওপৰতে বহি বহি খাওঁ। গতিকেই এটা এটাকৈ সিহঁতে মোক এৰি এৰি বেলেগ হৈ হৈ গুচি গ'লগৈ।

হওঁতে কথাটো মই এতিয়াহে টং কৰিছো। সিহঁতে ঠিকেই কৈছিল। এতাহতে মই সকলো হেৰুৱালো। শেহত এতিয়া এই ভেটি টুকুৰাহে বাকী আছেগৈ।





অথচ এদিন এইখন ঘৰৰ কি নাছিল? ......গোটেই গাওঁখনৰ ভিতৰতে লেখত লবলগীয়া ঘৰ আছিল আমাৰখন। তিনিখন চোতালেৰে সৈতে প্ৰকাণ্ড হাউলি। পিচফালে কেইবা বিঘা মাটি আগুৰি তামোল-পান, আম-জামেৰে সৈতে নন্দন-বদন এখন বাৰী। আগফালে প্ৰকাণ্ড পুখুৰী। কি নাছিল আমাৰ? এতিয়াও ৰিণিকি ৰিণিকি স্মৃতি ৰোমন্থন কৰো—এখনৰ পিচত এখনকৈ কেনেকৈ গৰু-ম'হৰ গাড়ীয়ে গুটি গুটি ধান আনি আমাৰ আগফালৰ চোতালত দমাইছিলহি।

এতিয়া গাড়ীত নালাগে মোনাত ভৰাই আনিবলৈকো আমাৰ ধানৰ অভাৱ। প্ৰায়েই শুনো, আয়ে ভোৰভোৰাই গালি পাৰে—"এনেকৈ শুই থাকিলে মুখত কোনোবাই ভাত-গাল গুজি দিবহিনে"! কথাটো মোৰ ভাই-ভনী কেইটাইও মোক প্ৰায়েই কৈছিল। কিন্তু কৈ কৈও একো ফল নধৰাত সিহঁতেই এদিন নিজৰ নিজৰ ভাগবোৰ কাটি লৈ লৈ আঁতৰি গ'লগৈ।

বাকী ৰ'লো আই আৰু মই আৰু আমাৰ গৌৰৱময় অতীতৰ সোণালী স্মৃতি। মই সেয়ে আজিকালি প্ৰায়েই শুই থাকো। শুই শুই ৰোমন্থন কৰো অতীতৰ স্মৃতি।

কিন্তু দোষ জানো অকল মোৰ? মৰিবৰ সময়ত দেউতায়েতো আমাৰ ঘৰখনৰ সমস্ত দায়িত্ব মৌজাদাৰ দেউতাহঁতৰ ঘৰত অৰ্পণ কৰি গৈছিল। তেনেহলে?

কণমান দাইটিয়েতো প্ৰায়েই কয়—আমি নিজ চকুৰেই দেখা দেউতাৰাই মৌজাদাৰ দেউতাৰ হাতদুখনত ধৰি থোকা-থুকি মাতেৰে কৈছিল সিহঁতক চাবা, বুদ্ধি ভৰসা নাই। সম্পত্তিৰ লোভত কোনোবাই অনিষ্ট কৰিব।"

অথচ এই মৌজাদাৰ দেউতাহঁতৰ পৰিয়ালেই জানো আমাৰ এই দৰিদ্ৰ অৱস্থাৰ বাবে দায়ী নহয়?

মোৰ এতিয়াও মনত আছে অলপ বুজন হওঁতেই মই যেতিয়া আইৰ সতে মৌজাদাৰ দেউতাৰ ওচৰলৈ গৈ ক'লোগৈ যে 'আমি এতিয়া বুজা হ'লো, আমাৰ সম্পত্তিৰ হিচাব আমিয়েই ৰাখিব পাৰিম' মৌজাদাৰ দেউতাই ঢেক-ঢেকাই হাঁহি দিলে। ক'লে—"এই পিত্‌কজিটোৰ থকা শুনা। ওঠ টিপিলে গাখীৰ ওলোৱা ল'ৰাটোৱে এই বিশাল সম্পত্তিৰ হিচাব ৰাখিব।" চাহপানী খুৱাই আমাক তেওঁ বিদায় দিলে। আহিবৰ সময়ত আইক ক'লে—"তুমি একো চিন্তা নকৰিবা। মাটি যাতে এহাঙিচাও চন নপৰে তাৰ ব্যৱস্থা মই কৰিছো। ওচৰৰ গাওঁখনৰ পৰা মানুহ কেইটামান আনিছো, আধিকৈ সিহঁতকে মাটিখিনি খাবলৈ দিম"।

তাৰ পিচত মোৰ মনত আছে, যেতিয়া ভালকৈ বুজন হওঁতে এদিন আমাৰ সাতোজন ভাই-ভনীয়ে 'আমাৰ সম্পত্তি খিনি চাওগৈচোন বুজি চাবলৈ ওলালো', গৈয়েই বিচুৰ্ত্তি খালোহঁক। দেখিলো ইতিমধ্যে আমাৰ মাটিত, মৌজাদাৰ দেউতাই অনা ওচৰৰ গাওঁখনৰ মানুহ কেইটাই পা-পৰিয়াল লৈ গজগজীয়া হৈ বহি গৈছে, আৰু সিহঁতেই আমাৰ বাৰীৰ পিচচুকৰ পৰা আমি নেদেখাকৈ বাঁহ, মূল্যবান গছ আদি কাটি তহিলং কৰি দিছে।

সেই কথাটোকে লৈ আমাৰ ভাই-ভনী কেইটাৰ মাজত খুট্‌-খাট আৰম্ভ হ'ল। সিহঁতে মোক ক'লে "ডাঙৰ হিচাবে তোমাৰ কৰ্ত্তব্য আছে, তুমি মৌজাদাৰ দেউতাৰ গুৰি লৈ যোৱা আৰু আমাৰ সম্পত্তিৰ পুৰা হিচাব চমজি আহা।" মই ক'লো "ইমান তাৰা-হুৰা কিহৰ। যাম ৰ'হছোন লাহে ধীৰে। সিহঁতেতো আৰু খাই সকলো শেষ কৰিব নোৱাৰে।" সিহঁতে নেমানিলে। ক'লে—"এনেকৈ থাকিলে আমাৰ পৈতৃক ভেঁটিটোও আমি হেৰুৱাম। তাতকৈ আমাক আমাৰ ভাগ-বোৰ দিয়া, আমি বেলেগ হৈ যাওঁ।" মোৰো কিবা বিৰক্তি লাগিল। সকলো ভাগ কৰি সিহঁতক বেলেগ কৰি দিলো।

সিহঁত যোৱাৰ বেছিদিন নৌহওঁতেই সিহঁতৰ কথাৰ প্ৰমাণ মই হাতে হাতে পালো। ইতিমধ্যে মৌজাদাৰ দেউতা ঢুকাল, আৰু তেওঁৰ একমাত্ৰ উত্তৰাধিকাৰী হিচাবে তেওঁৰ একমাত্ৰ জীয়েকে তেওঁৰ আসনখন অধিকাৰ কৰি ৰহিল। মৌজাদাৰ দেউতাৰ আমোলত যিখিনি মাটি খালি হৈ পৰি আছিল আইদেউৰ দিনত তাতো আহি বেলেগ বেলেগ গাৱঁৰ মানুহ ভৰি পৰিলহি আৰু চাই থাকোতে থাকোতেই আমাৰ বাৰী-খনৰ সমস্তকে কাটি-কুটি তহিলং কৰি মানুহবোৰে থকা ঘৰ বনাই ললেহি।

মইনো এতিয়া অকলশৰে কি কৰো। আই এতিয়া বুঢ়ী হ'লহি। কনমান দাইটিয়ে কলেই হ'লনে? মই জানো কমতো দুখত আজিকালি শুই থাকো।

মই কিজানি অনন্তকাললৈকে শুয়েই থাকিলোহেতেন। হঠাৎ যোৱাকালি মাজৰাতি সাৰ পাই গ'লো। চকামকা সপোনত শুনাৰ দৰে শুনিলো, কোনোবাই যেন উচুপি উচুপি কান্দিছে। কিছুপৰ তভক মাৰি উমান ললো। তাৰ পিচত জাপ মাৰি

OKDISCD

মই বিচনাতে চহমহাই উঠি বহিলোঁ। হয় মই ভবা কথাটো-টোৱেই সত্য। উচুপি উচুপি মোৰ আয়েই কান্দিছে।

কিন্তু এই মাজৰাতিখন কি হ'ল আইৰ। সমস্ত হেৰু-ৱাইও গভীৰ দুখৰ যন্ত্ৰণাতো আয়ে এদিনলৈকো হুমুনিয়াহ এটা পৰ্যন্তও কঢ়া মই শুনা নাছিলোঁ। তেনেহলে আইৰ হঠাৎ আজি কি হ'ল? টিপচাকিটো জ্বলাই আইৰ বিচনাৰ ওচৰলৈ উঠি গ'লোঁ।

আইৰ জানো কি হ'ল? মোক মাজনিশা এনেদৰে টোপনিৰ পৰা শুই উঠা দেখি ক্ষন্তেক আচৰিত হৈ মোৰ মুখলৈ চাই ৰ'ল আৰু তাৰ পিছতে মোক দুগুণে আচৰিত কৰি দি চিএগৰি চিএগৰি কান্দিবলৈ আৰম্ভ কৰিলে। আইৰ উচুপনি এইবাৰ বিননিত পৰিণত হ'ল।

আইক যিমানে নিচুকাবৰ চেষ্টা কৰিলোঁ আইৰ বিননি সিমানে বাঢ়ি গৈ থাকিল। মই বিব্ৰত হ'লোঁ। এতিয়া মই কি কৰোঁ। এই মাজৰাতিখন মই কাৰ ওচৰলৈ যাওঁ।

কনদাইটিয়ে মোক সদায় শুই থকাই দেখে। আজি যদি এই অৱস্থাত মোক দেখিলেহেঁতেন। মাজৰাতি টোপনিৰ পৰা উঠি এনেকুৱাকৈ মই বিবৰ্ণ হৈ থিয় দি আছোঁ।

হঠাৎ বাহিৰত কোনোবাই ফুচফুচাই মতা যেন পালোঁ। এই মাজৰাতিখন কোননো ওলালহি। তেতেহে কণদাইটিয়েহে মাতিলে—"বোপাই উঠ। মই দেও-ভূত নহয়, কণবামহে"। উঠি দুৱাৰ খুলি দিলোঁ। কণদাইটি সোমাই আহিল। তেওঁ ক্ষন্তেক বৈ বিনাই থকা আইৰ মুখলৈ চালে। তাৰ পিচত মোক বাৰান্দালৈ টানি লৈ আহিল।

আন্ধাৰত থিয় হৈ কণদাইটিয়ে মোক ক'লে—"বোপাই আয়েৰৰ এই কান্দোন আজিৰ নহয়, সদায়েই মাজৰাতি উচুপি উচুপি আয়েৰাই কান্দে। টোপনি স্বালত তই শুনা নাপাৱ। আজি তই শুনিলি বুলিহে।" তেওঁ মোক আকৌ ক'লে—"তই পিচে ঠিক সময়তে সাৰ পালি, নহলে ৰাতিটো পুৱালে সৰ্বনাশেই হ'লহেঁতেন। শুন, মন দি শুনি ল, তইঁতৰ এই ঘৰ মাটি মৌজাদাৰণী আইদেয়ে সেই পমুৱা কেইটাৰ ওচৰত বিক্ৰী কৰিবৰ ঠিক-ঠাক কৰিছে। কাইলৈ পুৱাতে সিহঁতে দখল লবলৈ অহাৰ কথা। সেয়েহে আয়েৰাই আজি এনেকৈ কান্দিছে।"

কণদাইটিয়ে আৰু কিবাকিবি কৈছিল মোৰ শেষবোৰ একো মনত নোসোমাল। মোৰ মাথোন এটাই চিন্তা হ'ল, 'আমাৰ সকলো নিও সিহঁত তাৰমানে সন্তুষ্ট নহল, শেহত আমাৰ ভেটি মাটিখিনিও সিহঁতক লগা হ'ল।'

মোৰ টোপনিৰ জড়তা একেবাৰে নোহোৱা হ'ল। —এৰা ইমানদিনে শুই থাকি মই বৰ অন্যায় কৰিলোঁ। মই এলাহ নকৰা হলে মোৰ সম্পত্তি এনেদৰে অন্যই ভোগ কৰিব নোৱাৰিলেহেঁতেন। মোৰ এৰি যোৱা ভাই-ভনী কেইটালৈ মনত পৰিল। আজি যদি ওচৰত সিহঁত থাকিলেহেঁতেন। পোনছাটেই ঘৰৰ ভিতৰলৈ আহিলোঁ। আইৰ বিচনাৰ ওচৰৰ পৰা টিপচাকিটো দাঙি ললোঁ, তাৰ পিচত মোৰ মূৰশিতানৰ ফালে বেৰখনলৈ চালোঁ। মোৰ পিতৃপুৰুষৰ দিনৰে পুৰণি মেচিদাখন বেৰতে ওলোমাই থোৱা আছিল। লাহেকৈ সেই খন নমাই হাতত ললোঁ। এৰা, টোপনিত থাকোতেই সিহঁতে আমাৰ বহুত অন্যায় কৰিলে।

হাতত মেচিদাখন লৈ আইৰ ওচৰলৈ গ'লোঁ। আইক আঠুকাঢ়ি সেৱা কৰিলোঁ। হঠাৎচোন আইৰ বিননি বন্ধ হ'ল। মই মূৰ দাঙি চালোঁ। দুটোপাল চকুপানী টপ্ টপ্ কৈ মোৰ শিৰত পৰিলহি। আয়ে গম্ভীৰ মাতেৰে ক'লে—"বোপাই তই বুজা নাই, দোষ সেই আঁধি খোৱা পমুৱাকেইটাৰ নহয়, সিহঁতক আনি আমাৰ মাটিত নিগাজী পট্টা দিয়া মৌজাদাৰৰ ঘৰৰ মানুহবোৰহে।" কথাতো গমি চালোঁ। 'হয়তো, সিহঁতৰ-নো কি দোষ, মৌজাদাৰৰ ঘৰৰ মানুহে সিহঁতক য'তে বহুৱাইছে সিহঁত তাতে বহিছে। আমাৰ আচল শত্ৰু এই আশ্ৰয়দাতাবোৰহে। মৌজাদাৰণী আৰু ইতিমধ্যে মৌজাদাৰ হওঁ হওঁ হোৱা তেওঁৰ ডাঙৰ পুতেকটোৰ কঠুৱা মুখ দুখন মোৰ চকুৰ আগত ভাহি উঠিল। দাখন জোৰেৰে মুঠিমাৰি ললোঁ।

মেচিদাখন হাতত লৈ মই দুৱাৰদলিত থিয় দিলোঁহি। দূৰলৈ চালোঁ, ফেহুজালি দিছে। হঠাৎ কাৰোবাৰ পদশব্দত চমকি উঠিলোঁ। তাৰমানে সিহঁত আহিল। কিন্তু এয়াতো মোৰ নিচেই চিনাকী পদধ্বনি। স্পষ্টকৈ দেখিলোঁ—ঘৰ এৰি গুচি যোৱা মোৰ ভাই-ভনী কেইটা। আইৰ কান্দোন শুনি সিহঁতো ৰব নোৱাৰিলে।

হাতত ধৰাধৰিকৈ আমি সাতোজনে আমাৰ অনাগত শত্ৰুলৈ পথ দি ৰলোঁ।

# আগন্তুক নিৰ্বাচন আৰু বিপাক্ষিক মতামত

[ এই কথা প্ৰত্যক্ষ যে 'অসম চুক্তি' সম্পাদিত হোৱাৰ পাছ মুহূৰ্ত্তত, অসমৰ ৰাজনৈতিক আকাশত যি ধতাহ বলিবলৈ ধৰিছে, সেয়া সম্পূৰ্ণ নিৰ্বাচনমুখী। সকলো ৰাজনৈতিক দলৰ মাজতেই দেখা গৈছে নিৰ্বাচনী যুঁজৰ আখৰা। আনকি সদৌ অসম ছাত্ৰ সন্থাকে আদি কৰি অসমৰ জনসাধাৰণৰ সাম্প্ৰতিক আশা আকাংখ্যা সমূহ যেন পোত খাই আছে এই নিৰ্বাচনী পৰ্বৰ মাজতেই। অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ এই গতিক প্ৰত্যক্ষ কৰিয়েই আমি "সদৌ অসম ছাত্ৰ সন্থা" আৰু "নাগৰিক অধিকাৰ লোক সংঘ"কে আদি কৰি সকলো বিৰোধী দলৰ কাষ চাপিছিলোঁ, কিছুমান নিৰ্দিষ্ট প্ৰশ্নৰ উত্তৰ বিচাৰি। কেৱল লোকদলৰ সভাপতিয়ে প্ৰশ্নোত্তৰ সমূহ দিয়াৰ ক্ষেত্ৰত দলীয় অসুবিধা দেখুৱায় আৰু চি, পি, এম দলৰ সাধাৰণ সম্পাদকে আশ্বাস দিয়া স্বত্বেও অক্ষম হয়। বক্তব্যৰ অলপো সাল-সলনি নকৰাকৈ সাক্ষাৎকাৰ সমূহ সম্পাদিত ৰূপত প্ৰকাশ কৰা হ'ল। সঃ সাঃ ]

**বিৰোধী দলসমূহৰ আগত ৰখা প্ৰশ্নবোৰ হ'লঃ—**

১। '৮৩ চনৰ অসম বিধান সভাৰ নিৰ্বাচনটো আপোনালোকে কি দৰে মূল্যায়ন কৰিব খোজে? সেইদৰে আগন্তুক নিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত '৮৩ নিৰ্বাচন প্ৰসংগটো কিদৰে উত্থাপিত হোৱাটো বিচাৰে?

২। গনতান্ত্ৰিক ভাবে এক নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ হলে নিৰ্বাচনৰ প্ৰাক্ কালছোৱাত এক গনতান্ত্ৰিক পৰিবেশৰ প্ৰয়োজন। কিন্তু, অসমৰ ক্ষেত্ৰত এইকথা প্ৰত্যক্ষ যে, আন্দোলনৰ সময়ত জাপি দিয়া বিভিন্ন ক'লা আইনকে আদিকৰি পুলিচী নিৰ্যাতন পৰ্য্যন্ত এক অগণতান্ত্ৰিক বাতাবৰণ এতিয়ালৈকে অব্যাহত। গতিকে, এক সুস্থ নিৰ্বাচনৰ খাতিৰত উক্ত অগণতান্ত্ৰিক পৰিবেশটোৰ বিৰুদ্ধে আপোনাৰ দলৰ পদক্ষেপ কি?

৩। 'অসম চুক্তিয়ে' অসমৰ জনসাধাৰণৰ আৰ্থ— ৰাজনৈতিক জীৱনৰ উন্নতিৰ ক্ষেত্ৰত কেনেধৰণৰ অৰিহণা যোগাব বুলি ভাবে? সেইদৰে চুক্তি পত্ৰৰ আধাৰত আপোনালোকৰ দলীয় দৃষ্টিভংগীৰে নিৰ্বাচনী প্ৰচাৰৰ মাজেদি অসমৰ আৰ্থ-ৰাজনৈতিক বিকাশৰ কোনো পৰিকল্পনা ৰাইজৰ আগত দাঙি ধৰিব বুলি থিৰাং কৰিছে নেকি?

৪। ইমানদিন কংগ্ৰেছ (ই) দল হৈ আছিল অসমৰ সংখ্যালঘু সকলৰ ত্ৰাণকৰ্ত্তা আৰু অসমীয়া সকলৰ চকুৰ কুটা। কিন্তু অসম চুক্তিৰ পাছতেই সংখ্যালঘু সকলৰ মাজত প্ৰকাশ পাইছে— নিৰাপত্তাহীনতাবোধ তথা অসহায়তাবোধ। অনাহাতেদি অসমীয়া সকলৰ মাজত তৎক্ষণাৎ প্ৰত্যক্ষ বা পৰোক্ষ ভাবে প্ৰকাশ পাইছে একেই কংগ্ৰেছ (ই) দলৰ প্ৰতি এক গভীৰ আনুগত্য; বিশেষকৈ ৰাজীৱ গান্ধী জিন্দাবাদ ধ্বনিৰ মাজেদি। গতিকে কংগ্ৰেছ (ই) দলৰ এই দুই বিপৰীত অবস্থানক আপোনাৰ দলে আগন্তক নিৰ্ব্বাচনী পৰ্বৰ পৰি-প্ৰেক্ষিতত কিদৰে পৰ্য্যালোচনা কৰিব?

৫। আপোনাৰ দল, আগন্তক নিৰ্বাচনৰ মাধ্যমত চৰকাৰ গঠন কৰিবলৈ সক্ষম হোৱাৰ ক্ষেত্ৰত কিমানদূৰ আশাবাদী? এই ক্ষেত্ৰত আপোনাৰ দলে এককভাবে আগবাঢ়ি যাব, নে অন্যান্য ৰাজনৈতিক মঞ্চৰ লগত লগলাগি যুটীয়া প্ৰচেষ্টা অবলম্বন কৰিব? যদি তেনে ধৰণৰ পৰিকল্পনা আছে আগন্তক নিৰ্বাচনী যুঁজতো কংগ্ৰেছ (ই) বিৰোধী কোনো জোটৰ লগত ঐক্যবদ্ধ হোৱাৰ সংকল্পও আছে নেকি?

OKDISCD



**১নং প্ৰশ্নৰ উত্তৰ সমূহ ঃ**

'৮৩ চনৰ নিৰ্বাচনটোক নিৰ্বাচন বুলিব নোৱাৰি, নিৰ্বাচনৰ নামত এক ভুৱা নাটকহে আছিল। আগন্তুক নিৰ্বাচনত ই এই দৰেই উত্থাপিত হোৱা উচিত।

**[ চক্ৰেশ্বৰ শইকীয়া, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ ।**

'৮৩ ৰ নিৰ্বাচন সম্পূৰ্ণ প্ৰতিকূল বাতাৱৰণ তথা পুলিচ বাহিনীৰ হস্তক্ষেপত অনুষ্ঠিত হয়। হিংসাত্মক পৰিবেশত হাজাৰ হাজাৰ মানুহক মৃত্যুৰ গৰাহলৈ ঠেলিদি ৮৩ চনত যি নিৰ্বাচন হ'ল, এই কথা আগন্তুক '৮৫ ৰ নিৰ্বাচনত অৱশ্যেই উত্থাপিত হ'ব।

**[ গোলাপ বৰবৰা, প্ৰাক্তন মুখ্যমন্ত্ৰী, জনতা পাৰ্টি (অসম শাখা) ৰ সভাপতি ]**

৮৩ চনৰ বিধান সভাৰ নিৰ্বাচনৰ প্ৰক্ৰিয়াটো আছিল নিৰৰ্থক। সেই কাৰণে আমাৰ পাৰ্টিয়ে সংশোধিত ভোটাৰ তালিকাৰ ভিত্তিত নতুন নিৰ্বাচন দাবী কৰিছিল।

**[ প্ৰমোদ গগৈ, সম্পাদক, ভাৰতীয় কমিউনিষ্ট পাৰ্টি, অসম ৰাজ্য পৰিষদ ]**


'৮৩ চনত নিৰ্বাচনেই হোৱা নাই, নিৰ্বাচনৰ প্ৰহসন মাথোঁ। আগন্তুক নিৰ্বাচন গণতান্ত্ৰিক মতে শুদ্ধ; বিধি সন্মত আৰু বাধা মুক্ত হব লাগিব।

**[ শৰৎ চন্দ্ৰ সিংহ, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, সভাপতি কংগ্ৰেছ (স), অসম শাখা ]**

'৮৩ ৰ নিৰ্বাচনটোক কেন্দ্ৰ কৰিয়েই স্বৈৰতান্ত্ৰিক দানবীয় শক্তি আৰু গণতান্ত্ৰিক ৰাইজৰ শক্তি, দুয়ো মুখামুখিহৈ নিজ নিজ সিদ্ধান্ত কাৰ্য্যকৰী কৰিবৰ বাবে থিয় দিছিল। দানবীয় শক্তিৰে অবৈধ ভাবে পুতলা চৰকাৰ অসমৰ ৰাইজৰ ওপৰত জাপি দিলেও নিৰ্বাচন প্ৰতিৰোধ সংগ্ৰামত নৈতিক বিজয় ৰাইজৰেই হ'ল। সেইদৰে, নৈতিক কাৰণতেই আগন্তুক নিৰ্বাচনত চৰকাৰৰ সেই '৮৩ ৰ কু-প্ৰচেষ্টাক দৃঢ় আৰু স্পষ্ট ভাবে উত্থাপিত হোৱা উচিত। অস্ত্ৰ বলেৰে নোৱাৰি এচাম প্ৰতিক্ৰিয়াশীল বহুতীয়া শক্তিৰ সহায়ত স্বৈৰতান্ত্ৰিক চৰকাৰে ৰাইজৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ লগাই ৰাইজৰ ভাঙোন ধৰোৱাৰ কু-প্ৰচেষ্টা সকলোৰে সমুখত স্পষ্ট।

**[ অনিল কুমাৰ বৰুৱা, সম্পাদক, ইণ্ডিয়ান পিপলছ ফ্ৰণ্ট (উত্তৰ পূৰ্বাঞ্চলৰ দায়িত্বত্য) ]**


'৮৩ ৰ নিৰ্বাচন আছিল ভাৰতৰ গণতান্ত্ৰিক জীৱনৰ এটা কলংক'। সম্পূৰ্ণ সামৰিক ব্যৱস্থাৰে অনুষ্ঠিত হোৱা এই নিৰ্বাচনৰ প্ৰসংগটো প্ৰত্যক্ষ ভাবে নহলেও পৰোক্ষ ভাবে আগন্তুক নিৰ্বাচনী প্ৰচাৰৰ যোগেদি উত্থাপিত হোৱা উচিত। সাধাৰণ ৰাইজে বিচাৰ কৰিব লাগিব — '৮৩ ত নিৰ্বাচন পাতি অসমীয়া জাতীয় জীৱনৰ ওপৰত কুঠাৰঘাত হানি, হাজাৰ হাজাৰ মানুহৰ মৃতদেহৰ ওপৰেদি গৈ যি শাসক দল শাসনৰ গাদীত




অহা সংখ্যাৰ বিশেষ আকৰ্ষণঃ

অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু ,ছাত্ৰ সন্থাৰ'
নেতৃত্বত অসমৰ আঞ্চলিক ৰাজনীতিৰ
নতুন প্ৰবাহৰ ওপৰত
বিশেষ পৰ্য্যালোচনা।







থহিল, সেই শাসক দল যদি পুনৰ শাসনলৈ ঘূৰি আহে, তেন্তে অসমীয়া ৰাইজৰ আশা আকাংখ্যা সমূহ বাস্তৱত পৰিণত হ'ব জানো ?

**[ দীনেশ গোস্বামী, শীৰ্ষ স্থানীয় নেতা, অসম জাতীয়তাবাদী দল। ]**

প্ৰকৃতাৰ্থত '৮৩ চনত অসমত নিৰ্বাচন হোৱা নাছিল। অসম বুলিহে এনেকৈ এখন তথাকথিত চৰকাৰ জাপি দিয়াটো সম্ভৱ হৈছিল।

**[ অতুল বৰা, সম্পাদক, পূৰ্ব্বাঞ্চলীয় লোক পৰিষদ। ]**

**২ নং প্ৰশ্নৰ উত্তৰ সমূহ ঃ—**

আমাৰ দলে সকলো ক'লা আইন শীঘ্ৰে বাতিল কৰি গণতান্ত্ৰিক অধিকাৰ সমূহৰ পুনৰুদ্ধাৰৰ দাবী জনাই আহিছে। নিৰ্বাচন ঘোষণা কৰাৰ লগে লগে মুক্ত পৰিবেশৰ ঘোষণা নহ'লে সকলো ৰাজনৈতিক দলৰ এক সমূহীয়া মঞ্চৰ পৰা এই দাবী দৃঢ়ভাবে উত্থাপন কৰাৰ আমি পক্ষপাতী

**[ বি, জে, পি ]**

— ১৪৪ ধাৰাকে ধৰি বিভিন্ন কলা আইন তথা বিভিন্ন ঠাইত পুলিচী নিৰ্যাতন এতিয়াও চলি আছে। এই বিলাক সোনকালে উঠাই লোৱাৰ বাবে আমি দাবী জনাইছো। সেইদৰে গণতান্ত্ৰিক নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সকলো দলে নিৰ্বাচন প্ৰচাৰ মাধ্যমকে আদি কৰি সকলোবোৰ নিৰ্বাচনী সা-সুবিধা সমানে পাব লাগে, সেইটো সুনিশ্চিত কৰিব লাগে।

**[ জনতা পাৰ্টি ]**

নিৰ্বাচনৰ প্ৰাক্ কালছোৱাত এক সুস্থ আৰু গণতান্ত্ৰিক পৰিৱেশ সৃষ্টি কৰাৰ বাবে সকলো দমনমূলক আইন প্ৰত্যাহাৰ কৰা প্ৰয়োজন আৰু পুলিচী নিৰ্য্যাতন বন্ধ হব লাগে। অসম চৰকাৰে এতিয়াও ১৪৪ ধাৰা প্ৰত্যাহাৰ কৰিব বিচৰা নাই। আমাৰ দলে ১৪৪ ধাৰা প্ৰত্যাহাৰৰ দাবী জনায়।

**[ চি, পি, আই ]**

সুস্থ বাতাবৰণ সৃষ্টি কৰিবলৈ চৰকাৰৰ সুব্যৱস্থা আৰু ৰাইজৰ সহযোগীতাৰ প্ৰয়োজন।

**[ কংগ্ৰেছ (স) ]**

কেৱল নিৰ্বাচনৰ প্ৰাক্ কালতেই কিয়, সকলো সময়তে স্থায়ীভাবে ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ, নাগৰিক স্বাধীনতা সম্পূৰ্ণ অক্ষুন্ন থকাটো আমি বিচাৰো। অৱশ্যে নিৰ্বাচনৰ সময়ছোৱাত ইয়াৰ এক বিশেষ গুৰুত্ব আছে। এই সময়ছোৱাই ৰাজনৈতিক ভাবে আটাইতকৈ পিচপৰা মানুহজনৰ ওপৰতো প্ৰভাৱ পেলায়। এই সময়চোৱাত সকলো ৰাজনৈতিকদল তথা সংগঠনে মুক্ত, বাধাহীন ভাবে ৰাইজৰ মাজত সোমাই পৰিবলৈ সমান সুবিধা পাবই লাগিব। যি কোনো অজুহাতত নিষেধাজ্ঞা জাৰি কৰি কেৱল শাসক দলৰ বাবেহে মুক্ত প্ৰচাৰৰ সুবিধা ৰখা, এনে অগণতান্ত্ৰিক ব্যৱস্থাৰ বিৰোধীতা আমি কৰিবই লাগিব। যোৱা লোক-সভা আৰু বিধান-সভাৰ নিৰ্বাচনত, বিহাৰকে আদি কৰি বিভিন্ন অঞ্চলত ১৪৪ ধাৰাৰ অজুহাতত বিভিন্ন সাংস্কৃতিক কৰ্মী তথা গণতান্ত্ৰিক ব্যক্তিক (উদাহৰণ স্বৰূপে বিহাৰৰ শ্ৰী ৰাজাৰাম) গ্ৰেপ্তাৰ কৰি ৰখাৰ দৰে অসমতো গণতান্ত্ৰিক মূল্যবোধক খামুচি ধৰি নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ যি সকলে বিচাৰিব তেওঁলোকৰ ওপৰতো বিভিন্ন প্ৰত্যক্ষ বা পৰোক্ষ বাধা যে আহিবই, সি ধ্ৰুৱপ। গতিকে ইয়াৰ প্ৰতি এতিয়াৰ পৰাই সকলোৰে দৃষ্টি আকৰ্ষন কৰিবলৈ সমাজৰ অগ্ৰণী সচেতন আৰু ৰাইজৰ পক্ষৰ সাংবাদিক, শিল্পী, সাহিত্যিক, অধিবক্তা, শিক্ষাবিদ, চিকিৎসক আদিকলৈ দল নিৰপেক্ষ এক মঞ্চ গঢ়ি তুলিবৰ বাবে আমিও চেষ্টা চলাম।

**[ আই, পি, এফ ]**

এই সন্দৰ্ভত আমাৰ দৰে বিভিন্ন চৰকাৰী মাধ্যমৰ লগত যোগাযোগ কৰিছে যদিও, এতিয়ালৈকে কোনো সহাৰি লাভ কৰিব

OKDISCD

পৰা নাই । ক'লা আইনৰ মাধ্যমেৰে পুনৰ যদি নিৰ্ব্বাচন পতা হয়, তেনেহলে এনেকুৱা এটা অবৈধ চৰকাৰ, যিটো আজিও শাসনৰ গাদীত বহি আছে, তাক পুনৰ শাসনৰ গাদীত বহুৱাই গণতান্ত্ৰিক পৰম্পৰাৰ পৰিপন্থী কাৰ্য্য কৰা হ'ব বুলি ভাবো । [ অসম জাতীয়তাবাদী দল ]

—যঁদি বিভিন্ন ক'লা আইন, পুলিচী নিৰ্য্যাতন আদি অগণতান্ত্ৰিক, জেনেহ'লে বিদেশীৰ লাখ লাখ নাম থকা ভোটাৰ তালিকাৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ যোৱাটো কোন শ্ৰেণীৰ গণতন্ত্ৰ ? [ পি, এল, পি ]

## ৩ নং প্ৰশ্নৰ উত্তৰ সমূহ ঃ

—'চুক্তি'ৰ ভিত্তৰত অৰ্থনৈতিক উন্নয়ণৰ প্ৰতিশ্ৰুতি আছে যদিও, কেন্দ্ৰীয় চৰকাৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীলহৈ থাকিলে বিশেষ লাভ হ'ব বুলি মনে নধৰে । এই ক্ষেত্ৰত প্ৰয়োজন ৰাইজৰ জাগ্ৰত প্ৰচেষ্টা । [ বি, জে, পি ]

—'চুক্তি' খনৰ অন্তৰ্ভূক্ত বিষয় সমূহ সঠিক ভাবে ৰূপায়ণ কৰিলে ৰাজ্যখনৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমস্যা সমাধানৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব পাৰে । [ চি, পি, আই ]

—এই সম্পৰ্কে অৰ্থনীতিবিদ সকলেহে ক'ব পাৰিব । আমি দেখাত চৰকাৰৰ বহুত প্ৰতিশ্ৰুতি, প্ৰতিশ্ৰুতি অৱস্থাতেই মৰহি গৈ আছে । [ কংগ্ৰেছ ( স ) ]

—'চুক্তি' ৰাইজৰ বিজয়ৰ এক সাক্ষ্যৰ । 'চুক্তি'য়ে ৰাইজৰ সংগ্ৰামী চেতনাৰ বিকাশ ঘটালে । কিন্তু অৰ্থনৈতিক দিশত ইয়াৰ পৰা আমি বিশেষ একো লাভৱান যে নহওঁ এইটো ঠিক । [ আই পি, এফ ]

—'চুক্তি' খনে আৰ্থ-ৰাজনৈতিক দিশত পৰিবৰ্ত্তন আনিব পাৰিব । 'চুক্তি' খনে এই কথা স্বীকাৰ কৰিছে—অনগ্ৰসৰ ৰাজ্য হিচাবে অসমৰ ক্ষেত্ৰত বিশেষ চকু দিয়া প্ৰয়োজন । কিন্তু, চুক্তিখন মাত্ৰ এখন কাগজহে । মূলকথা হৈছে চুক্তিখনৰ কাৰ্য্যকাৰীতা । প্ৰয়োজন—অসমৰ ৰাইজে ৰাজনৈতিক ক্ষমতা নিজৰ হাতলৈ অনা । প্ৰয়োজন—আন্দোলন প্ৰদত্ত চেতনাবোধ ৰাজনৈতিক চেতনালৈ পৰ্য্যবসিত কৰা [ অসম জাতীয়তা-বাদীদল ]

—একো ঠিৰাং কৰা নাই । [ পি, এল, পি, ]

—অসম আন্দোলনে অসমৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট বাধা দিছিল । 'চুক্তি'খনে সেইবাট এতিয়া মুকলি কৰিলে । 'চুক্তি'ত কিছুমান প্ৰতিশ্ৰুতি দিয়া আছে । ৮৩' চনৰ নিৰ্বাচনৰ সময়তো ইন্দিৰা-গান্ধীয়ে গোৱালপাৰাত আহি পঞ্চৰত্ন দলংৰ আধাৰশীলা স্থাপন কৰি দলং নিৰ্মাণ কৰোৱাৰ প্ৰতিশ্ৰুতি দিছিল । নিৰ্বাচনো হ'ল, আধাৰশীলা এতিয়াও আছে' কিন্তু দলং নহ'ল । নিৰ্বাচনৰ আগত প্ৰতিশ্ৰুতি দিয়াটো নতুন কথা নহয় । অসমত ৰিফাইনেৰী বা ডাঙৰ উদ্যোগ হ'ব পাৰে । থলুৱা লোকে কেৰাণী-মহৰীৰ চাকৰি পাব । কিন্তু সংখ্যাগৰিষ্ট প্ৰযুক্তিবিদ্যাত অৰ্হতা থকা লোক বাহিৰৰ পৰাই আহিব । গতিকে সমানে প্ৰযুক্তি বিদ্যাৰো বিকাশ ঘটাব লাগিব । কিন্তু অসমৰ মূলসম্পদ হৈছে কৃষি আৰু কুটীৰ শিল্প । কৃষি আৰু কুটীৰ শিল্পৰ বিকাশ ঘটোৱা মূল কথা । তেতিয়াই থলুৱা লোকৰ স্বাৰ্থ পূৰণ হব । [ জনতা পাৰ্টি ]

## ৪ নং প্ৰশ্নৰ উত্তৰ সমূহঃ—

—চুক্তিয়ে সংখ্যালঘু সকলৰ মাজত নিৰাপত্তাহীনতা আৰু অসহায়তাৰ সৃষ্টি কৰিছে আৰু আনফালে 'থলুৱা অসমীয়া সকলৰ মাজত ৰাজীৱ গান্ধী আৰু কংগ্ৰেছ (ই) ৰ প্ৰতি আনুগত্য গঢ়ি উঠিছে' বোলা কথাষাৰৰ লগত আমি একমত নহওঁ ।

[ বি, জে, পি, ]


—এসময়ত ইন্দিৰা গান্ধীয়ে অসমৰ সংখ্যালঘুক লৈ, ক্ষমতা লাভ কৰাৰ কথা ভাবিছিল । এতিয়া হয়তো ৰাজীৱ গান্ধীয়ে ভাবিছে অসমীয়া সকলক লৈ, তেওঁলোকক সন্তুষ্ট ৰাখি । এনে হোৱাটো অস্বাভাৱিক নহয় । আকৌ, অসমীয়া মানুহ বহুখিনি ভাৱপ্ৰৱণ । ভাৱপ্ৰৱণতা জাতিৰ পক্ষে ক্ষতিকাৰক । 'ৰাজীৱ গান্ধীজিন্দাবাদ' ধ্বনি এনেধৰণৰ ভাৱপ্ৰৱণত'ৰে প্ৰতিফলন । আকৌ এনেধৰণৰ ঘটনাও ঘটা দেখা গৈছে যে, কিছুমান ভাৱপ্ৰৱণ বিশৃংখলকামী ব্যক্তিয়ে উৎফুল্লতাৰ নামত বিভিন্নঠাইত সংখ্যালঘু সম্প্ৰদায়ৰ ব্যক্তিক মাৰ-ধৰো কৰিছে । গুৱাহাটীত আমি তেনেধৰণৰ ঘটনা নিজে প্ৰত্যক্ষ কৰিছো । এইবোৰ ঘটনাকো শাসক দলেই নিৰ্বাচনী স্বাৰ্থৰ খাতিৰত ব্যৱহাৰ কৰিব । [ জনতা পাৰ্টি ]

—কংগ্ৰেছ (ই) দলে সংকীৰ্ণ দলীয় স্বাৰ্থত কেতিয়াবা সংখ্যা—লঘু সকলক অসমীয়াৰ বিৰুদ্ধে আৰু অসমীয়া জনসাধাৰণক সংখ্যালঘু সকলৰ বিৰুদ্ধে উচটাই দি ভোট যুদ্ধত জয়—লাভ কৰিব বিচাৰে । কিন্তু, ইয়াৰ ফলত দেশৰ ঐক্য সম্প্ৰীতিৰ ভেটি দুৰ্বল হৈছে ।

[ চি, পি, আই ]

—যি সকলে এই ধ্বনি তুলিছে, বিপৰীত অৱস্থান সেই সকলৰহে । কংগ্ৰেছ (ই) দলৰ বাবে ই এটি 'মিলিয়ন ডলাৰ'





ৰণকৌশল । নিৰ্বাচনত তাক প্ৰয়োগ কৰিব ।

[ কংগ্ৰেছ (স ) ]

—'অসম চুক্তি'ক ৰাইজৰ সংগ্ৰামৰ এক ফলশ্ৰুতি হিচাবে দেখাতকৈ এচামে ইয়াক ৰাজীৱ গান্ধীৰ দয়াৰ ফল হিচাবে দেখুৱাব বিচাৰিছে । জোৰ-জুলুম কৰি বিফল হৈ কংগ্ৰেছ (ই) ৰ নেতৃত্বই এতিয়া চুক্তিৰ সুৰুঙাৰে অসমত খোপনি পুতিবলৈ বিচৰা দেখা গৈছে । ই হ'ল চুক্তিয়ে কঢ়িয়াই অনা এক বিপদ । অসমৰ কংগ্ৰেছ (ই) সংগঠন বা ব্যক্তি সকল কেন্দ্ৰৰেই বহুতীয়া আৰু মূল নীতি কেন্দ্ৰয়েই তৈয়াৰ কৰে । গতিকে, সৰ্বভাৰতীয় কংগ্ৰেছ (ই) ৰ নেতৃত্ব আঁৰ কৰি কেৱল ৰাজ্যিক নেতৃত্বক উপকৰাকৈ আক্ৰমন কৰিলে, অসমৰ ৰাইজৰ আকৌ ৰাজনৈতিক বিপৰ্য্যয় নামি আহিব ।

[ আই, পি, এফ ]

—'চুক্তি'ৰ ফলত সংখ্যালঘু সকলৰ মাজত নিৰাপত্তাহীনতা-বোধ নাইকীয়াহে হ'ৰ লাগিছিল । কিন্তু, ইয়াক ৰাজনৈতিক লাভালাভৰ কাৰণে জগাইহে তোলা হৈছে । "ৰাজীৱ গান্ধী জিন্দাবাদ" ধ্বনি কৰবাত উঠিব পাৰে । কিন্তু ইয়াৰ দ্বাৰা অসমীয়া মানুহৰ কংগ্ৰেছ (ই) দলৰ প্ৰতি আনুগত্য প্ৰকাশ পাইছে বুলি নাভাবো । 'চুক্তি' খন অসমীয়া ৰাইজক ৰাজীৱ গান্ধীয়েও দিয়া নাই. ভৃগু ফুকন বা প্ৰফুল্ল মহন্তইও দিয়া নাই, শ শ শ্বহীদৰ তেজৰ বিনিময়ত অসমৰ সংগ্ৰামী ৰাইজেহে আদায় কৰি লৈছে ।

[ অসম জাতীয়তাবাদী দল ]

—'চুক্তি' সম্পাদন হ'ল যেতিয়া অসমীয়া মানুহে নিজক পাহৰি আনন্দ উল্লাসত আকাশ-মাটি কপাই তুলিলে, তেতিয়া কংগ্ৰেছ (ই) ৰ নিৰাপত্তা পাই থকা সকলৰ অসহায়তাবোধ জন্মাটো স্বাভাৱিক । প্ৰকৃতাৰ্থত দিল্লীত কি চুক্তি সম্পাদিত হ'ল তালৈ বাট চোৱাহেতেন নিশ্চয় এনে অৱস্থাৰ সৃষ্টি নহল-হেঁতেন । প্ৰশ্নটোত যি দুই বিপৰীত অৱস্থানৰ কথা বৰ্ণাইছে, সেইটো সাময়িক ।

[ পি, এল, পি ]

## ৫নং প্ৰশ্নৰ উত্তৰ সমূহ ঃ—

—অসমৰ সমূহ জনসাধাৰণৰ আশা আকাংখ্যাৰ প্ৰতি শ্ৰদ্ধা-শীল, সামগ্ৰীক উন্নয়ণৰ কাৰ্য্যসূচী ৰূপায়ণত আগ্ৰহশীল আৰু সচেষ্ট সমভাবাপন্ন যি সকল ব্যক্তি, অনুষ্ঠান, আৰু ৰাজনৈতিক দল আছে তেওঁলোক সকলোৰে উমৈহতীয়া প্ৰচেষ্টাত কংগ্ৰেছ (ই) ক ক্ষমতাচ্যুত কৰি এক বিকল্প চৰকাৰ গঠন কৰিব পাৰিলেহে অসমক বিদেশীমুক্ত আৰু সম্ভাব্য বিপদৰ পৰা উদ্ধাৰ কৰিব পৰা হব ।

[ বি, জে, পি, ]

—আমি 'জনতা'ৰ নেতৃত্বত এক বিকল্প চৰকাৰ গঠনৰ ক্ষেত্ৰত আশাবাদী । সম্পূৰ্ণভাবে নহলেও 'জনতা'ৰ নেতৃত্বত ইয়াত অন্যান্য দলৰো সহযোগিতা থাকিব পাৰে । নিৰ্বাচনী যুজঁত কোনো 'United front'ৰ আমি পক্ষপাতিত্ব নকৰো । যদি আমাৰ 'majority' নাহে, নিৰ্বাচনৰ পাছত কাৰ্য্যসূচীৰ ভিত্তিত বুজা বুজিৰ কথাটো ভবা হ'ব পাৰে ।

[ জনতা পাৰ্টি ]

—আমাৰ দলে আগন্তুক নিৰ্বাচনত জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত বাম, গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ ৰাজনৈতিক দল আৰু 'গ্ৰুপ'ৰ লগত নিৰ্বাচনী বুজা পৰাৰ কাৰণে যত্ন কৰিব ।

[ চি, পি, আই ]

—কংগ্ৰেছ (স) দলৰ চৰকাৰ চলোৱাৰ দক্ষতা আছে । প্ৰগতি-শীল আঁচনি লৈ চৰকাৰ গঠনৰ আদেশ বিচাৰি কংগ্ৰেছ (স) দলে ৰাইজৰ ওচৰ চাপিব । মতৰ মিল থকা অইন দলৰ লগত যোগাযোগ কৰিবলৈ কংগ্ৰেছ (স) ইচ্ছুক ।

[ কংগ্ৰেছ (স) ]

—প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰধান পথ হৈছে সংসদৰ বাহিৰৰ সংগ্ৰামহে । যদিও লক্ষ্যত উপনীত হ'বৰ বাবেই সংসদৰ 'ভিতৰৰ সংগ্ৰামকো' ই মুখ্য উপায়, 'বাহিৰৰ সংগ্ৰামৰ' লগত যুক্ত কৰিব । বৰ্ত্তমান অৱস্থাত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠিত হোৱাটো যে অসম্ভৱ, এইক্ষেত্ৰত আই, পি, এফে দৃঢ় মত পোষণ কৰে । গতিকে আই, পি, এফে চৰকাৰ গঠন কৰাৰ প্ৰশ্নই নুঠে ।

কংগ্ৰেছ (ই) ক হৰুৱাব লাগে কাৰণেই নীতিহীন ঐক্যত

OKDISCD

আই, পি, এফে বিশ্বাস নকৰে। কংগ্ৰেছ (ই) ৰ দৰেই সকলো বিৰোধীদলত শাসক শ্ৰেণীৰ বিভিন্ন অংশবিলাকেই সিচঁৰিত হৈ আছে। সেইদৰে ক্ষমতালৈ অহা আঞ্চলিক দলৰ ক্ষেত্ৰতো প্ৰত্যক্ষ হৈছে যে, ই কেন্দ্ৰৰ ওচৰত আত্মসমৰ্পণ কৰিছে। আৰু জনবিৰোধী কাৰ্য্যকলাপ চলোৱাত কেন্দ্ৰীয় চৰকাৰক পৃষ্ঠপোষকতা কৰিছে। এই ক্ষেত্ৰত ক্ষুদ্ৰ জাতি সত্বা সমূহৰ আশা আকাংখ্যাক খামুচি ধৰি সংগ্ৰামৰ মাজেদি গঢ় লৈ উঠা দল বা সংগঠনৰ লগত সংগ্ৰামী নিৰ্বাচনী গোট কৰিবৰ বাবে অথবা যি কোনো উপায়ে বুজাবুজিৰ মাজেৰে নিৰ্বাচনী সংগ্ৰামত ঐক্যবদ্ধ হৈ কাম কৰিবৰ বাবে আই, পি, এফে বিশেষ ভাৱে চেষ্টা চলাই যাব।

**[ আই, পি, এফ ]**

—যি কোনো উপায়ে ক্ষমতা দখল কৰা আমাৰ লক্ষ্য নহয়। জনসংখ্যাৰ অৱস্থিতি আৰু ভোটাৰ তালিকাখনৰ পৰিপ্ৰেক্ষিতত বিদেশী আৰু বহিৰাগতক আশ্বাস দিব পৰা সকলেহে অসমত নিৰ্বাচনৰ মাধ্যমেৰে চৰকাৰ গঠন কৰিব পাৰিব। আমাৰ দল এনেবোৰ চতুৰালীৰ বাহিৰত।

**[ পি, এল, পি ]**

—আন্দোলনৰ সপক্ষে থকা শক্তিক আগন্তুক নিৰ্বাচনী যুঁজতো আমি কোনো ধৰণে বিভাজন হ'বলৈ নিদিওঁ। তাৰবাবে আমাৰ দল যি কোনো ত্যাগৰ বাবে প্ৰস্তুত। আমি আগন্তুক নিৰ্বাচনত সেই শক্তিৰ লগত সন্মিলিত ভাৱে অংশগ্ৰহণ কৰিব বিচাৰো। 'জনতা দলৰ' অভিজ্ঞতাৰ পৰা আমি 'কোৱালিশ্বন'ৰ সমৰ্থন নকৰো। আমাৰ বুনিয়াদটোক গ্ৰহণ কৰি যদি এক বৃহৎ আঞ্চলিক দল গঠন কৰিবলৈ লোৱা হয়, তাৰ বাবে আমি যি কোনো ত্যাগ কৰিবলৈ প্ৰস্তুত।

**[ অসম জাতীয়তাবাদী দল ]**

**অজিত শৰ্মাৰ (প্ৰাক্তন এম, পি,) সৈতে এক আচুতীয়া সাক্ষাৎকাৰ ঃ**

**৮৩'ৰ বিধানসভাৰ নিৰ্বাচনটো আপুনি কি দৰে মূল্যায়ন কৰিব খোজে, বুলি সোধাৰ প্ৰশ্নৰ উত্তৰত শ্ৰীশৰ্ম্মা দেৱে কয়—**

যি নিৰ্বাচনে জনসাধাৰণৰ সুস্থ মত প্ৰকাশত বাধা দিয়ে, সেই নিৰ্বাচনেই অবৈধ। '৮৩ ৰ নিৰ্বাচনে অসমৰ জন জীৱনৰ যিমান ক্ষতি সাধন কৰিলে কোনো আন্দোলন বা আইনে এনে ক্ষতি সাধন কৰা নাই। নিৰ্বাচন পন্থাসকল গণতন্ত্ৰৰ হত্যাকাৰী। নিৰ্বাচন নোহোৱা হলে ইমান হিংসাত্মক ঘটনা নহলেহেতেঁন।

**নিৰ্বাচনৰ প্ৰাক কালছোৱাত প্ৰয়োজনীয় গণতান্ত্ৰিক পৰিবেশৰ প্ৰসংগত তেখেতে মন্তব্য কৰে** যে আজি গোটেই অসমৰ জন-জীৱন আৰু গণতান্ত্ৰিক অধিকাৰৰ ওপৰত ভাওৰ আঘাত দিয়া হৈছে। আমাৰ 'নাগৰিক অধিকাৰ লোক সংঘ' ই, পুলিচী অত্যাচাৰ আৰু নাগৰিক অধিকাৰ খৰ্বকৰাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে যুঁজ দিব। ক'লা আইন উঠাই লোৱাৰ নামত Assam Disturbed Areas Act আৰু Special Arms Power Act কেইখন উঠাই লোৱাৰ ঘোষণা দিছিল যদিও, চৰকাৰে সংশোধন কৰি লোৱা Criminal Procedure Act খনৰ দ্বাৰা ইয়াত নাগৰিক অধিকাৰ খৰ্ব হৈয়েই থাকিব। কিয়নো, এই সংশোধনী Act খনে পুলিচক আৰু কাৰ্য্যনিৰ্বাহক চৰকাৰক অধিক ক্ষমতা দিলে আৰু ন্যায়পালিকাৰ ক্ষমতা বহুখিনি সংকুচিত কৰি পেলালে। এয়া সম্পূৰ্ণ সত্য যে, নিৰ্বাচন হোৱাৰ আগত সকলো ক'লা আইন কেৱল প্ৰত্যাহাৰেই নহয়, পুলিচী কাৰ্য্যকলাপ সমূহ সম্পূৰ্ণ নিয়ন্ত্ৰিত আৰু নাগৰিক অধিকাৰ সমূহ সুৰক্ষিত হ'ব লাগিব।

**'অসম চুক্তি'য়ে অসমৰ আৰ্থ—ৰাজনৈতিক জীৱনৰ উন্নতিৰ ক্ষেত্ৰত কেনে ধৰণৰ অৰিহণা যোগাব বুলি সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীশৰ্ম্মা দেৱে কয়—** এই কথা নিৰ্ভৰ কৰিব আমি কি ধৰণৰ সংগঠিত ৰূপত কামটো কৰিব পাৰোঁ, তাৰ ওপৰত। এটা ৰিফাইনেৰী স্থাপন কৰা, শিলঘাটৰ মৰাপাট কল বা অশোক কাগজ কল পুনৰ আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি, এইবোৰ কোনো ডাঙৰ বা নতুন কাম হৈছে বুলি নাভাবো। '৮৩ চনতো কেন্দ্ৰীয় চৰকাৰে সংসদত অশোক কাগজ কল বন্ধ নহয় বুলি প্ৰতিশ্ৰুতি দিছিল। এইবোৰ কাম সংগঠিত জনমতৰ ওপৰতহে হয়। অৱশ্যে আন্দোলনৰ পৰিসমাপ্তিৰ লগত চৰকাৰৰ এই স্বীকৃতিৰ দ্বাৰা এই কথা স্বীকাৰ কৰা হৈছে যে চৰকাৰে ইমানদিন এই ৰাজ্যখনক অৱহেলা কৰি আহিছিল। আৰ্থ ৰাজনৈতিক বিকাশৰ মূলকথাই হৈছে সমাজবাদী আঁচনি, অৰ্থনৈতিক আঁচনিত জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো অসমবাসীক সংগঠিত কৰা। সংহতি সমতা অবিহনে ৰাজনৈতিক বিকাশ হ'ব নোৱাৰে।

**'৭১ চনৰ আগৰ অনুপ্ৰৱেশকাৰী অসমৰ স্থায়ী লোক সকলক উদ্দ্যেশ্য কৰি সোধা এক প্ৰশ্নৰ উত্তৰত শ্ৰীশৰ্ম্মা দেৱে কয়—**

এই সকল লোক অসমীয়া জাতিৰ মূলসুঁতিৰ লগত একাত্ম হোৱাৰ দুটা পন্থা আছে। অসমীয়া ভাষা ৰাজ্যিক পৰ্য্যায়ত যিটো স্তৰত গ্ৰহণ কৰিব লাগে তাক গ্ৰহণ কৰা। কিয়নো সংহতি



স্থাপনৰ ক্ষেত্ৰত ভাষাই আটাইতকৈ শক্তিশালী মাধ্যম। সেইদৰে আমিও এক সমাজবাদী আঁচনি লৈ আগবাঢ়ি আহিলে প্ৰকৃত সংহতি গঢ়ি তুলিব পাৰিম।

তথ্যগত ভাবে অপ্ৰিয় হ'লেও সঁচা কথা-বিৰোধী দলবোৰৰ ওপৰত জনসাধাৰণৰ বিশেষ আস্থা নাই। এই সম্পৰ্কে তেখেতে কয়—নিৰ্দ্দিষ্ট নীতি, নিৰ্দ্দিষ্ট পৰিকল্পনা তথা সমাজ পৰিবৰ্ত্তনৰ নিৰ্দ্দিষ্ট আঁচনি লৈ ধৈৰ্য্য সহকাৰে আগবাঢ়ি অহাৰ ক্ষেত্ৰত কোনো বিৰোধী দলেই সাজু নাছিল। কেৱল কংগ্ৰেছ চৰকাৰৰ কিবা এটা কথাত প্ৰতিক্ৰিয়া কৰিলেই নহ'ব। নিজৰ ফালৰ পৰাও বিকল্প ব্যৱস্থা দাঙি ধৰিব লাগিব। বিৰোধী দলবিলাকে নিজৰ নীতি কাৰ্য্যক্ৰম বৰ্ত্তমান পৰিস্থিতিৰ অনুকূলে পৰিবৰ্ত্তন কৰিব নোৱাৰিলে, বিৰোধী দলৰ প্ৰতি ৰাইজৰ আস্থা কেতিয়াও নাহিব।

## সাক্ষাৎকাৰ ঃ প্ৰফুল্ল মহন্তৰ সৈতে।

**প্ৰশ্নঃ— সুস্থনিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসমৰ সাম্প্ৰতিক আগণতান্ত্ৰিক পৰিবেশটোৰ বিৰুদ্ধে ছাত্ৰ সন্থাৰ পদক্ষেপ কি?**

প্ৰঃ মঃ ছাত্ৰ সন্থাই অগণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বিৰুদ্ধে সদায় মাত মাতি আহিছে আৰু প্ৰতিবাদ কৰি যাব। 'চুক্তি'ৰ পাচত সকলো ক'লা আইন উঠাই লোৱাৰ প্ৰতিশ্ৰুতি চৰকাৰে দিছে। আমি আশা ৰাখিছো কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰি অসমত শান্তিপূৰ্ণ অৱস্থা ঘূৰাই অনাত সহায় কৰিব।

**প্ৰ— গতানুগতিকতাৰ বিপৰীতে নিৰ্বাচনী প্ৰচাৰক অধিক জনমুখী কৰাৰ কোনো নতুন পৰিকল্পনাৰ প্ৰয়োজন আছে বুলি ভাবেনে?**

প্ৰঃ মঃ হয় ভাবো। আজি আমাৰ 'নতুন ভেঁটি ঐক্য শান্তি, প্ৰগতি'। নতুন অসম গঢ়াৰ বাবে লোৱা প্ৰচেষ্টাক ৰাইজৰ কাষ চপাব লাগে।

**প্ৰঃ— বিৰোধী দলবোৰৰ ওপৰত জনসাধাৰণ আস্থাশীল নহয়। বিৰোধী দলৰ এই অৱস্থাক কি দৰে মূল্যায়ণ কৰিব বিচাৰে।**

প্ৰঃ মঃ ঐক্য আৰু ৰাইজক সেৱা কৰাৰ মনোভাবেৰে।

**প্ৰঃ— ছাত্ৰ সন্থাই সমৰ্থন কৰা ৰাজনৈতিক মঞ্চটো চৰকাৰ গঠন কৰিবলৈ সক্ষম হোৱাৰ ক্ষেত্ৰত আশাবাদী নে? এইক্ষেত্ৰত উক্ত মঞ্চই একক ভাবে আগবাঢ়ি যাবনে, অন্যান্য মঞ্চৰ লগত যুটীয়া ভাবে আগবাঢ়ি যাব?**

প্ৰঃ মঃ আমি ভাবো, অসমত এটা মাত্ৰ আঞ্চলিক দল যদি কৰা যায় আৰু জনসাধাৰণেও সম্পূৰ্ণ সহায় কৰিলে সেই দলে ক্ষমতা লব পাৰিব।

**প্ৰঃ— সাম্প্ৰতিক ৰাজনৈতিক অৱস্থাৰ ভিত্তিত ছাত্ৰ সন্থাই অন্যান্য আশা-আকাংখ্যা তথা সমস্যাৱলীৰ পৰিপ্ৰেক্ষিতত সংগ্ৰামৰ পথেই অৱলম্বন কৰিব, নে পৰোক্ষ বা প্ৰত্যক্ষ ভাবে সংসদীয় ৰাজনৈতিক পদক্ষেপ ল'ব।**

প্ৰঃ মঃ সদৌ অসম ছাত্ৰ সন্থা এটা নিৰ্দ্দলীয় ছাত্ৰ সংগঠন। সংসদীয় ৰাজনীতিত এই সংগঠনে প্ৰৱেশ নকৰে। কিন্তু নিৰ্দ্দলীয় চৰিত্ৰ অটুট ৰাখি অসমৰ জনসাধাৰণৰ আশা-আকাংখ্যা পূৰণৰ বাবে প্ৰয়োজন সাপেক্ষে সংগ্ৰামৰ পথো অৱলম্বন কৰিব।

---

সাক্ষাৎকাৰ গ্ৰহণত অংশগ্ৰহণকাৰী সকল হ'ল— মৌচুমী কোঁৱৰ, পূৰ্ণিমা শৰ্ম্মা, গৌতম কুমাৰ বৰা, মৃদুপৱন বৰা আৰু বিধান চন্দ্ৰ দেব।

সকলো ধৰণৰ পৰীক্ষাৰ কাৰণে অভিজ্ঞ এ'ক্সৰে বিশেষজ্ঞৰ তত্বাবধানত

বৰুৱা এ'ক্স-ৰে ক্লিনিক

(প্ৰয়োজন সাপেক্ষে ৰোগীৰ বাসস্থানত গৈও পৰীক্ষা কৰাৰ ব্যৱস্থা আছে।)

এ, টি, ৰ'ড
যোৰহাট। অসম

OKDISCD

**ক্ৰীড়াঙ্গন**

# খেল আৰু প্ৰচাৰ

**—জয়ন্ত বৰুৱা**

এইটো এটা সাধাৰণ অভিজ্ঞতা হৈ পৰিছে যে যি কোনো এখন টেষ্ট্ ক্ৰিকেট খেলৰ সময়চোৱাত গোটেই দেশখন চাঞ্চল্যতাৰে ভৰি পৰে। গোটেই ভাৰতৰ সকলো শ্ৰেণীৰ নাগৰিকে ধনী-দুখীয়া, পুৰুষ-নাৰী সকলোৱে খেলখনৰ অগ্ৰগতিলৈ লক্ষ্য ৰাখে। এই আগ্ৰহ যে খেলখন আৰম্ভ হওঁতে হয় সেয়া নহয়, দৰাচলতে যেতিয়াই খেলখন হব বুলি সমজুৱাকৈ ঘোষণা কৰা হয় তেতিয়াৰ পৰাই। খেল আৰম্ভ হোৱাৰ লগে লগে সেই আগ্ৰহৰ পূৰ্ণ প্ৰকাশ ঘটে। খেলত দুয়োদলৰ সম্ভাৱনা, তেওঁলোকৰ গুণা-গুণ আদিক লৈ আলোচনা আৰু তৰ্কত মানুহ ব্যস্ত হৈ পৰে। এয়াযে কেবল টেষ্ট খেলতহে প্ৰত্যক্ষ হয় সেয়া নহয়, সীমিত অভাৰৰ এদিনীয়া খেল, যেনে—ইংলাণ্ড বা অষ্ট্ৰেলিয়াৰ সীমিত অভাৰৰ বিশ্বকাপ খেল বা শ্বাৰজাহৰ এচিয়া কাপ খেল, এনেবোৰতো মানুহৰ সেই একেই ব্যস্ততা পৰিলক্ষিত হয়। এইবোৰ ঘটনাৰ পৰা এইটো সহজে অনুমান কৰিব পাৰি যে ক্ৰিকেট খেল এতিয়া ভাৰতত আটাইতকৈ জনপ্ৰিয় খেল হৈ আছে আৰু হৈ থাকিব।

এই সময়ত কেৱল জনসাধাৰণেই যে ক্ৰিকেট-পগলা হৈ পৰে সেয়া নহয়, সৰ্বভাৰতীয় অনাতাৰ কেন্দ্ৰ আৰু দূৰদৰ্শন—চৰকাৰৰ এই প্ৰচাৰ এজেঞ্চি দুটাও ক্ৰিকেট খেল লৈ মত্ত হৈ পৰে। খেলখনৰ আৰম্ভনিৰ পৰা শেষলৈকে গোটেই খেলখনৰ চলন্ত বিৱৰণী দিয়া হয়। এই প্ৰচাৰ কাৰ্য্য সম্পাদিত হয় বিৱৰণী দিয়া মানুহেৰে গঠিত এটা গোটৰ দ্বাৰা। আনহাতে দক্ষ, অভিজ্ঞ আন এটা গোট থাকে খেলখনৰ প্ৰত্যেকটো মূহুৰ্ত্ত বিশ্লেষণ কৰিবলৈ আৰু মতামত ডাঙি ধৰিবলৈ। বিষয়টো এইখিনিতে শেষ নহয়। নিশাৰ ভাগত যেতিয়া ভাৰতৰ প্ৰায় সকলোবোৰ মানুহ শুবলৈ যায়, দূৰদৰ্শন বিভাগে আন এজন দক্ষ লোকৰ, মতামতো পৰিবেশন কৰে আৰু পৰিবেশক জনে সেই দিনটোত হৈ যোৱা খেলখনৰ প্ৰতিটো ঘটনা বিশ্লেষণ কৰাৰ উপৰিও আহি থকা দিনবোৰত ঘটিব লগা সকলোবোৰ সম্ভাৱনা সাৰোগত কৰে। সেইদৰে এনে সম্ভাব্য ঘটনাৰ ফলাফল বাখ্যা কৰিবলৈও তেওঁ নাপাহৰে। অৱশ্যে এইখিনিতে এইটো উল্লেখ কৰি থোৱা হল যে, এই কথাখিনি দক্ষ বিৱৰণকাৰীৰ দক্ষতাক তুচ্ছ কৰিবৰ বাবে কোৱা হোৱা নাই, কিয়নো তেওঁ মাত্ৰ দক্ষলোক হিচাবে নিজৰ দায়িত্বহে পালন কৰে।

আমি যদি এই সকলোবোৰ হিচাপ লৈ ক্ৰিকেট খেল এখন চাবলৈ লওঁ, এই সকলোবোৰ ঘটনাৰ পৰা কিমানখিনি সময়ৰ অপচয় হয়, তাক ধৰিব পাৰিম। তলত দিয়া হিচাপটো চোৱা যাওক—

এটা চিৰিজত (গড় হিচাপে ধৰা হৈছে) মুঠ খেল হয়— ৫ খন
প্ৰত্যেকখন টেষ্ট খেল খেলোৱা হয়— ৫ দিন
প্ৰত্যেক দিনত খেলোৱা হয়— ৬ ঘণ্টা
এতেকে, প্ৰত্যেকখন ক্ৰিকেট চিৰিজত (Series) মুঠ সময় ব্যয় হয়— ৫×৫×৬=১৫০ ঘণ্টা

আৰু প্ৰত্যেকখন টেষ্ট খেলৰ বাবে প্ৰতি নিশা ১ ঘণ্টাকৈ দক্ষলোকৰ মতামত দিয়া হয়। এতেকে এইক্ষেত্ৰত টেষ্টখেলৰ মুঠ ২৫ দিনত ব্যয় হয়— ২৫ ঘণ্টা। গতিকে দেখা গল, এখন সম্পূৰ্ণ চিৰিজৰ টেষ্টখেলত ব্যয় হোৱা মুঠ সময়ৰ পৰিমাণ— ১৫০+২৫=১৭৫ ঘণ্টা। ইয়াৰ উপৰিও প্ৰতিটো চিৰিজৰে অন্তৰ্ভুক্ত সীমিত অভাৰৰ "এদিনীয়া আন্তৰ্জাতিক খেল" ৫ টাকৈ) থাকে (গড় হিচাপত)। প্ৰত্যেকখন এদিনীয়া খেলত খেলখন সম্পূৰ্ণ কৰিবলৈ অতি কমেও ৭ ঘণ্টা সময় লাগে। এনে এদিনীয়া পাঁচখন খেলে অতিৰিক্ত ৩৫ ঘণ্টা সময় লয়। এতিয়া যদি আমি এই ৩৫ ঘণ্টা আগৰ ১৭৫ ঘণ্টাৰ লগত যোগ দিওঁ, আমি দেখিম যে মুঠতে ২১০ ঘণ্টা সময় লয় দুখন দেশৰ মাজত হোৱা এখন সম্পূৰ্ণ চিৰিজৰ টেষ্ট ক্ৰিকেট খেলে।

আমাৰ প্ৰায় আঠশ নিযুত লোকৰ ভিতৰত, অভি... কম দহ নিযুত মানুহেও যদি এনে চিৰিজ এখন উপভোগ কৰে, দেখা যাব যে মুঠতে দুহেজাৰ এশ নিযুত "জন ঘণ্টা" (man hour), এই সময় চোৱাত অপব্যৱহাৰ কৰা হয়। এই সময়খিনি এবাৰ হেৰুৱাৰ পাচত পুনৰ আগি ঘুৰাই নাপাওঁ। এনে এক বৃহৎ পৰিমাণৰ শ্ৰমশক্তিক অপচয়



প্ৰগতিৰ পথত অন্তৰায় স্বৰূপ। য'ত ইমানবোৰ 'জন-ঘণ্টা'ৰ অপব্যৱহাৰ কৰা হয়, এনেক্ষেত্ৰত আমাৰ "উন্নয়নশীল" অৰ্থনীতিয়ে দ্ৰুত উন্নতিৰে একবিংশ শতাব্দীলৈ আগুৱাই যোৱাৰ পৰিপ্ৰেক্ষিতত কি আশ্বাস দিব পাৰে?

অন্যান্য প্ৰচাৰ মাধ্যমৰ দৰে বাতৰি কাকতেও ক্ৰিকেটক যথেষ্ট গুৰুত্ব দিয়ে। ক্ৰিকেটৰ বতৰত ক্ৰিকেট খেলবোৰৰ ন'ন' বাতৰিক প্ৰাধান্য দি উলিওৱা হয়। ভাৰতত আন কোনো খেলক ক্ৰিকেটক দিয়া গুৰুত্বৰ এক ভগ্নাংশও দিয়া নহয়, বাতৰিত এইবোৰে প্ৰাধান্যতাও নাপায় আনকি এনে- খেলবোৰত পোৱা সফলতাৰ খবৰও ভালদৰে পৰিবেশন কৰা নহয়।

এইদৰে, আনবোৰ খেলে পায় মাহীমাকৰ ব্যৱহাৰ। আনহাতে, ক্ৰিকেটে সদায় পায় আছুতীয়া ব্যৱহাৰ। এইটো আশ্চৰ্য্যজনক ঘটনা। কিয়নো, গোটেই বিশ্বজুৰি অন্যান্য খেলো যথেষ্ট জনপ্ৰিয়। আকৌ ক্ৰিকেট খেল এনেবোৰ দেশত খেলা হয় যিবোৰ এটা সময়ত বৃটিছ সাম্ৰাজ্যৰ অংশ আছিল। বৃটিছসকলে এই খেলটোক ভাৰতলৈ আনিছিল। এটা অৱসৰ বিনোদনৰ খেল হিচাপে। বেলেগ বেলেগ ঘাটি সমূহত থকা সৈন্যসকলে অৱসৰৰ সময়চোৱা কটাবলৈ। বৃটিছ গুছি যোৱাৰ পাছত এই দেশৰ নাগৰিকসকলে সোনকালে খেলটো আয়ত্ব কৰি ললে আৰু বিংশ শতাব্দীৰ আৰম্ভনীৰ সময়ছোৱাত ইয়াত (খেলটোত) পাৰ্গত হৈ উঠে। বৰ্ত্তমান দেখা গৈছে যে, এই খেলটোৰ জনপ্ৰিয়তা ইয়াৰ জন্ম হোৱা দেশখনত বৰং কমি গৈছে, আনহাতে খেলটোক আনি প্ৰতিষ্ঠা কৰা দেশখনত ইয়াৰ মান আৰু জনপ্ৰিয়তা দিনে দিনে বাঢ়ি গৈছে।

খেলৰ মুৰব্বী অনুষ্ঠানসমূহ আৰু প্ৰচাৰ মাধ্যমসমূহে অন্যান্য খেলত সমানে গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজন। মানুহৰ মাজত অন্যান্য খেলসমূহৰ প্ৰতি আগ্ৰহ জন্মোৱাত খেলদপ্তৰৰ মন্ত্ৰালয়ে সহায় কৰিব লাগিব—আৰু আন দিশত সম্ভাৱনাপূৰ্ণ খেলুৱৈক উন্নত মানদণ্ডলৈ লৈ যোৱাৰ প্ৰচেষ্টাৰে। এনে সম্ভাৱনাপূৰ্ণ খেলুৱৈক উদগনি দিবলৈ গোটেই দেশজুৰি বিভিন্ন খেলৰ প্ৰতিযোগিতা পাতিব লাগিব। খেলৰ মানদণ্ড উন্নত কৰিবলৈ এওঁলোকক অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষন দিয়াটো প্ৰয়োজন। শেষত-দেশবিদেশ জুৰিহোৱা বিভিন্ন খেলসমূহত এওঁলোকক অংশগ্ৰহন কৰিবলৈ দিব লাগিব, যাতে বিদেশৰ খেলৰ পটভূমিত এই খেলুৱৈসকলে নিজৰ ভুল আৰু দুৰ্বলতাখিনি শুধৰাই লব পাৰে। এইবোৰ ব্যৱস্থাই যে কেৱল গৌৰৱেই কঢ়িয়াই আনিব সেয়া নহয়। দেশখনৰ সকলো ক্ৰীড়ানুৰাগী লোকক উদগনি দিব আৰু খেলত অংশগ্ৰহন কৰিবলৈ অধিক উৎসাহ দিব পাৰিব।

প্ৰচাৰ মাধ্যমবোৰে, এইক্ষেত্ৰত যথেষ্ট সহায় কৰিব পাৰে। এই অনুষ্ঠানবোৰে অন্যান্য খেলকো প্ৰাধান্য দিলে, এনেবোৰ খেলৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িব আৰু অধিক মানুহ প্ৰত্যক্ষ বা পৰোক্ষভাবে অংশ গ্ৰহণ কৰিবলৈ আগুৱাই আহিব। ফলস্বৰূপে, বহু প্ৰতিভাৱন খেলুৱৈক আমি বাছি উলিয়াব পাৰিম।

সম্ভৱত আমাৰ বহুতেই নাজানে যে আমাৰ দেশ কিছুমান খেলত, যেনে বিলিয়াৰ্ড, স্নোকাৰ ইত্যাদিত যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছে। খেলৰ ক্ষেত্ৰত অধিক উন্নয়নমূলক আচঁনি ললে ভাৰতে অকল যে এইবোৰ খেলতহে সফলতা অৰ্জন কৰিব সেয়া নহয়, আন আন খেলতো পৰদৰ্শিতা দেখুৱাব পাৰিব। অলপতে, পি, টি, উষাই অলিম্পিক খেলত মাত্ৰ এক শতাংশ চেকেণ্ডৰ (১/১০০) ব্যৱধানৰ বাবে পদক পোৱাৰ পৰা বঞ্চিত হ'ল। হকি আৰু ফুটবলতো ভাৰতবৰ্যই পুনৰ আগৰ গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হব।

ইংল্যাণ্ড আৰু অষ্ট্ৰেলিয়াৰ দৰে ক্ৰিকেট খেলা দেশসমূহৰ উদাহৰণো আমি লব পাৰো। এই বোৰ দেশত বাতৰি কাকত আৰু খেল-বিভাগবোৰে সকলোবোৰ খেলকে সমানে আগবঢ়াই নিবলৈ উৎসাহ দিয়ে। সেইবাবেই এই দুখন দেশে আনখেলবোৰতো যেনে-হকি, ফুটবল ক্ৰীড়াবিদ্যা, সাঁতোৰ, টেনিছ ইত্যাদিত যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছে।

এখন দেশৰ খেল পথাৰত পোৱা যশস্যা জোখা হয় অলিম্পিকৰ দৰে আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগীতাত পোৱা পদকৰ সংখ্যাৰে। আজি ক্ৰীড়া জগতৰ শক্তিশালী দেশবোৰ হৈছে আমেৰিকা, ৰাছিয়া, জাৰ্মেনী, চীন, জাপান ইত্যাদি। এই দেশবোৰে সংখ্যাগৰিষ্ট খেলত সুনাম অৰ্জন কৰিছে। তাৰোপৰি, ভাৰততকৈ মাটিকালি আৰু জনসংখ্যা দুয়োটা দিশত পিছপৰি থকা বহুতো দেশে আন্তৰ্জাতিক খেল পথাৰত বেছি পাৰদৰ্শিতা দেখুৱাইছে। সেইবাবে ভাৰতীয় খেলবিভাগ, বাতৰি কাকত, প্ৰচাৰ মাধ্যম আদি সকলোবোৰ অনুষ্ঠানে তেওঁলোকৰ দৃষ্টি সজনি কৰাৰ নিতান্ত আৱশ্যক হৈ পৰিছে। কিয়নো খেলজগতত ভাৰতৰ ভৱিষ্যৎ সাফল্যৰ গুৰি ধৰোঁতা হব লাগিব এইবোৰ অনুষ্ঠানেই। এখন খেলৰ দেশ হিচাবে পৰিগণিত হোৱাতকৈ ভাৰতবৰ্ষক আন্তৰ্জাতিক খেল পথাৰত বৃহৎ শক্তি হিচাৱে প্ৰতিষ্ঠিত হোৱাৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যমে দিক নিৰ্দেশনা দিব পাৰে।

OKDISCD







যুদ্ধৰ পাছৰ বছৰ ডন নদীৰ উজনি অঞ্চলত নমা বসন্তকালৰ যেন এক সচৰাচৰ নথকা ক্ষীপ্ৰতা আৰু শক্তি আছিল। মাৰ্চ মাহৰ শেষৰ পৰাই আজভ সাগৰৰ তীৰৰ পৰা ববলৈ আৰম্ভ কৰিছিল এজাক উষ্ণ বতাহ আৰু দুদিনৰ ভিতৰতেই বৰফ গলি নদীৰ পাৰৰ বালি চৰবোৰ উকাহৈ ওলাই পৰিছিল। বিস্তীৰ্ণ স্তেপভূমিত বৰফেৰে পোতখাই থকা খাল আৰু নলবোৰ ওফন্দি উঠিছিল, জুৰিবোৰ বৰফৰ আৱৰণি ভাঙি বলিয়াৰদৰে ববলৈ আৰম্ভ কৰিছিল, বাটবোৰ একেবাৰে অহাযোৱা কৰিব নোৱাৰা হৈ পৰিছিল।

বছৰৰ এনে আপদীয়া সময় চোৱাতেই মই আকৌ বুকানভস্কায়া নামৰ গাওঁখনলৈ যাবলগীয়াত পৰিল। গাওঁখনলৈ দূৰ বৰ বেছি নহয়—প্ৰায় ষাঠি কিলোমিটাৰ মানহে হব—কিন্তু যাত্ৰা আৰম্ভ কৰিয়েই গম পালো যে এইকণ বাট যোৱাটোৱেই বৰ কষ্টকৰ হব। বেলি ওলোৱাৰ আগেয়েই মই আৰু মোৰ বন্ধু এজনে যাত্ৰা আৰম্ভ কৰিছিলো। এহাল নোদোকা ঘোঁৰাই আমাৰ মালবস্তুৰে খুন্দখোৱা গধুৰ গাড়ীখন কোনোমতে টানি লৈ গৈছিল। বালি আৰু বৰফ মিলি হোৱা সেমেকা মাটিত চকাবোৰ মাজে মাজে ধুৰালৈকে বহি গৈছিল আৰু এঘণ্টামান যোৱাৰ পাছতেই ঘোঁৰাকেইটাৰ নাকে মুখে গা আৰু লেকামৰ ঘেঁহুলি খোৱা ঠাইবোৰত গাখীৰৰ দৰে বগা ফেন ওলাবলৈ ধৰিছিল, ৰাতিপুৱাৰ সতেজ বতাহত ঘাম আৰু নতুনকৈ তেলদিয়া চামৰাৰ লেকামৰ এটা মতলীয়া কৰা গোন্ধ বিয়পি পৰিছিল। ঘোঁৰাকেইটাই যেতিয়া গাড়ীখন টানিবলৈ অসুবিধা পাইছিল, তেতিয়া আমি গাড়ীৰ পৰা নামি কাষে কাষে খোজকাঢ়ি গৈছিলো, বুট জোতাৰ তলত পেৰেক পেৰেককৈ উঠা সেই বৰফ মিহলি বোকাসোপাৰ ওপৰেদি খোজকঢ়াটোও বৰ সহজ কাম নাছিল। ৰাস্তাৰ কাষত নগলা বৰফৰ এটা টান আবৰণ আছিল যদিও তাৰ ওপৰেদি খোজকঢ়াটো আছিল আৰু টান। যেনেকৈ নদীৰ ঘাটলৈকে এই ত্ৰিশ কিঃ মিঃ মান বাট যাবলৈকে আমাক প্ৰায় ছঘণ্টা সময় লাগিছিল।

মখভস্কয় নামৰ গাওঁখনৰ কাষত খৰালি শুকাই অকনমান হৈ থকা নদীখনে এতিয়া কাষৰ পথাৰ-সমাৰ গছ-গছনি ডুবাই এক কিঃমিঃ মান বহল হৈ বৈ আছে। আমি এবাৰত খুব বেছি তিনিজনমান মানুহ নিব পৰা চেপেটা তলিৰে পানী সোমোৱা নাওঁ এখনত উঠি নদীখন পাৰ হব লগীয়া হ'ল। ঘোঁৰা কেইটা আমি মুকলি কৰি দিলো। সিটো পাৰে সমবায় খেতিপাম এখনৰ চালি এখনৰ তলত বছৰটোৰ বেছিভাগ সময়েই বেয়াকৈ পৰিথকা জীপগাড়ী এখন আমাৰ বাবে বৈ আছিল। কিছু সময় গুনাগথা কৰাৰ পাছত মই আৰু চালকজনে নৈ খন পাৰ হবলৈ ভয়ে ভয়ে তলং গুটংকৰা নাওঁ খনত উঠিলো। মোৰ বন্ধুজনে নৈৰ পাৰতে আমাৰ বস্তু-বাহানিবোৰ ৰখি বহি থাকিল। আমি যাবলৈ আৰম্ভ কৰিছোহে মাথোন, নাওঁখনৰ তলিৰ পচা তক্তাৰ ফাকেদি সৰু সৰু ফোৱাৰৰ দৰে পানী সোমাবলৈ আৰম্ভ কৰিলে। আমি যিহকে হাতৰ কাষতে পালো তাৰেই ফুটাবোৰ বন্ধ কৰিবলৈ চেষ্টা কৰিলো আৰু সিটোপাৰ নোপোৱালৈকে নাৱত জমাহোৱা পানীবোৰ সিঁচিবলৈ ধৰিলো। নৈখন পাৰ হবলৈ আমাক প্ৰায় এঘণ্টামান লাগিল। চালক জনে গাওঁখনৰপৰা জীপগাড়ীখন লৈ আহিল আৰু তাৰপাছত মোৰ বন্ধুজনক আনিবলৈ নাওঁখনৰ ওচৰলৈ গল।

হাতত ব'ঠাপাত লৈ তেওঁ কলে, 'এই ভঙা খোলাটো যদি ঠিকে ঠাকে যায়, তেন্তে আপোনাৰ বন্ধুক মই কেইঘণ্টামানৰ ভিতৰতে পাৰ কৰি আনিম।

নৈৰ পৰা গাওঁখনলৈ যথেষ্ট দূৰ, নৈৰ পাৰটো আছিল হেমন্তকালৰ শেষ বা বসন্তকালৰ আৰম্ভনিত উদং ঠাইবোৰলৈ নামি অহা নিস্তব্ধতাৰে পৰিপূৰ্ণ নৈখনৰ বতাহ চাটি আছিল সেমেকা আৰু পচা কাঠৰ গোন্ধেৰে গধুৰ, পাতল কুৱঁলীত গা ধুই থকা দূৰণিৰ স্তেপভূমিৰ পৰা এজাক পাতল বতাহে কঢ়িয়াই আনিছিল বৰফৰ আৱৰণিৰ পৰা অলপতে মুকলি হোৱা চিৰ তৰুণ পৃথিৱীখনৰ জান নাজান গোন্ধ।

অলপ দূৰণিত নৈৰ পাৰৰ বালিৰচটৰ কাষত এখন ভাঙি পৰিব ধৰা পুৰণা কাঠৰ জেওৰা আছিল। চিগাৰেট এটা খাওঁ বুলি মই জেওৰা খনতেই বহিলো, কিন্তু চোলাৰ জেপত থকা চিগাৰেটৰ পেকেটটো উলিয়াবলৈ হাতখন সুমাই মই গম পালো যে মোৰ গোটেই চিগাৰেট বোৰ পানীত তিতি গৈছে। নদী পাৰ হওঁতে এটা ঢৌৱে হঠাৎ তলংভটং কৰা নাওঁখনৰ কাষত খুন্দিয়াই মোক কৰ্কালৈকে বোকা পানীৰে তিয়াই পেলাইছিল তেতিয়া চিগাৰেটৰ কথা চিন্তা কৰিবলৈ সময় নাছিল, হাতৰ ব'ঠা পেলাই তেতিয়া নাওঁখন নুবুৰাকৈ ৰাখিবলৈ মই দুইহাতেৰে খৰাতৈয়াকৈ পানী সিঁচিব লগীয়া হৈছিল। এতিয়া এনে অমনোযোগী হোৱাৰ কাৰণে মোৰ নিজৰ ওপৰতে খং উঠিল তেলতেলিয়া হৈ থকা পেকেটটো উলিয়াই মই মাটিত বহি এটা এটাকৈ মুখা চানেকীয়া হৈ পৰা চিগাৰেটবোৰ জেওৰাখনৰ ওপৰত ৰ'দত দিবলৈ আৰম্ভ কৰিলো।

তেতিয়া দুপৰীয়া। মূৰৰ ওপৰৰ বেলিটো মে মাহৰ দৰে তপত। ভাবিলো, চিগাৰেটবোৰ সোনকালেই শুকাব লাগে। বতৰটো ইমান গৰম যে মোৰ তুলাৰ পুৰ দিয়া সেনাবাহিনীৰ কাপোৰসাজ, পিন্ধি যাত্ৰাত ওলোৱাৰ বাবে মোৰ আফচোচ হ'বলৈ ধৰিলে। এই বছৰৰ সেই দিনটোৱেই আছিল বোধ কৰো প্ৰথম গৰম দিন। কিন্তু তাত অকলশৰীয়াকৈ বহি থাকি ভাল লাগিছিল। চাৰিওফালৰ নিৰ্জনতা আৰু নিসঙ্গতাৰ মাজত নিজকে সম্পূৰ্ণৰূপে এৰি দি, গাৰ দগধা সামৰিক জেকেটটো খুলি লৈ নাওঁ বাই আহোতে ওলোৱা ঘামবোৰ বতাহত শুকুৱাবলৈ ভাল লাগিছিল। ভাল লাগিছিল পাতল নীলা আকাশত ওপঙি ফুৰা বগা ওফন্দা ডাৱৰবোৰ চাই থাকি।

অলপ সময়ৰ পাছত গাওঁখনৰ সিমূৰৰ ঘৰবোৰৰ আঁৰৰ পৰা মানুহ এজন বাটটোৱেদি আহি থকা দেখা পালো। তেওঁ প্ৰায় পাচঁ ছবছৰীয়ামান ল'ৰা এটাক হাতত ধৰি লৈ আহিছিল। তেওঁলোকে নৈৰ ঘাটটোৰ ফালে লাহে লাহে যাবলৈ ধৰিলে কিন্তু জীপ গাড়ীখনৰ ওচৰ পাই হঠাৎ ঘুৰি মোৰফালে আহিবলৈ ধৰিলে। মানুহজন ওখ আৰু অলপ কুঁজা আছিল। তেওঁ মোৰফালে একেবাৰে ওচৰলৈ আহি গহগৰীয়া মাতেৰে ক'লে ঃ

" কি খবৰ বন্ধু " " কি খবৰ "। মই মোলৈ আগবঢ়াই দিয়া তেওঁৰ ডাঙৰ হাতখনত জোকাৰিলো।

মানুহজনে চাপৰি সৰু ল'ৰাটোক ক'লে, " মামাক নমস্কাৰ দিয়া বাবা, মামাকো তোমাৰ দেউতাৰ নিচিনা গাড়ীৰ ড্ৰাইভাৰ যেনেই লাগিছে। তুমি আৰু মই জানিবা ট্ৰাক চলাও নহয়নে আৰু মামাই সৌ তাত থকা সৰু বাছখনৰ নিচিনা গাড়ী চলায়।

আকাশৰ নিচিনা উজ্জ্বল আৰু ফট-ফটীয়া এহাল হাঁহি থকা চকুৰে মোলৈ পোনপটীয়াকৈ চাই অকণমানি ল'ৰাটোৱে সাহসেৰে ঠাণ্ডা হৈ থকা গুলপীয়া সৰু হাত এখন আগবঢ়াই দিলে। মই হাতখন লাহেকৈ জোকাৰিদি ক'লো, "ঠাণ্ডা লাগিছে নেকি ডেকাল'ৰা? তোমাৰ হাতখন গৰমতো ইমান ঠাণ্ডা হৈ আছে কিয়? "

সৰু ল'ৰা-ছোৱালীৰ মৰমলগা সৰল বিশ্বাসেৰে ল'ৰাটোৱে মোৰ আঠুদুটাত গাটোৰে হেঁচা দি আচৰিত হৈ মূৰ তুলি চাই ক'লে—

" কিন্তু মইতো ডেকা ল'ৰা নহয় মামা। মই সৰু ল'ৰাহে আৰু মোৰ জাবো লগা নাই। বৰফৰ বল বনোৱাৰ বাবেহে মোৰ হাতদুখন ঠাণ্ডা হৈ আছে। "

OKDISCD

পিঠিৰপৰা আধাখালি মোনা এটা নমাই দেউতাক মোৰ কাষতে বহি পৰিল আৰু ক'লে।

"মোৰ এই পেচেঞ্জাৰটো মহা দুষ্ট বুইছানে, দুষ্টামি কৰি সি নিজেও ভাগৰি পৰিছে আৰু মোৰো ভাগৰ লগাই দিছে। তুমি অকণমান খৰকৈ খোজ কাঢ়িলেই সি দৌৰিবলৈ আৰম্ভ কৰে। তাৰদৰে খোজকাঢ়িব পৰা এটাৰ লগত যোৱাটোৰেই মস্কিল। এটা খোজ দিয়াৰ সলনি এতিয়া মই তিনিটা খোজ দিবলগীয়া হয় আৰু এনে দৰেই আমি আহি আছো—ঘোঁৰা আৰু কাছৰ দৰে। আৰু সিনো কি কৰে জানিবলৈ তোমাৰ পাছফালেও চকু থকা দৰকাৰ। তুমি অকণমান চকু আঁতৰা-বালে, সি লগে লগেই পানীৰ ডোঙাত থেপথেপাব বা বাটৰ কাষৰ বৰফ এটুকুৰাকে ডাঙি লৈ চুহিবলৈ লাগিব। তাৰদৰে ল'ৰা এটাৰ লগত একেলগে যাত্ৰা কৰাতো কোনো মানুহৰ কাম নহয় বুজিছা – আৰু খোজকাঢ়ি যোৱাটোতো একেবাৰেই নহয়।" মানুহজন অলপদেৰী মনে মনে থাকিলে তাৰপাছত মোক সুধিলে,—

"তোমাৰ কথা কোৱাছোন বন্ধু? তোমাৰ ওপৰৱালাৰ বাবে বৈ আছা নেকি?"

মোৰ আৰু মানুহজনক ড্ৰাইভাৰ নহয় বুলি ক'বলৈ মন গ'ল। মই ক'লো—

"এৰা, বৈ থাকিব লাগিবই যেন পাইছো।" "তেওঁ সিপাৰৰ পৰা আহিব নেকি?"

"হয়।"

"নাওঁখন কিমান দেৰিৰ পাছত এইখনি পাবহি তুমি জানানে বাৰু?"

"দুঘণ্টা মানৰ ভিতৰত পাবহি লাগে।"

"এঃ বহুত সময় থাকিব লাগিব। ঠিক আছে তেনেহ'লে অলপ আৰামকে কৰা যাওক। মোৰ কোনো খৰখেদা নাই। এইফালে যাওঁতেই হঠাৎ তোমাক দেখা পালো। ভাৱিলো সৌৱা আমাৰ নিচিনা ড্ৰাইভাৰ এজনে অকণমান ৰ'দ লৈ আৰাম কৰিছে। মই ভাবিলো যাওঁ, তেওঁৰ ওচৰতে বহি অকণমান ধোঁৱা খাওঁ। অকলশৰে চিগাৰেট খোৱাৰ কোনো মজা নাই। অকলশৰীয়াকৈ মৰাৰোতো সাম্লেই। তোমাৰ অৱস্থা বেছ ভাল দেখিছো। চিগাৰেট খাব পাৰিছা। এঃ আটাইবোৰ তিয়াই পেলালা দেখুন হে? বুইছা, তিতা ধপাঁত আৰু লেঙেৰা ঘোঁৰা একেই, কোনো কামত নালাগে। আহাঁ মোৰ লগত থকা ধপাতকে অকণমান খাওঁ।"

তেওঁ খাকী পেন্টৰ জেপৰপৰা ৰেচমৰ ধপাত খোৱা মোনা এটা উলিয়ালে। মোনাটোৰ ভাজ মেলোতে এচুকত চিলাই কৰি থোৱা কথাখিনি মোৰ চকুত পৰিল—আমাৰ মৰমৰ এজন সৈনিকৰ বাবে লেবিডায়ানস্কায়া উচ্চ মাধ্যমিক স্কুলৰ এগৰাকী ছাত্ৰীৰপৰা।

আমি ঘৰত বনোৱা কড়া ধপাতেৰে চিগাৰেট বনাই জ্বলাই ল'লো—বহুসময়লৈকে আমাৰ কাৰো মুখত কোনো কথা নাছিল। মই তেওঁক সৰু ল'ৰাটো লৈ ক'লৈ যাবলৈ আহিছে আৰু ইমান বেয়া সময়তনো কিয় যাত্ৰাত ওলাল সেইকথা সুধিম বুলি ভাবোতেই প্ৰশ্ন কৰিলে:

"তুমি গোটেই যুদ্ধৰ সময়ছোৱা গাড়ী চলাইছিলা নেকি?

"প্ৰায় সময়তেই চলাইছিলো।"

"ফ্ৰন্ট লাইনত নে?"

"হয়"।

"এৰা, ফ্ৰন্টত মোৰো বহুত অথন্তৰ ঘটিল বুইছা বন্ধু। হ'ব লগাতকৈ বেছিহে হ'ল বুলি ক'ব পাৰা।"

তেওঁ তেওঁৰ ডাঙৰ হাতদুখন আঠুদুটাৰ ওপৰত থ'লে আৰু কান্ধখন কুজাঁ কৰি বহিল। তেওঁলৈ বেকাকৈ চাই পঠিওৱাত মোৰ হঠাৎ ক'ব নোৱাৰাকৈয়ে বৰ অস্বস্তি লাগিল। আপোনালোকে কেতিয়াবা ফুটছাঁইৰদৰে চকু ক'ৰবাত দেখিছেনে? প্ৰচণ্ড দুখ আৰু বেদনাৰে ভৰা এনে চকু দেখিছেনে যি চকুলৈ চাই থাকিব নোৱাৰি? মোৰ এই হঠাৎ লগপোৱা বন্ধুজনৰ চকুহাল এনে ধৰণৰ।

তেওঁ জেওৰাখনৰপৰা কাঠৰ টুকুৰা এটা ভাঙি ল'লে আৰু কিছু সময় বালিত তাৰে কিছুমান আচহুৱা নক্সা আঁকিলে তাৰপিছত তেওঁ আকৌ ক'বলৈ আৰম্ভ কৰিলে।

কেতিয়াবা মই গোটেই ৰাতি শুব নোৱাৰো, আন্ধাৰবোৰলৈ চাই কেৱল ভাবো, "তোমালোকে এনেকাম কিয় কৰিলা, জীৱনৰ বাবে? মোক এনে দৰে কিয় তোমালোকে পঙ্গু কৰিলা? কিয় শাস্তি দিলা মোক? মই ইয়াৰ কোনো উত্তৰ নাপাওঁ আৰু মই কেতিয়াওঁ ইয়াৰ উত্তৰ নাপাওঁ—" হঠাৎ যেন তেওঁ সম্বিত ঘুৰাই পালে, অকণমানি ল'ৰাটোক মৰমেৰে লাহেকৈ ঠেলা এটা মাৰি ক'লে:— "যোৱা, সোনটো যোৱা নৈৰ পাৰত খেলাগৈ ডাঙৰ নদীএথনৰ পাৰত সৰু ল'ৰাই কৰিবলগীয়া বহু কাম থাকে। কেৱল চাবা ভৰি কেইখন নিতিয়াবা।"



আমি নীৰৱে চিগাৰেট খাই থাকোতে বাপেক পুতেকৰ ফালে মই এবাৰ চাই পঠিয়ালো আৰু তেওঁলোকৰ এটা বস্তু মোৰ বৰ আচৰিত লাগিল। ল'ৰাটোৰ সাজপোছাক, সাধাৰণ আছিল যদিও ভাল আৰু পৰিপাটি। ল'ৰাটোৰ গাৰ ভিতৰফালে ভেৰাৰ কোমল নোম লগোৱা দীঘল কোট চোলাটো উলৰ মোজাৰ ওপৰত সুন্দৰকৈ খাপ খাই পৰাকৈ বনোৱা তাৰ কণমানি বুট জোতাযোৰ, তাৰ কোটৰ হাতত কটা এটুকুৰাত কৰা সুন্দৰ ৰিপু চিলাই, এই আটাইবোৰে কোনোবা মহিলাৰ হাতৰ কাম বুলি, মাকৰ মৰমীয়াল হাতৰ কাম বুলি ধৰিব পাৰি। কিন্তু দেউতাকৰ ৰেহৰূপ একেবাৰে সুকীয়া। তেওঁৰ তুলীৰ পুৰ দিয়া চোলাটো কেবাঠাইতো ফুটা আৰু কেইবাঠাইত পাল মাৰি খটাকৈ ৰিপু কৰা। তেওঁৰ পুৰণা খাকী পেণ্টটোৰ এঠাইত মাৰিলোৱা তাপলিটো ভালকৈ লগোৱা হোৱা নাই, মতামানুহৰ হাতৰ আধা চিলাইৰে কোনোমতে সেইটো লগাই থোৱা আছে। তেওঁ এযোৰ প্ৰায় নতুন সামৰিক বুটজোতা পিন্ধি আছে। কিন্তু মোজাযোৰত তেওঁৰ এগালমান ফুটা। তেওঁৰ কাপোৰকানিত কোনোদিনে কোনো মহিলাৰ হাতৰ পৰশ পৰা নাই। মই ধৰি ল'লো যে হয় তেওঁৰ পৰিবাৰ ঢুকাইছে, নহ'লে তেওঁৰ আৰু তেওঁৰ পত্নীৰ মাজত কিবা গোলমাল হৈছে।

তেওঁ একেথিৰে তেওঁৰ কণমানি পুতেকক নৈৰ পাৰলৈ দৌৰি যোৱা চাই ৰ'ল আৰু তাৰ পাছত দুবাৰমান হুমুনিয়াহ কাঢ়ি আকৌ কথা ক'বলৈ আৰম্ভ কৰিলে। মই খুব মনোযোগেৰে তেওঁৰ কথা বোৰ শুনিবলৈ ধৰিলো।

"মোৰ জীৱনটো বৰ সাধাৰণ আছিল বুইছা। মই ভৰনেজ জিলাৰ মানুহ, ১৯০০ চনতে মোৰ জন্ম হৈছিল। গৃহযুদ্ধৰ সময়ত মই লালফৌজত আছিলো, কিকভিদেজৰ ডিভিজনত। বাইচ চনৰ আকালৰ সময়ত মই কুবান অঞ্চললৈ গুছি গৈছিলো আৰু তাত তেজশোহা ধনী কুলাকইতৰ বাবে গাধৰ দৰে কাম কৰিলো। নকৰাহ'লে অৱশ্যে মই আজিলৈ জীয়াইয়ো নাথাকিলোহেঁতেন। কিন্তু মোৰ ঘৰৰ গোটেই পৰিয়ালটো, মোৰ দেউতা মা আৰু ভনী খাবলৈ নাপাই মৰিল। আৰু মই অকলশৰীয়া হৈ পৰিলো মোৰ আত্মীয়স্বজন বুলিবলৈ ক'তো এজনো নাছিল, কোনো নাই। এবছৰৰ পাছত মই কুবানৰ পৰা উভতি আহিলে। পুৰণা ঘৰটো বিক্ৰী কৰি দিলো আৰু ভৰনেজলৈ গুছি গ'লো প্ৰথমে মই কাঠ মিস্ত্ৰীৰ কাম কৰিলো। তাৰ পাছত এটা ফেক্টৰীলৈ গৈ ফিটাৰৰ কাম শিকি ল'লো। তাৰ কিছুদিনৰ পাছত মই বিয়া কৰালো। মোৰ পৰিবাৰ অনাথ ল'ৰা-ছোৱালীৰ আশ্ৰম এখনত ডাঙৰ হৈছিল। তায়ো মাউৰা ছোৱালী আছিল। হয়, মই খুব ভাল তিৰোতা এজনী তিৰোতা হিচাবে পাইছিলো। ভাল স্বভাৱৰ, ৰাংচালি। সদায় তোমাৰ মনটো ভাল লগাবলৈ চেষ্টা কৰে। আৰু তেওঁ বেছ বুদ্ধিমতীও আছিল। মোৰ লগত তুলনাই নহয়। দুখ কি বস্তু সেই কথা তাই সৰুৰেপৰাই জানিছিল। আৰু মই ভাবো ইয়ে তাইৰ স্বভাৱ চৰিত্ৰৰ ওপৰত খুব প্ৰভাৱ পেলাইছিল। কাষৰ পৰা চালে তুমি হয়তো ক'ব পাৰা যে তাই দেখিবলৈ খুব ভাল নহয়, কিন্তু বুইছা মইতো তাইক একাষৰপৰা নাচাওঁ। মই সদায় তাইক পোনপটীয়াকৈ সন্মুখৰপৰা চাওঁ। আৰু মোৰ মনত গোটেই পৃথিৱীখনত তাইতকৈ ধুনীয়া আৰু কোনো নাই, আৰু কেতিয়াও নহবও।

"মই কামৰপৰা ভাগৰি জুগৰি ঘৰলৈ আহো আৰু কেতিয়াবা মেজাজটোও গৰম হৈ আছে। কিন্তু ওহো, তাই কেতিয়াও তোমাক উভটি খং নেদেখুৱাই। তাই ইমান ঠাণ্ডা আৰু মৰমীয়াল হৈ থাকিব, যেন তোমাৰ বাবে তাই একোৱেই কৰিব পৰা নাই। সদায় তোমাৰ বাবে ভাল কিবা এটা বস্তু বনাই থ'ব যদিও খোৱা বস্তু-বাহানিৰ কেতিয়াও নাটনি নুগুচিছিল। তাইক দেখিলেই মোৰ অন্তৰখন কোমল হৈ পৰে। অলপ সময়ৰ পাছত মই তাইক সাৱটি ধৰি কওঁ, "মই বৰ দুখীত মৰমী আইৰিণা। তোমাক বৰ বেয়া ব্যৱহাৰ কৰিলো। আজি কামত বৰ বেয়া দিন এটা পাৰ কৰিব লগীয়া হৈছিল।" "আমাৰ মাজত আকৌ শান্তি নামি আহে আৰু মনটোও পাতল হৈ পৰে। আৰু তুমিতো জানাই তেতিয়া তুমি কিমান বেছি কাম কৰিব পাৰা বন্ধু। পুৱা শুই উঠিয়েই মই কামলৈ ওলাই যাওঁ আৰু যি কামতেই হাত দিওঁ তাকে সুন্দৰকৈ কৰিব পাৰো। এজনী আচল বুদ্ধিমতী ছোৱালীক পত্নী হিচাবে পালে তেনেকুৱাই হয়।

কেতিয়াবা দৰমহা পোৱাৰ দিনা লগৰীয়াবোৰৰ লৈতে মই অলপমান মদ খাওঁ। আৰু কেতিয়াবা ঢলং পলং খোজেৰে আহি ঘৰ সোমাওঁহি। মোৰ অৱস্থাটো তেতিয়া কিজানি দেখিলেই ভয় লগা ধৰণৰ হৈছিল। তেতিয়া কাষৰীয়া বাটবোৰ বাদেই দিয়া প্ৰধান বাটটোও যেন মোৰবাবে যথেষ্ট বহল নহয়। সেইসময়ত মই বেচ জোৰী আছিলো আৰু একেলগে বহুত মদ খাব পাৰিছিলো। আৰু সদায় তেনে-

OKDISCD

তাইৰ মুখখন দুহাতেৰে ধৰি চুমা এটা খালো। তাইৰ ওঁঠ দুটা বৰফৰ দৰে চেঁচা আছিল। মই ল'ৰা-ছোৱালী কেইটাক মাত লগাই চলিবলৈ ধৰা ৰেলগাড়ীখনত জাপ মাৰি উঠিলোগৈ। ৰেলগাড়ীখন খুব লাহে লাহে চলিবলৈ আৰম্ভ কৰিছিল। আৰু মোক ই আকৌ মোৰ বৈ থকা পৰিয়ালটোৰ কাষেদিয়েই লৈ গ'ল। মই মোৰ ল'ৰা-ছোৱালী কেইটা একে ঠাইতে থুপ খাই সৰু সৰু হাতবোৰ জোকাৰিবৰ চেষ্টা কৰিও হাঁহিব নোৱাৰা অৱস্থাত বৈ থকা দেখিলো। আইৰীণাই হাতদুখন বুকুৰ মাজত ধৰি আছিল, ওঁঠ দুখন তাইৰ চকু মাটিৰ দৰে শেতাপৰি গৈছিল, মোৰ ফালে চাই তাই ফুচফুচাই কিবা কৈ আছিল, মানুহজনী আগলৈ হালি পৰিছিল, যেন খুব প্ৰবল ধুমুহা বতাহৰ বিপৰীতেহে তাই যেন খোজ কাঢ়িছে। মোৰ জীৱনৰ শেষলৈকে তাইৰ এই ছবিখনহে মোৰ মনত থাকিব— বুকুৰ মাজত ধৰি থকা হাতদুখন সেই শেতা ওঁঠ-চকুপানীৰে উপচি পৰা তাইৰ বহল চকুহাল। সপোনতো প্ৰায়ে মই তাইক তেনেকৈয়ে দেখা পাওঁ। কিয়নো মই তাইক তেনেদৰে ঠেলামাৰি দিছিলো। এতিয়াও সেই কথাটো যেতিয়া মোৰ মনত পৰে অন্তৰখন এখন ভোটা চুৰীৰে খুচি কাটি ঘোতালি দিয়া যেন লাগে।

"ইউক্ৰাইনৰ বেলোয়া জাৰক'ভ বোলা ঠাইখনত আমাক সামৰিক বাহিনীৰ ইউনিতবোৰত ভাগ কৰি দিয়া হ'ল। মোক এখন তিনি টনৰ ট্ৰাক চলাবলৈ দিয়া হ'ল আৰু সেইখন লৈয়েই মই ফ্ৰন্টলৈ গলো। তোমাক যুদ্ধৰ কথা কোৱাৰ প্ৰয়োজন নাই, তুমি নিজেই জানা। ঘৰৰ পৰা মই বহুত চিঠি পাইছিলো, কিন্তু নিজে বেছি চিঠি লিখা নাছিলো। মাজে সময়ে মাত্ৰ জনাইছিলো যে সকলো ঠিকেই আছে আৰু আমি অলপ অচৰপ যুদ্ধ কৰিছো। আমি এতিয়া পিচহুহকি আহিব পাৰো। কিন্তু খুব সোনকালেই আমি শক্তি গোটাই জৰ্ম্মানহতঁক পাহৰিব নোৱাৰাকৈ এশিকনি দিম; এইবুলি মই লিখো। আৰুনো তুমি কি লিখিবা! সেই সময়বোৰ বৰ আনন্দৰ সময় নাছিল আৰু তোমাৰ চিঠি লিখিবলৈকো মন নাযায়। আৰু মই নিজেই দুখৰ কথা পেঘেনীয়াই চিঠি লিখা মানুহ নাছিলো। প্ৰতিদিনাই কোনো কাৰণ নথকাকৈ ঘৈণীয়েক বা বান্ধৱীলৈ চিঠি লিখি থকাবোৰক মই এবাৰো দেখিব নোৱাৰিছিলো; চিঠি লিখা কাগজখন ভাঁহাতি—আঃ ইমান কষ্টকৰ জীৱন, আঃ! যিকোনো সময়তে মই মৰি থাকিব পাৰো এনেকুৱা ধৰণৰ কথা লিখি লিখি পুৰাই পেলাব। কুকুৰ পোৱালিহঁত, দুখৰ কথা লিখি কেৱল সমবেদনা বিচাৰিব। সি ভাবি নেচাই যে ঘৰত ঘৈণীয়েক আৰু ল'ৰা ছোৱালীয়েও তেনে ধৰণৰ কথা পাঢ়িও কিমান কষ্ট পায়। সিহঁতেতো আমাতকৈ একো ভাল অৱস্থাত থকা নাই। কিয়, তেওঁলোকেই দেখুন গোটেই দেশখনৰ ভাৰ অকলেই বহন কৰিছে। এনে ধৰণৰ হেঁচা সহ্য কৰি ভাঙি নপৰাকৈ থাকিবলৈ আমাৰ ল'ৰাতিৰোতাৰ গাত কম জোৰ থাকিব নেলাগিব।

কিন্তু তেওঁলোক ভাগি নপৰাকৈ সাহসেৰে থাকিল। আৰু এনে সময়তে কান্দুৰা এটাই দুখৰ কথা পেঘেনিয়াই এনে এখন চিঠি লিখিব যিখনে কাম কৰি থকা তিৰোতা এজনীৰ অৱস্থা একেবাৰে ধৰাশায়ী কৰি পেলায়। তেনে এখন চিঠি পোৱাৰ পাছত বেচেৰীয়ে কি কৰিব ভাবিব নোৱাৰা হয়। কাম বন কৰিব নোৱাৰা হৈ পৰে। ওহো, সকলো ধৰণৰ কষ্ট কৰাটোৱেই প্ৰয়োজন হ'লে সকলো দুখ সহ্য কৰিব পৰাটোৱেই হ'ল মতা মানুহৰ কাম আৰু সেইবাবেই তুমি সৈনিক হৈছা। কিন্তু তুমি মতাতকৈ যদি বেছি তিৰোতাৰ নিছিনাহে তেনেহ'লে যোৱা, মাইকীৰ সাজ পিন্ধি টিকা ডাঙি ডাঙি খোজ কাঢ়া যাতে তোমাক মাইকী মানুহ যেন লাগে, অন্তত পাচফালৰ পৰা হলেও। যোৱা খেতিৰ বন নিৰোৱাগৈ বা গৰু খীৰোৱাগৈ, তোমাৰ নিছিনাবোৰৰ যুঁজৰ ফ্ৰন্টত কোনো প্ৰয়োজন নাই। তাত তোমালোক নথকাকৈও এনেয়েই বেয়া গোন্ধাই।

"কিন্তু মই পূৰা এটা বছৰো যুঁজ কৰিবলৈ নাপালো। মই দুবাৰ আহত হ'লো, দুই বাৰেই অৱশ্যে বেছি আঘাট পোৱা নাছিলো, এবাৰ হাতত আৰু পাছৰ বাৰ ভৰিত। প্ৰথমবাৰ বিমানৰ পৰা মৰা গুলি লাগিল আৰু পাছৰ বাৰ এটুকুৰা গোলাৰ টুকুৰা লাগিছিল। জাৰ্মানহঁতে মোৰ লৰীখন গুলীয়াই চালনীৰ নিচিনা ফুটা কৰি পেলালে। কিন্তু বন্ধু প্ৰথমে মোৰ ভাগ্য ভাল আছিল। এৰা মোৰ ভাগ্য সদায়ে ভাল আছিল— মোৰ ভাগ্য বেয়া নোহোৱালৈকে অৱশ্যে— বিয়াল্লিশ চনৰ মে মাহত লজভেনস্কিত মোক সিহঁতে বন্দী কৰিলে। বৰ আহুকলীয়া অৱস্থা আছিল তেতিয়া। জাৰ্মানহঁতে তেতিয়া জোৰ আক্ৰমণ চলাইছে আৰু আমাৰ ১১১ মিলিমিটাৰ কামানৰ বেটেৰী এটাৰ গোলাবাৰুদ শেষ। আমি মোৰ ট্ৰাকখনত এক ট্ৰাক গোলাবাৰুদ তুলি ললো।



মই নিজেও খামি তিতি নোঘোৱালৈকে গোলাবাৰুদ তোলাৰ কাম কৰিছিলো। আমি সোনকালে সেই ঠাই এৰিব লগীয়া অৱস্থা কাৰণ শত্ৰু ওচৰ চাপি আহিছে। আমাৰ বাওঁফালে ট্ৰেঙ্কবোৰৰ গুম গুমনি শুনা পাইছিলো, সন্মুখত আৰু সোফালে বন্দুকৰ শব্দ। অৱস্থা বৰ ভাল নাছিল।

"তুমি পাৰ হৈ যাব পাৰিবানে, চকলভ?" মোৰ কম্পেনী কামাণ্ডাৰে মোক সুধিলে। তেওঁ সোধাৰ কোনো প্ৰয়োজন নাছিল। বন্ধুবোৰ যেতিয়া মৰিব তেতিয়া মই আঙুলি ফুটাই থাকিম নেকি? মই তেওঁক কলো, আপুনি কি কথা কৈছে। মই পাৰ হৈ যাব লাগিবই। কথা সেইটোহে।" "যোৱা, আৰম্ভ কৰা তেনেহলে" তেওঁ কলে "আৰু খুব জোৰেৰে যাবা।"

আৰু কম জোৰেৰে গৈছিলোনে মই? জীৱনত তেনেদৰে গাড়ী চলাই পোৱাই নাই কেতিয়াও। মই জানো মই সাধাৰণ মাল লৈ অহা নাই। মই লৈ অহা বস্তুবোৰ বেচ সাৱধানেৰে নিব লাগে তাকো মই জানো কিন্তু তুমি কেনেকৈ বেচি সাৱধান হবাহে? যেতিয়া আমাৰ ল'ৰাহঁতে গোলা-বাৰুদ নোহোৱাকৈ শুদাহাতেৰে যুঁজিব-লগীয়া হৈছে। তেতিয়া গোটেই বাটটোৰ ওপৰতে শত্ৰুৰ কামানৰ গোলাবৰ্ষণ চলি আছে? মই প্ৰায় চয় কিলোমিটাৰমান গলো আৰু ঠাই টুকুৰাৰ ওচৰ পালোগৈ। মই আমাৰ বেটেৰীৰ কামানবোৰ থকা দ ঠাই টুকুৰা পাবলৈ হলে মুল ৰাস্তাৰ পৰা কিছু নামি যাব লাগিব। আৰু তেতিয়া মই কি দেখিলো? বাজী মাৰা, আমাৰ ইনফেণ্ট্ৰিৰ সেনাবোৰে পথাৰখনৰ মাজেৰে ৰাস্তাটোৰ দুইকাষে দৌৰি আহিব লাগিছে আৰু তেওঁলোকৰ মাজতে অ'ত ত'ত শত্ৰুৰ কামানৰ গোলা পৰিফুটিছে? মই তেতিয়া কি কৰিম? মইতো উভতি আহিব নোৱাৰো। নহয় জানো? সেয়ে মই যিমান জোৰেৰে পাৰো গাড়ীখন চলাই দিলো। বেটেৰীটো পাবলৈ আৰু প্ৰায় এক কিলোমিটাৰমান আছে। ইতিমধ্যেই মই ডাঙৰ ৰাস্তাটোৰ পৰা আঁতৰি আহিছোৱেই কিন্তু মই আৰু বেটেৰীটোৰ কাষ নাপালোগৈ বন্ধু। নিশ্চয় দুৰপাল্লাৰ কামানৰ গধুৰ গোলা এটা গাড়ীখনৰ কাষতে ফুটিল। মই গোলা ফুটা শব্দ বা আন একো শুনিলো, কেৱল মোৰ নিজৰ মূৰৰ ভিতৰতে কিবা এট ফুটা যেন লাগিল, তাৰ পাছত আৰু মোৰ একো নাই। কেনেকৈনো মই বাচি থাকিলো বা কিমান দেৰীনো খালটোত মই পৰি আছিলো ক'ব নোৱাৰো, চেষ্টা কৰিলেই মূৰটো জোকাৰ খাই খাই উঠে আৰু গোটেই গাটো জ্বৰ গোৱা মানুহৰ দৰে থক্ থক্কৈ কঁপিবলৈ ধৰে। পৃথিৱী খন তেতিয়া মোৰ আন্ধাৰ যেন লাগিছিল। বাওঁ বাউসিটোত যেন কিহবাই অহৰহ খুচি আছিল, গোটেই গাতে প্ৰচণ্ড বিষ, যেন দুদিন ধৰি কোনোবাই মোক যিহকে পায় তিহকে কোবাই কিলাই খুন্দি পেলালে। বগুৱাবাই মই উঠিবলৈ চেষ্টা কৰিলো আৰু শেষত গৈ উঠিবলৈ সক্ষম হলোগৈ কিন্তু মইনো কত আছো বা মোৰনো কি হ'ল একো গম ধৰিব নোৱাৰিলো। চব কথা মই একেবাৰে পাহৰি পেলালো। কিন্তু এবাৰ মাটিত শুলেই আকৌ উঠিব নোৱাৰিম বুলি ভয়তে মই শুব নুখুজিলো। বতাহ ধুমুহাত হালি থকা গছৰ দৰে ময়ো টলং ভটংকৈ থিয়হৈ থাকিবলৈ চেষ্টা কৰিলো।

"যেতিয়া মই সম্পূৰ্ণ হুঁচ ঘুৰাই পালো তেতিয়া চাৰিও ফালে চাই পৰিস্থিতিৰ উমান লবলৈ যত্ন কৰিলো। কিন্তু যিটো গম পালো তাৰপৰা মোৰ অন্তৰখন বিয়াই উঠিল। মই কাঢ়িয়াই অনা গোলা বাৰুদবোৰ মোৰ চাৰিওফালে সিচৰিতহৈ পৰি আছে। অলপ দুৰনিত মোৰ লৰীখন আকাশলৈ চকাকেইটা দি চিংভোলোঙা খাই পৰি আছে। আৰু যুদ্ধখন মোৰ! হয় পাছফালে।

"যেতিয়া মই এই কথাটো গমপালো, তেতিয়া তোমাক ক'বলৈ লাজেই লাগে মোৰ আঠু কেইটাত জোৰ নাইকিয়া হৈ গ'ল আৰু মই কোনোবাই গুৰি কাটি দিয়াৰ দৰে ধাচকৈ মাটিত পৰি গ'লো। মই বুজি উঠিলো যে মই শত্ৰুৰ লাইনৰ পাছফালে আবদ্ধহৈ পৰিলো, বা চিধাচিধিকৈ ক'বলৈ গ'লে মই ইতিমধ্যেই ফেচিষ্টহতঁৰ বন্দী হৈ পৰিলো। সেয়ে তোমাৰ হ'ল যুদ্ধ বন্ধু।

"ওহো কথাটো বুজা ইমান সহজ নহয় বন্ধু, তোমাৰ নিজৰ একো দোষ নথকাকৈ ফেচিষ্টহঁতৰ বন্দীহোৱাৰ কথাটো বুজি উঠা ইমান সহজ নহয়। আৰু তেনে অৱস্থাত নপৰা মানুহক এই অৱস্থাটো কেনেকুৱা তাক তুমি কেতিয়াও ভালকৈ বুজাব নোৱাৰা।

মই মাটিতে পৰি থাকিলো আৰু অলপ সময়ৰ পাছতে মই টেঙ্ক অহাৰ গুম গুমনি শুনিবলৈ পালো। চাৰিটা মজলীয়া জাৰ্মান টেঙ্ক মই যি ফালৰ পৰা আহিছিলো সেই ফালে বিৰাট জোৰেৰে আগবাঢ়ি গ'ল তেতিয়া মনটো কেনেকুৱা লাগিছিল বুলি ভাবিছা? তাৰ পিচত গ'ল কামানবোৰ কঢ়িয়াই অনা টেঙ্কবোৰ, এটা যুদ্ধক্ষেত্ৰত খোৱাবস্তু দিয়া পাকঘৰ আৰু তাৰ পাছত আহিল ইনফ্ৰেণ্ট্ৰিৰ সেনাবোৰ, বেছি নহয়

OKDISCD

অৱশ্যে, চব মিলি এক কম্পেনীমান হব। মই এটা চকু অকনমান মেলি সিহঁতক চাওঁ আৰু তাৰ পাছত আকৌ জোৰকৈ মাটিত মুখখন লগাই চকু মুদি পৰি থাকো। তাঁহাতক দেখিয়েই মোৰ গাতো কিবা বেয়া লাগি আহিছিল, বুইছানে আৰু তেনেকুৱা গা বেয়া মোৰ জন্মত পৰাত কেতিয়াও হোৱা নাই।

"যেতিয়া মই ভাবিলো যে সিহঁত আঁতাইবোৰ পাৰহৈ গ'ল তেতিয়া মই মূৰ দাঙি চালো, আৰু মোৰ পৰা এশ খোজমান দূৰৈদি মাৰ্চ কৰি যোৱা ছ'টা চাবমেচিনগান লোৱা সৈনিকক দেখা পালো। মই মূৰ তুলি চোৱাত তাঁহাত ৰাস্তাৰ পৰা নামি মোৰ ফালে আগুৱাই আহিল, ছওটা আছিল, তাহাতৰ এটা মুখতো কোনো কথা নাই। এইবাৰ হ'ল আৰু তেনে, খেল খতম—মই ভাবিলো। সেয়ে মই উঠি বহিলো, তাৰ পিচত ঠিয় হলো— কাৰণ শুই শুই মৰিবলৈ মোৰ মন নগল। তাঁহাতৰ এটাই মোৰ পৰা কেইখোজ মান আঁতৰত থৈ কান্ধৰ পৰা বন্দুকটো নমাই আনি হাতত ললে। মানুহক যে কিহৰে বনেৱা সেই টো এটা বৰ আচৰিত কথা বুজিছা–কিন্তু সেই সময়ত মোৰ অকনো ভয় লগা নাছিল, এবাৰৰ বাবেও কলিজা কঁপি উঠা নাছিল। মই কেৱল তালৈ চালো আৰু ভাবিলো "তৎক্ষণাৎ কামটো শেষ, হব। সিবা গুলি কেইটা কলৈ মাৰে, মূৰলৈকে মাৰেনে বুকুতে মাৰে? মোৰ গাত নি কত গুলিয়াই বিন্ধা কৰে সেইটো যেনিবা বৰ এটা ডাঙৰ কথাহে।

সি মানুহটো ডেকা আছিল, গায়ে গাৰিয়ে আটিল চুলিবোৰ কলা কিন্তু ওঁঠ দুখন সূতা এদালৰ দৰে মিহি, আৰু তাৰ চকুত এটা বৰ বেয়া চাৱনি আছিল, সি মোক গুলিয়াই মৰাৰ আগতে দুবাৰ ভাবি নাচায়, মই মনে মনে ভাবিলো। আৰু ঠিকেই, সি গুলিয়াবলৈ বন্দুকটো দাঙিলেই। মই একো নোকোৱাকৈ চিধা চিধি তাৰ চকুলৈ চালো। কিন্তু আন এটাই অলপ বয়সীয়া মানুহ দেখাত প্ৰায় বুঢ়াৰ নিচিনাই হয়তো কৰপ্ৰেল বা কিবা এটা হব, সি চিঞৰি কিবা এটা কলে আৰু তাৰ পাছতে বন্দুক দণ্ডাটোক একাষলৈ ঠেলি আতৰাই দি মোৰ ওচৰলৈ আহিল। সি মোক বকবকাই তাঁহাতৰ ভাষাতে কিবা কলে আৰু মোৰ সোঁহাতৰ কিলাকুটিটো ভাজ কৰি মোৰ মাংসপেশীবোৰ পৰীক্ষা কৰি চালে। 'আ-হা-হা' সি মুখেৰে উচাৰণ কৰিলে আৰু বেলি ডুব যোৱাৰ ফালে ৰাস্তাটোলৈ মোক আঙুলিয়াই দেখুৱালে, যেন সি মোক বুজালে, যা-যা খচ্ছৰ কৰবাৰ, আমাৰ জাৰ্মান ৰাইখৰ (সম্ৰাট) কাম কৰগৈ।' কুকুৰ পোৱালীটো কৰবাৰ, বৰ কৃপন স্বভাৱৰ হব সি।

"কিন্তু কলা চুলীয়াটোৰ মোৰ বুটজোতা জোৰৰ ওপৰত চকু পৰিল, আৰু মোৰ বুট জোৰ বেচ ভাল আছিল। সি মোক বুটজোৰ খুলিবলৈ ইঙ্গিত দিলে। মই মাটিত বহি বুট জোৰ খুলি তাৰ ফালে আগবঢ়াই দিলো। সি জোতাজোৰ মোৰ হাতৰ পৰা থপিয়াই নিয়াদি নিলে বুইছানে, একেবাৰে থপিয়াই নিলে। মই তেতিয়া মোৰ ভৰিত মেৰাই থোৱা কাপোৰখনো খুলি মাটিত বহি থাকিয়েই তালৈ আগবঢ়াই দিলো। সি চিঞৰি মোক গালি পাৰি বন্দুকটো আকৌ দাঙি ললে কিন্তু তাৰ লগৰীয়া কেইটাই ঢেকঢেকাই হাহিবলৈ ধৰিলে। তাৰপাছত তঁহাত কেইটা মাৰ্চ কৰি আঁতৰি গ'ল। ৰাস্তাটো পোৱাৰ আগলৈকে কলাচুলীয়াটোৱে দুবাৰমান তিনিবাৰ মোলৈ উভতি চাইছিল। আৰু তাৰ চকু কেইটা খঙাল কুকুৰ নেচিয়া বাঘৰ দৰে জিলিকি উঠিছিল। কোনোবাই দেখাহেতেন ভাবিলেহেতেন যে সি মোৰ জোৰ নিয়া সলনি মইহে যেন তাৰ বুটজোতাজোৰ খুলি ললো।

"বুইছা বন্ধু, কৰিব লগীয়া আৰু একো নাছিল। মই ৰাস্তাটোত গৈ উঠিলোগৈ আৰু ভৰনেজ অঞ্চলৰ ঘিমানবোৰ বেয়া গালি মনত পৰিল আটাইবোৰ এবাৰ ডাঙৰ ডাঙৰকৈ পাৰি গলো। তাৰ পাছত বন্দীহৈ পশ্চিমলৈ যাব ধৰিলে। সেই সময়ত তালৈক খোজ কাঢ়িব পৰা অবস্থা মোৰ নাছিল। ঘণ্টাত এক কি: মিঃ মানহে মই যাব পাৰিছিলো। মদ খোৱা মানুহৰ নিচিনা মোৰ অবস্থা তেতিয়া। তুমি চিধা চিধি যাবলৈ চেষ্টা কৰিবা, কিন্তু কিবা এটাই তোমাক বাটৰ ইদঁাতিৰ পৰা সিদঁাতিলৈ ঠেলি লৈ যায়। মই অলপ দেৰী হোৱাৰ পাছত আমাৰ ডিভিজনৰে এদল সৈন্য আহি মোৰ লগ লাগিলহি সিহঁতক প্ৰায় দহটামান চাবমেচিনগান লোৱা জাৰ্মানে পহৰা দি আনিছিল। একেবাৰে আগত অহাটো মোৰ কাষলৈ আহিল আৰু মুখেৰে একো নোকোৱাকৈ তাৰ বন্দুকৰ কুন্দাটোৰে মোৰ মূৰত মাৰ শোধাই দিলে। মই যদি পৰিগলোহেঁতেন, তেতিয়া হলে তাতে সি কেইজাইমান গুলিৰে মোক মাটিৰ লগত সী পোলালেহেঁতেন। কিন্তু মই তলং ভটং কৰি পৰিব খোজাতেই আমাৰ লৰাকেইজন মানে মোক ধৰি পেলালে অকে ঠেলা হেঁচাকৈ মোক বাৰীৰ মাজলৈ সুমুৱাই লৈ বহুহৰ বাট দাঙি আজুৰি নিয়াৰ দৰে লৈ গ'ল, মোৰ হুচ আহিল, এজনে ফুচ ফুচাই কলে, "কেতিয়াও পৰি নাযাবা বুইছা, গাত জোৰ থকালৈকে গৈ থাকিবলৈ চেষ্টা কৰা; নহলে তাহাতে তোমাক মাৰি পেলাব।" আৰু মোৰ গাত তেতিয়া জোৰ নাছিল যদিও আনৰ লগতে ময়ো গৈ থাকিবলৈ ধৰিলো।



"বেলি হলিউন্নাৰ লগে লগে জাৰ্মানইঁতে পহৰাদাৰীৰ সংখ্যা বঢ়াই দিলে। তাঁহাতে লৰী এখনত আৰু কুৰিটামান চাবমেচিনগান লোৱা সেনা আনিলে আৰু আমাকো খৰকৈ খেদি নিবলৈ ধৰিলে। বেয়াকৈ আহত হোৱাবোৰক, যি বোৰ আনৰ লগত সমানে সমানে খোজকাঢ়িব পৰা নাছিল, জাৰ্মানইতে তেওঁলোকক বাটতেই গুলিয়াই মাৰিলে। দুটাই এবাৰ দৌৰ মাৰি পলাবলৈ চেষ্টা কৰিছিল,। সিহঁতে পাহৰি গৈছিল যে জোনাক ৰাতি মুকলি ঠাইত তোমাক এমালইমান দূৰৰ পৰাই ভালকৈ দেখা যায়। সিহঁতো জাৰ্মানৰ গুলিখাই মৰিল। মাজনিশা আমি আধাপোৱা গাওঁ এখন পালেহি। তাঁহাতে গম্বুজটো ভাঙি পৰা গীৰ্জাঘৰ এটাত আমাক সুমাই দিলে। আমি খালী মজিয়াখনতে ৰাতিটো কটাব লগীয়া হল, তাত খেৰ এডালো নাছিল। কাৰো গাত দীঘল কোটচোলাও নাছিল কেৱল তলত পিন্ধা ছোলাহে পিন্ধি আছিল। তেওঁলোক প্ৰায় ভাগেই এন, চি, অ, আছিল। সাধাৰণ সৈনিকৰ পৰা যাতে সিহঁতক নিলগাই উলিয়াব নোৱাৰে সেইবাবে চোলা বোৰ তেওঁলোকে খুলি পেলাইছিল। কামান চলোৱা দলৰ সেনাবোৰৰ গাতো চোলা নাছিল কাৰণ তেওঁলোকে গৰমত গাৰ চোলা খুলি কামান চলাই থাকোতেই বন্দী হৈছিল।

"ৰাতি এজাক বৰষুণ আহিল আৰু আমি আটাইবোৰ তিতি জুৰুলি জুপুৰি হলো। ওপৰৰ চালখনৰ এটুকুৰা ডাঙৰ গোলা খোৱা এটাই উৰাই নিলে আৰু বাকী থকা তোখৰো গোলা গুলিত জহি পৰিছিল। গীৰ্জাটোৰ ভিতৰত আনকি বেদীৰ কাষতো শুকান ঠাই অকন নাছিল। আমি গীৰ্জাটোৰ ভিতৰত গোটেই নিশা প্ৰায় ঠিয় হৈ থাকিলো আন্ধাৰত খোৱাৰ এটাত ভৰাই থোৱা ছাগলী এজাকৰ দৰে। গভীৰ ৰাতি মই গম পালো কোনোবাই মোৰ বাহুত হাতদি সুধিছে "তুমি আহত হৈছা নেকি কম্ৰেড?" মই ক'লো, "কিয়নো সুধিছা বন্ধু? "মই ডাক্তৰ, কিজানিবা তোমাক কিবা সহায় কৰিব পাৰোয়েই।" মই ক'লো মোৰ বাওঁ কান্ধৰ জোৰাটোৰ পৰা কটকটকৈ শব্দ হয় আৰু গোটেইতো ফুলি বিৰাট বিষাই আছে। তেওঁ দৃঢ়ভাৱে ক'লে, "তোমাৰ পোচাক তলৰ কামিজটো খোলাচোন।" মই কাপোৰ খোলাত তেওঁ লাহী আঙুলিকেইটাৰে মোৰ কান্ধৰ জোৰাটো চাৰিওফালৰ পৰা পিটিকি পৰীক্ষা কৰি চালে। আৰু তোমাৰ কি সাংঘাতিক বিষ! মই দাতঁ কামুৰি ধৰি তেওঁক ক'লো, "তুমি গৰুৰ ডাক্তৰ নে মানুহৰ ডাক্তৰহে? যতে বেছি বিষ তাঁতে আকৌ টি'পা মাৰি দিছা কিয়? একেবাৰে দয়ামায়াহীন ভূতহে তুমি।" কিন্তু তেওঁ পিটিকিয়েই থাকিল আৰু অলপ খঙেৰে মোক ক'লে, "তোমাৰ কাম হ'ল মুখ বন্ধ কৰি থকা। মোক তেনেদৰে কথা নক'বা কিন্তু! ৰবা থিয় হৈ থাকা, এতিয়াহে তোমাৰ আচল বিষটো হ'ব!" এইবুলি তেওঁ মোৰ হাতখন এনেদৰে পকাই দিলে যে মই চকুৰে সৰিয়হ ফুল দেখি গলোগৈ

"যেতিয়া মোৰ হুচ আহিল মই ক'লো, "কি কৰিছাহে তুমি, চালা ফেচিষ্ট ক'ৰবাৰ! মোৰ হাত ভাঙি টুকুৰা টুকুৰ হৈ আছে আৰু এওঁ তাতে এনেদৰে টনা আজোৰা কৰিছেহি।" মই আন্ধাৰতে তেওঁ হহাঁ শুনিলো। তাৰপাচত তেওঁ ক'লে, "মইতো কাম কৰি থাকোতে তুমি সোঁহাতেৰে মাৰ মাৰি দিবা বুলিয়েই ভাবিছিলো। কিন্তু যি দেখিলো তুমি খুব ভাল স্বভাৱৰ মানুহ; তোমাৰ হাতভঙা নাই। বাউসিৰ হাড়দাল যোৰাটোৰ পৰা ওলাই আহিছিল আৰু মই আকৌ সেইদাল তাৰ খুৱলিত খুৱাই দিলো। ৰাৰু এতিয়া অলপ ভাল পাইছানে?" আৰু সচাঁ কৈয়ে মোৰ বিষটো বহুত নাইকীয়া হৈ গ'ল। মই তেওঁক ধন্যবাদ জনালো যাতে তেওঁ মোৰ কৃতজ্ঞতা বুজি পায়। আৰু তেওঁ, আন্ধাৰৰ মাজে মাজে তেওঁ আনবোৰক ফুচফুচাই সুধি ফুৰিবলৈ ধৰিলে, "কোনোবা আহত লোক আছেনেকি?" সেই এজন আচিল ডাক্তৰ লগ পালো বুইছা। ইমান ঘিট-মিটিয়া আন্ধাৰৰ মাজতো সেই বদ্ধ জাগাত তেওঁ তেওঁৰ মহৎ কাম কৰি গৈছিল।

"সেই নিশাটো বৰ অস্বস্তিকৰ আছিল। আমাক তাঁহাতে আনকি শৌচ পেচাব কৰিবলৈকো যাব দিয়া নাছিল। আমাক যেতিয়া জোৰ পাতি গীৰ্জাঘৰটোত সুমুৱাই দিছিল তেতিয়াই ৰখীয়াৰ কামাণ্ডাৰটোৱে সেই কথা কৈ দিছিল। আৰু ভাগ্যৰ বিবম্বনাৰ কথা, আমাৰ মাজৰ খৃষ্টান এজনৰ খুব জোৰকৈ বাহিৰলৈ যাবলগীয়া অৱস্থা হ'ল। বহুত দেৰী তেওঁ কোনো মতে কষ্ট কৰি থাকিল কিন্তু শেষত ৰ'ব নোৱাৰি কান্দি পেলালে। "মই কেনেকৈ পৱিত্ৰ ঠাই এটুকুৰা অপবিত্ৰ কৰিম? মই ঈশ্বৰ বিশ্বাস কৰো, মই এজন খৃষ্টান। কি কাৰো এতিয়া কোৱাচোন ল'ৰাহঁত?" আৰু তুমিতো জানাই আমাৰ লগৰ বাঁহ কেনেকুৱা মানুহ। কিছুমানে হাঁহিলে, কিছুমানে গালি পাৰিলে আৰু কিছুমানে নানাধৰণৰ উপদেশ দি তাক জোকাবলৈ ধৰিলে।

সি আমাৰ আটাইকে আমোদ দিলে হয় কিন্তু তাৰ শেষফল পাছে ভাল ন'হলগৈ। তেওঁ গৈ দুৱাৰখনত খুন্দিয়াই বাহিৰলৈ ওলাবলৈ দিবলৈ চিঞৰিবলৈ ধৰিলে। আৰু তাৰ উত্তৰে তেওঁ লগেলগেই পালে। ফেচিষ্ট এটাই চাবমেচিনগানেৰে দুৱাৰখনৰ মাজেৰেই দীঘলীয়াকৈ এজাউৰি গুলি মাৰি পঠিয়ালে, ফলত খৃষ্টানজনৰ লগতে আৰু তিনিজন ঠাইতে মৰিল আৰু আন এজন ইমান বেয়াকৈ আহত হ'লযে তেওঁ ৰাতিপুৱালৈ মৰি থাকিল।

"আমি মৰাবোৰক চুক এটালৈ টানি আঁতৰাই থলো, তাৰপাছত মনে মনে বহি নিজে নিজে ভাবিলো—আৰম্ভনিটো ৰৰ সুবিধাৰ নহয়। তাৰপাছত আমি ফুচফুচাই নিজৰ মাজতে কথা পাতিলো, ইটোৱে আনটোক ক'ৰপৰা আহিছে আৰু কেনেকৈ বন্দী হ'ল সুধিবলৈ ধৰিলো। একে প্লেটুন বা একে কোম্পানীত থকাবোৰে আন্ধাৰৰ মাজতে এটাই আনটোক লাহে লাহে মাতিবলৈ ধৰিলে। মোৰ কাষতে থকা দুজনে কথা পতা মই-শুনা পালো এজনে ক'লে, "কাইলৈ যদি আমাক আন ঠাইলৈ লৈ যোৱা আগত লাইন পতাই কমিচাৰ, কমিউনিষ্ট আৰু ইহুদীসকলক ওলাই আহিবলৈ কয়, তেতিয়া তুমি আৰু লুকাবলৈ চেষ্টানকৰাই ভাল হ'ব বুজিছা প্লেটুন কমাণ্ডাৰ তুমি সাৰিব নোৱাৰিবা। (ক্ৰমশ:)

For

Up To Date Fashion

And Style

Of

Today and Tomorrow

*Please Visit :*

**Recent Tailors**

Paltan Bazar

Guwahati 781008,

সম্পাদকীয় (২ পৃষ্ঠাৰ পিছৰ পৰা)

সংখ্যালঘুৰ বাবে চি, পি, এমৰ যে স্বাৰ্থজড়িত কপটাশ্ৰু আৰু চি, পি, এমৰ ৰাজনীতি যে শাসকীয় ৰাজনীতিৰেই অনুকৃতি, এইকথা সুন্দৰবনৰ মৰিছ ঝাঁপিয়ে আজিও ঘোষণা কৰে।

কিন্তু এই কথা প্ৰত্যক্ষ যে, ১৯৬৬ চনৰ পৰা ৭১ চনৰ ভিতৰত অনুপ্ৰৱেশকাৰীমানুহ খিনিক লৈ সংখ্যালঘুৰ প্ৰসংগটো উত্থাপিত হোৱাৰ প্ৰাসঙ্গিকতাও আছে। কিয়নো, চুক্তিমতে দহবছৰৰ বাবে যদিও এই মানুহখিনিৰ ভোটাধিকাৰ নাকচ কৰা হৈছে, আৰু দহ বছৰ পাছত উক্ত মানুহ খিনিয়ে ভাৰতৰ নাগৰিকত্ব লাভ কৰিবলৈ সক্ষম হ'ব। অৰ্থাৎ, এই সকলো অসমৰ স্থায়ী বাসিন্দাই। গতিকে, এই মানুহ খিনিক লৈ পুনৰ নতুন সমস্যাৰ সৃষ্টি হোৱাটো কোনো গণতান্ত্ৰিক ব্যক্তিৰেই কাম্য নহয়। অসমৰ বিভিন্ন ৰাজনৈতিক নেতৃবৰ্গ তথা বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰী দপ্তৰেও মন্তব্য কৰা মতে—উক্ত মানুহখিনিয়ে কেৱল দহ বছৰৰ বাবে ভোটাধিকাৰৰ বাহিৰে সম্পত্তিৰ অধিকাৰকে আদি কৰি অন্যান্য সকলোবোৰ সুবিধা যথাৰ্থ ভাবেই ভোগ কৰিবলৈ পাব। আৰু সেয়া ও উচিত। কিয়নো, উক্ত মানুহখিনিয়ে অসমৰ সামাজিক উৎপাদনত অংশগ্ৰহন কৰি নিজৰ দায়িত্ব পালন কৰি থাকিব। কিন্তু, 'চুক্তি'খনত এইকথা স্পষ্ট নহয়। যদি সেয়াই হয়, চুক্তিত স্বাক্ষৰকাৰী সকলে এই কথা মুকলিকৈ ঘোষণা কৰা উচিত, আৰু সংসদতো উক্ত মানুহখিনিৰ অন্যান্য অধিকাৰবোৰ আইনসন্মতভাৱে সাব্যস্ত হোৱাৰ প্ৰসংগটোও উত্থাপিত কৰোৱা উচিত। নহ'লে বিচ্ছিন্নতাবাদী শক্তিবোৰক-কেই প্ৰশ্ৰয় দিয়া হ'ব আৰু স্বাৰ্থন্বেষী দলীয় ৰাজনৈতিক ছল-চাতুৰীৰ বাট প্ৰশস্ত হ'ব। সেইদৰে প্ৰয়োজন উক্ত মানুহখিনি অসমীয়া জাতিৰ মূলসংস্কৃতিটোৰ লগত একাত্ম হোৱাৰ সুস্থ পৰিকল্পনাৰ, আৰু লগতে তেওঁলোকৰো থাকিব লাগিব একাত্ম হোৱাৰ আন্তৰিক সদিচ্ছা।

অপ্ৰিয় হলেও সত্য যে অসম চুক্তিৰ প্ৰতিক্ৰিয়া সাপেক্ষে অসমস্থ বাঙালী মধ্যবিত্ত সকলৰ মনত যি ধ্যান-ধাৰনাই ঠাই লৈছে, সেয়া হ'ল কলিকতীয়া বাতৰি কাকতৰ 'চৰিত্ৰহীনতা'। তেওঁলোকৰ এক নিজস্ব দৃষ্টিভংগী নথকাটোৱেই হৈছে ইয়াৰ কাৰণ। থলুৱা সমস্যাবলী, থলুৱা ধ্যান-ধাৰণা বা আশা-আকাংখ্যাৰ সৈতে একাত্মবোধ নাথাকিলে থলুৱা পৰিস্থিতিৰ পটভূমিত কোনো নিজস্ব ধ্যান-ধাৰণা গঢ়লৈ উঠিব নোৱাৰে। গতিকে অসমৰ থলুৱা বাঙালী মধ্যবিত্ত সকলে অসমৰ জন-জীৱনৰ লগত একাত্ম হোৱাৰ প্ৰৱণতা গঢ়ি তোলক। 'যুগান্তৰ', 'আনন্দ বাজাৰ পত্ৰিকা' পঢ়াৰ লগতে এখন নিৰপেক্ষ অসমীয়া দৈনিক আৰু এখন সাপ্তাহিক কাকতৰ লগতো পৰিচয় হওক। তেওঁলোকৰেই মংগল হ'ব, শুভবুদ্ধিৰ উদয় হ'ব মনত। অসমীয়া ভাষা সংস্কৃতিক সন্মান কৰক। ই নিজৰ ভাষা-সস্কৃংতিক অসন্মান কৰা নুবুজায়। চি, পি, এম মাৰ্কা ভণ্ডামী আৰু বিছিন্নতাবাদী মনোভাবৰ পৰা নিজকে আঁতৰাই ৰাখক। যেতিয়ালৈকে বিছিন্ন হৈ থকা যায়, তেতিয়ালৈকেহে নিৰাপত্তাৰ অনুভৱ কৰা যায়। একাত্মবোধ আৰু পাৰস্পৰিক বুজাপৰা, আৰু উমৈহতীয়া সংগ্ৰামতকৈ অধিক নিৰাপত্তা আৰু একোৱেই হ'ব নোৱাৰে।

চুক্তিখনে এটা কথা স্পষ্ট কৰিছে—শিল্পোন্নয়ন এখন দেশৰ প্ৰগতিৰ অন্যতম মূল কথা। কিন্তু থলুৱা স্বাৰ্থক সাৰোগত কৰি যদি শিল্পনীতি প্ৰয়োগ কৰা নহয়, তেনেহ'লে সেই শিল্পনীতিৰ দ্বাৰা দেশৰ উন্নতি হওক চাৰি কিছুমান বেমেজালিৰহে সৃষ্টি হ'ব। এইক্ষেত্ৰত 'চৰকাৰী প্ৰতিশ্ৰুতি'ৰ দ্বাৰা সুফল লাভ কৰাৰ উদাহৰণ খুবেই বিৰল। ইয়াক সাব্যস্ত কৰিব ৰাইজৰ বলীষ্ঠ সক্ৰিয়তাইহে। গতিকে এই মুহূৰ্তত অসমৰ থলুৱা স্বাৰ্থক উৰ্দ্ধত ৰাখি জনসাধাৰণৰ আগত এক সুস্পষ্ট শিল্পনীতি দাঙি ধৰাটো আটাইতকৈ বেছি প্ৰয়োজনীয় কথা। ৫/১০/৮৫ ইং

*Best wishes from :*

**National Canvas Craft Industries**

PAN BAZAR, GUWAHATI-781001

*Manufacturers of* : Tent & Tentages, Tarpaulin & Cover waterproof, Gypsy Huts, Camp Cots, Kit Bags, Ground Sheets, Bulking Sheets, Rain Coats, Hoods for all types of Vehicles, Rickshow Hoods, Bags of all kinds, Web Equipments, Garments, Holdalls of all types, etc.

A PIONEER SMALL SCALE INDUSTRIAL UNIT

*Office* :
PAN BAZAR
Guwahati-781001
Phone : 25168

*Factory* :
FOTASIL AMBARI
Dhirenpara, Guwahati

The Test of the Sweets of Misti Mukh is unforgettable

Never Forget to Visit—

**MISTI MUKH**

Seller and Supplier of all kinds of Sweets.

ULUBARI
Guwahati-7

With Best Wishes From :

**GASCO EQUIPMENTS**

K. K. Baruah Road

Jorhat-1

We Deal in : High Pressure Commercial Gas Burners in Hotels, Hostels, Canteens, etc.

OKDISCD